# অধ্যয়ন আৰু অনুশীলন

ড° ধ্ৰুৱজ্যোতি নাথ

পূৰ্বাঞ্চল প্ৰকাশ
গু ৱা হা টী

**ADHYAYAN ARU ANUSHILAN**

Written by Dr. Dhrubajyoti Nath,
Principal, Swahid Peoli Phukan College, Namti, Sivasagar

Published by
**purbanchal prakash**
H. No.- 2, Seujee Path, Dr. B. N. Saikia Road, Wireless,
Dispur, Guwahati - 781006.

₹. 150 only

॥ প্ৰকাশক ঃ পূৰ্বাঞ্চল প্ৰকাশ, ঘৰ নং-২, সেউজী পথ, ৱায়াৰলেছ, গুৱাহাটী-৭৮১০০৬ ॥
॥ মুদ্ৰণ ঃ ভবানী অফছেট এণ্ড ইমেজিং প্ৰাঃ লিঃ, গুৱাহাটী-৭৮১০০৭ ॥
॥ প্ৰথম প্ৰকাশ ঃ আগষ্ট, ২০২৩ ॥
॥ © লেখকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত ॥
ISBN : 978-81-964605-6-3

॥ মূল্য ঃ ১৫০ টকা ॥

অৰ্চিতা, নৈঋতা আৰু
নব্বাৰুণৰ হাতত হেঁপাহেৰে...

# প্ৰাক্‌কথন

জ্ঞান অন্বেষণত প্ৰবৃত্ত হোৱাৰ দিন ধৰি মানুহৰ চেতনাত সৃষ্টিৰ তাড়নাই অহৰহ অনুপ্ৰেৰণা যোগাই আহিছে। চৰ্চা, গৱেষণা আৰু অনুশীলনে সমৃদ্ধ কৰা মানুহৰ মনত গৱেষণালব্ধ জ্ঞান জনসাধাৰণৰ মাজত ভগাই লোৱাৰ ইচ্ছাই সৃষ্টিশীল কৰ্মত নিয়োজিত হ'বলৈ উদগনি যোগায়। ইয়াৰ ফলতেই মানুহ ব্যস্ত হৈ পৰে বিভিন্ন সৃষ্টিশীল কৰ্মত। সাহিত্য সাধনা একপ্ৰকাৰৰ সৃষ্টিশীল কৰ্ম। এই সৃষ্টিশীল কৰ্মৰ ৰচনাত ব্ৰতী হ'বলৈ বিভিন্ন অধ্যয়ন আৰু অনুশীলনৰ প্ৰয়োজন।

অধ্যয়ন আৰু অনুশীলন গ্ৰন্থত সন্নিৱিষ্ট প্ৰবন্ধসমূহ সমসাময়িক বিভিন্ন আলোচনী, প্ৰবন্ধ সংকলন, গৱেষণা-পত্ৰিকা আদিৰ পাতত সিঁচৰিত হৈ আছিল। বিভিন্ন সময়ত ৰচনা কৰা এই প্ৰবন্ধসমূহক যুগুত কৰি একত্ৰ সংকলন হিচাপে প্ৰকাশ কৰা হৈছে। এই সংকলনৰ প্ৰবন্ধসমূহৰ বিষয়বস্তুৱে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিভিন্ন বিষয় সামৰি লোৱাৰ লগতে বিভিন্ন ব্যক্তিৰ জীৱনালেখ্যও ইয়াত সন্নিৱিষ্ট কৰা হৈছে। গ্ৰন্থসমূহৰ আলোচ্য বিষয়সমূহক চাৰিটা পৰিচ্ছেদত ভাগ কৰা হৈছে। ইয়াৰে প্ৰথম পৰিচ্ছেদত সাহিত্য বিষয়ক আলোচনা আগবঢ়োৱা হৈছে। ইয়াত শংকৰদেৱৰ সাহিত্যৰপৰা আৰম্ভ কৰি সাম্প্ৰতিক অসমীয়া সাহিত্যলৈকে বিভিন্ন বিষয়ৰ প্ৰবন্ধ সন্নিৱিষ্ট কৰা হৈছে। দ্বিতীয় পৰিচ্ছেদত ভাষা-সংস্কৃতি বিষয়ৰ পাঁচটা সমালোচনামূলক প্ৰবন্ধ অন্তৰ্ভুক্ত কৰা হৈছে। তৃতীয় পৰিচ্ছেদত ভাৰত তথা অসমৰ সমাজ জীৱনৰ লগত জড়িত তিনিজন বিশিষ্ট ব্যক্তিৰ জীৱনৰ এক চমু অৱলোকন আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে। চতুৰ্থ তথা অন্তিম পৰিচ্ছেদত অসমীয়া গ্ৰন্থ জগতৰ তিনিখন বিভিন্ন বিষয়ৰ গ্ৰন্থৰ এক পৰিচয়মূলক আভাস দাঙি ধৰাৰ যত্ন কৰা হৈছে।

বিভিন্ন সময়ত বিভিন্নজন শুভাকাংক্ষীৰ তাগিদাত ৰচনা কৰা এই প্ৰবন্ধসমূহ একত্ৰ সংকলন কৰি থোৱাৰ হেঁপাহৰ ফল অধ্যয়ন আৰু অনুশীলন। প্ৰবন্ধসমূহ লেখাৰ সময়ত বিভিন্ন ধৰণে সহায় আগবঢ়োৱা সহধৰ্মিণী ৰেখামণি নাথক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। গ্ৰন্থখন প্ৰস্তুত কৰাৰ বেলিকা আৰ্হি কাকত নিৰীক্ষণ কৰি সহযোগিতা আগবঢ়োৱাৰ বাবে ড° বুলবুলি বৰগোহাঁইৰ শলাগ লৈছোঁ। অক্ষৰ বিন্যাস কৰ্ম সম্পাদন কৰা দ্বীপেন গোহাঁইক এই আপাহতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

পূৰ্বৰ গ্ৰন্থকেইখনৰ দৰে এইখন গ্ৰন্থও প্ৰকাশৰ দায়িত্ব লোৱাৰ বাবে 'পূৰ্বাঞ্চল প্ৰকাশ'ৰ প্ৰতি আন্তৰিক স্নেহ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। অধ্যয়ন আৰু অনুশীলন গ্ৰন্থখনে সাৰস্বত সমাজৰ সমাদৰ পোৱাৰ লগতে শিক্ষাৰ্থী আৰু গৱেষকসকলক কিছু পৰিমাণে উপকৃত কৰিলেই আমাৰ শ্ৰম সাৰ্থক হ'ব।

**— ড° ধ্ৰুৱজ্যোতি নাথ**

১৫ এপ্ৰিল, ২০২৩ শিৱসাগৰ

# সূচীপত্ৰ

## সাহিত্য


- শংকৰদেৱৰ অন্তিমখন অংকীয়া ভাওনা ৰামবিজয় | ১১
- অৰুনোদইৰ পাতত অসমৰ সমসাময়িক ঘটনা | ১৭
- চৈয়দ আব্দুল মালিকৰ প্ৰেম অমৃতৰ নদী  উপন্যাসত প্ৰকৃতি  চিত্ৰণ | ২৫
- ককাদেউতাৰ হাড় ঃ এখন ইতিহাসগন্ধী উপন্যাস | ৩০
- অৰুণ শৰ্মাৰ নাটক ঃ এটি আলোচনা | ৩৬
- অসমত তুলনাত্মক সাহিত্যৰ অধ্যয়ন | ৪১
- সমসাময়িক অসমীয়া সাহিত্যৰ  প্ৰতি প্ৰত্যাহ্বান | ৫০


## ভাষা-সংস্কৃতি


- অসমীয়া ভাষা ঃ প্ৰত্যাহ্বান আৰু প্ৰতিকাৰ | ৫৭
- অসমত ভাষিক সংঘাত ঃ কাৰক আৰু প্ৰতিকাৰ | ৬৪
- ৰামকথা আশ্ৰয়ী অসমৰ পৰিৱেশ্য কলা ঃ পৰম্পৰা, প্ৰত্যাহ্বান আৰু সম্ভাৱনা | ৭৩
- বিহুনামত নদী ঃ এক অৱলোকন | ৮২
- অসমীয়া সমাজ জীৱনত নামঘৰৰ গুৰুত্ব | ৮৭


## জীৱনালেখ্য


- জনগণৰ মনৰ অধিনায়ক মহাত্মা গান্ধী | ৯৩
- সাহিত্য সমালোচক ডম্বৰু কাকতি | ৯৬
- কৈলাশ নাথ শৰ্মা ঃ স্ৰষ্টা আৰু দ্ৰষ্টা | ৯৯


## গ্ৰন্থ সুবাস


- শতবৰ্ষৰ পদূলিত নতুন সাজেৰে মিৰি-দোৱান | ১০৫
- অন্য এক দৃষ্টিকোণ ঃ স্থবিৰতা বিসৰ্জনৰ আহ্বান | ১০৯
- সপোনৰ গাঁও গ্ৰন্থাগাৰ আৰু .... ইত্যাদি  ঃ ব্যতিক্ৰমী চিন্তাৰ কলাত্মক প্ৰকাশ | ১১২

# সাহিত্য

# শংকৰদেৱৰ অন্তিমখন অংকীয়া ভাওনা

## ৰামবিজয়

ভাৰতীয় সাহিত্য-সংস্কৃতিৰ পৰম্পৰাত মহাকাব্য ৰামায়ণৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। মৌখিক পৰম্পৰাৰপৰা আৰম্ভ কৰি আধুনিক সাহিত্য আৰু পৰিৱেশ্য কলাৰ বিভিন্ন দিশত ৰামায়ণী কথাবস্তুৰ প্ৰাধান্য মনকৰিবলগীয়া। এই ক্ষেত্ৰত অসমীয়া সাহিত্য-সংস্কৃতিও ব্যতিক্ৰম নহয়। লোকসাহিত্যৰপৰা আৰম্ভ কৰি বৰ্তমান সময়লৈকে ৰচিত অনেক অসমীয়া সাহিত্য ৰামায়ণী কথাবস্তুৰ আধাৰত সৃষ্টি হৈছে।

অসমীয়া সাহিত্যৰ ইতিহাসত বৈষ্ণৱ লেখকসকলৰ ৰচনাৰাজিৰ গুৰুত্ব অপৰিসীম। এই লেখকসকলৰ ৰচনাৰাজিৰ আধাৰ আছিল ৰামায়ণ, মহাভাৰত আৰু বিভিন্ন পুৰাণসমূহ। সেয়ে ভাৰতীয় ঐতিহ্য আৰু পৰম্পৰাৰ বাহক স্বৰূপ বৈষ্ণৱ লেখকসকলৰ বহুতো ৰচনাত বৈষ্ণৱ আদৰ্শৰ অনুকূলে ৰামায়ণী সমল সোমাই থকা পৰিলক্ষিত হয়।

অংকীয়া ভাওনা নৱ বৈষ্ণৱ আদৰ্শৰ প্ৰৱৰ্তক মহাপুৰুষ শংকৰদেৱৰ সৃষ্টি। শংকৰ-মাধৱ দুজনা গুৰুৰ আৰু পিছৰ ধৰ্মাচাৰ্যসকলে সেই আৰ্হিত ৰচনা কৰা নাটেই অংকীয়া শ্ৰেণীৰ; তাৰ ভাওনা বা অভিনয়েই অংকীয়া ভাওনা।[১] এই শ্ৰেণী নাটকক প্ৰাচীন অসমীয়া নাট বুলিও অভিহিত কৰিব পাৰি। বৈষ্ণৱ লেখকসকলৰ অন্যান্য ৰচনাৰ দৰেই এই শ্ৰেণীৰ ৰচনাতো ৰামায়ণী কথাবস্তুৱে প্ৰাধান্য লাভ কৰিছে।

অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভক্তি প্ৰধান সাহিত্য সৃষ্টিৰ বাবে শংকৰী যুগৰ এক উল্লেখযোগ্য ভূমিকা আছে। শংকৰদেৱৰপৰা আৰম্ভ কৰি ভট্টদেৱলৈকে লেখকসকলৰ ৰচনাৰাজিক শংকৰী যুগৰ সাহিত্য বুলি ক'ব পাৰি।[২] এই যুগৰ লেখক শংকৰদেৱৰ হাততে ৰামায়ণী বিষয়বস্তুৱে ৰচনা কৰা প্ৰথমখন প্ৰাচীন অসমীয়া নাট *ৰামবিজয়*ৰ সৃষ্টি হয়।

শংকৰী যুগৰ একমাত্ৰ ৰামায়ণভিত্তিক নাট *ৰামবিজয়* শংকৰদেৱৰ ৰচনা। এইখন নাটৰ জৰিয়তে অসমীয়া নাট্য সাহিত্যৰো সূচনা হয়। ১৪৯০ (১৫৬৮ খৃষ্টাব্দ) শকত নাটখন সম্পূৰ্ণ কৰা হয়।[৩] নাট্যকাৰ শংকৰদেৱে কোচবিহাৰত থকা সময়ত চিলাৰায় (শুক্লধ্বজ)ৰ অনুৰোধক্ৰমে নাটখন ৰচনা কৰে।[৪] নাটখনক *সীতা স্বয়ম্বৰ* নামেৰেও জনা যায়।[৫] নাটৰ ঘটনা বাল্মীকি ৰামায়ণৰ 'বালকাণ্ড'ৰ ওপৰত প্ৰতিষ্ঠিত। তদুপৰি *অগ্নিপুৰাণ* আৰু *ভাগৱত*ৰ 'নৱম স্কন্ধৰ দশম অধ্যায়'ৰ পৰাও গুৰুজনাই সাৰ সংগ্ৰহ কৰাৰ সম্ভাৱনা আছে।[৬]

নাটৰ কাহিনী অনুসৰি মাৰীচ আৰু সুবাহুৰ অত্যাচাৰত ঋষি বিশ্বামিত্ৰই যজ্ঞ সম্পাদন কৰিব নোৱাৰা হোৱাত সিহঁতক দমন কৰিবৰ কাৰণে ঋষিয়ে দশৰথৰ ওচৰত ৰাম-লক্ষ্মণক বিচাৰি যায়। ৰাম-লক্ষ্মণে আহি সুবাহু মাৰীচক হত্যা কৰাৰ পাছত ঋষি বিশ্বামিত্ৰই তেওঁলোকক জনক নন্দিনী সীতাৰ স্বয়ম্বৰ সভালৈ লৈ গ'ল। স্বয়ম্বৰত ৰামচন্দ্ৰই ধনু ভাঙি সীতা দেৱীক লাভ কৰিলে। প্ৰত্যাৱৰ্তনৰ পথত পৰশুৰামে ৰামৰ সৈতে যুদ্ধ আহ্বান কৰাত ৰামে পৰশুৰামক প্ৰাণে নামাৰি তেওঁৰ স্বৰ্গপথ ছেদ কৰিলে।

*ৰামবিজয়* নাটত কম পৰিসৰতে ভালেখিনি কথা অৱতাৰণা কৰিবলগীয়া হৈছে। নাট্যকাৰে সেয়ে বহুতো প্ৰাসংগিক ঘটনা পৰিহাৰ কৰাৰ লগতে একাধিক স্থানত বাল্মীকি ৰামায়ণৰপৰা আঁতৰি আহিছে। বাল্মীকি ৰামায়ণৰ মতে দশৰথে বশিষ্ঠৰ কথামতে ৰাম-লক্ষ্মণক বিশ্বামিত্ৰৰ লগত পঠিয়াবলৈ মান্তি হৈছে। শংকৰদেৱে *ৰামবিজয়* নাটত বশিষ্ঠৰ উল্লেখ কৰা নাই। দ্বিতীয়তে, বাল্মীকি ৰামায়ণ অনুসৰি মুনিৰে সৈতে ৰাম-লক্ষ্মণ মিথিলালৈ যোৱাৰ উদ্দেশ্য হৈছে ধনুখন প্ৰত্যক্ষ কৰা; সীতাক বিয়া কৰোৱা নহয়। কিন্তু *ৰামবিজয়* নাটত বিশ্বামিত্ৰই জানকীৰ ৰূপ-গুণ বৰ্ণাই ৰামৰ মনত পূৰ্বৰাগৰ সঞ্চাৰ কৰি মিথিলাত উপস্থিত হৈছে।[৭] তৃতীয়তে, স্বয়ম্বৰৰপৰা সীতাক লৈ আহোতে বাটত পৰশুৰামৰ সৈতে তৰ্ক যুদ্ধ কৰাৰ কথা বাল্মীকি ৰামায়ণত নাই। চতুৰ্থতে, বাল্মীকি ৰামায়ণৰ আদি কাণ্ডত উল্লেখ নোহোৱা কিন্তু মাধৱদেৱৰ আদিকাণ্ডত[৮] সীমিত ৰূপত থকা সীতাৰ পূৰ্বজন্মৰ আভাসৰ আঁত ধৰি নাটখনত সীতাক এগৰাকী জাতিস্মৰ কন্যা ৰূপত চিত্ৰিত কৰিছে। সীতাই সখী মদনমঞ্জৰী আৰু কনকাৱতীক উদ্দেশ্যি কোৱা এটি সংলাপত এই কথা অনুভৱ কৰিব পাৰি—
"আহে সখীসব! পৰম অভাগিনীক কি পুছহ। হামু পূৰব জনম ঈশ্বৰ

নাৰায়ণক স্বামী ইচ্ছা কয়। অনেক জনম কায়ক্লেশ কৰিএ বহুত বৰিষ তপস্যা কয়লো। তদনন্তৰ বাণী শুনল 'আহে কন্যা, তোহোঁ ওঁহি জনমে স্বামীক ভেট নপাৱৰ, আৰ জনম শ্ৰীৰাম ৰূপে তোহোক বিবাহ কৰাৱব' ইহা জানি হামু অগনি প্ৰৱেশি প্ৰাণ চাৰলো।"

পঞ্চমতে, বাল্মীকি ৰামায়ণত বিশ্বামিত্ৰই সিদ্ধাশ্ৰমৰ পৰা মিথিলালৈ যাওঁতে বহু ঠাইৰ ইতিহাস, বহু ৰাজবংশৰ উৎপত্তি, নিজৰ অতীত জীৱনৰ বহু কথা ব্যক্ত কৰিছে। *ৰামবিজয়* নাটত অৱশ্যে এইবোৰ কথাই ঠাই পোৱা নাই।

ৰামায়ণী সাহিত্য চৰ্চাৰ বাবে সাহিত্য একাডেমি বঁটা পোৱা লেখিকা কেশদা মহন্তই তেখেতৰ 'অসমীয়া ৰামায়ণী সাহিত্য ঃ কথাবস্তুৰ আঁতিগুৰি' (প্ৰথম খণ্ড, পৃ. ৩১৫)ত মূল বাল্মীকি ৰামায়ণৰপৰা বিষয়বস্তু গ্ৰহণ কৰিলেও শংকৰদেৱে *ৰামবিজয়*ত অনা মুখ্য পৰিৱৰ্তনখিনি এনেদৰে উল্লেখ কৰিছে—

১। বশিষ্ঠক এবাৰলৈকো অৱতাৰণা কৰা হোৱা নাই।

২। বিশ্বামিত্ৰই ৰাম-লক্ষ্মণক ধনুৰ্বেদ আৰু দিব্য বাণ দান কৰা বুলিছে; বলা-অতিবলা বা অস্ত্ৰসমূহৰ নাম উল্লেখ কৰা নাই।

৩। অহল্যা উদ্ধাৰৰ কথা উল্লেখ নাই।

৪। ৰামে সীতাৰ স্বয়ম্বৰ সভাত প্ৰতিদ্বন্দ্বী ৰজাবিলাকৰ উপস্থিতিত হৰধনু ভংগ কৰিছে আৰু সেই সভাতেই সীতাই মাল্যদান কৰি ৰামক বৰণ কৰিছে।

৫। ৰাম-সীতাৰ পূৰ্বৰাগ বৰ্ণন, সীতাৰ জাতিস্মৰত্ব।

৬। মিথিলাত স্বয়ম্বৰৰ পাছত প্ৰতিদ্বন্দ্বী ৰজাবিলাকৰ লগত ৰামৰ যুদ্ধ।

৭। কেৱল ৰাম-সীতাৰ বিবাহ বৰ্ণন।

৮। বিয়াত পুৰোহিত বিশ্বামিত্ৰৰ বিদায়, মুনি বশিষ্ঠ নহয়।

৯। বিয়াৰ পাছতে বিশ্বামিত্ৰৰ বিদায় হোৱা নাই; দশৰথৰ অযোধ্যা যাত্ৰাত বিশ্বামিত্ৰ সহযাত্ৰী হৈছে।

১০। ৰামৰ পক্ষ গ্ৰহণ কৰি বিশ্বামিত্ৰই পৰশুৰামৰ লগত দ্বন্দ্বযুদ্ধ কৰিছে আৰু পৰশুৰামৰ পৰাক্ৰম সহিব নোৱাৰি পলাইছে।

১১। পৰশুৰামে নিজৰ বৈষ্ণৱ ধনুত গুণ লগাবলৈ ৰামক প্ৰত্যাহ্বান জনোৱা নাই, বৰঞ্চ ৰামক বধ কৰিবলৈহে উদ্যম কৰিছে।

১২। লক্ষ্মণে পৰশুৰামক বধ কৰিবলৈ ৰামৰ আজ্ঞা বিচাৰিছে।

১৩। ৰামে নিজৰ শাৰঙ্গ ধনুৰেহে (পৰশুৰামক বধ কৰিবলৈ উদ্যত হৈ) পৰশুৰামৰ স্বৰ্গপথ ছেদ কৰিছে।

*ৰামবিজয়* নাট ৰচনাৰ বেলিকা নাট্যকাৰে মহানাটক বা হনুমান্নাটকৰ পৰাও সমল লোৱা যেন ধাৰণা হয়। শংকৰদেৱে সীতাৰ মুখত দিয়া তলৰ সংলাপষাৰত মহানাটকৰ প্ৰতিধ্বনি ব্যঞ্জিত হৈছে—

> "হে মাতা বসুমতি, তুহু থিৰ হুয়া ৰহব। হে পিতা অনন্ত! তুহু ভল্ল কয়ে পৃথিৱীক ধৰব। হে কুৰ্ম্মৰাজ তুহু অনন্তক পৃথ্বীক সন্নদ্ধে ধৰব।"

*ৰামবিজয়* নাটৰ নায়ক হ'ল শ্ৰীৰামচন্দ্ৰ। তেওঁক নাটখনত মহৎ কাৰ্য সাধন কৰা ব্যক্তি হিচাপে দেখা যায়। উদাহৰণস্বৰূপে, পৰশুৰামক পৰাজয় কৰণ, স্বয়ম্বৰ সভাত নৃপতি সমাজক জয় কৰি সীতাৰ পাণিগ্ৰহণ আদি কথা উল্লেখ কৰিব পাৰি। আনহাতে বিশ্বামিত্ৰৰ মুখৰ 'সোহি ৰামচন্দ্ৰ পৰম ঈশ্বৰ', কনকাৱতীৰ মুখৰ 'ভেলী নাৰায়ণ অৱতাৰ' আৰু পৰশুৰামৰ মুখৰ 'তোহো পৰম ঈশ্বৰ' আদি সংলাপে ৰামচন্দ্ৰক ঈশ্বৰ স্বৰূপে চিত্ৰিত কৰিছে। ৰামচন্দ্ৰৰ গুৰুভক্তি অতুলনীয়। ৰামে বিশ্বামিত্ৰৰ আদেশ অনুসৰি সভক্তিৰে সকলো কাম সমাধা কৰিছে।

*ৰামবিজয়* নাটৰ এটি আকৰ্ষণীয় পুৰুষ চৰিত্ৰ বিশ্বামিত্ৰ। তেওঁ ৰামৰ অভিভাৱকস্বৰূপ। বহু সময়ত বিশ্বামিত্ৰ খঙাল, ভীৰু, পলায়নবাদী ব্যক্তিৰূপে চিত্ৰিত হলেও চৰিত্ৰটিয়ে পৰোপকাৰী আৰু প্ৰত্যুপ্ৰকাৰৰ আদৰ্শ বহন কৰিছে।

পৰশুৰাম *ৰামবিজয়* নাটৰ আন এটি পুৰুষ চৰিত্ৰ। চৰিত্ৰটো দাম্ভিকতা আৰু উগ্ৰতাৰে ব্যাপ্ত। তদুপৰি ৰামচন্দ্ৰক 'বেণ্ডসীক পুত্ৰ' বুলি তেওঁ অসভ্য গালি-গালাজ কৰি নিজৰ চাৰিত্ৰিক মৰ্য্যাদা লাঘৱ কৰিছে।

*ৰামবিজয়* নাটত অতি বিনয়ী, ধীৰ, স্থিৰ ৰূপত চিত্ৰিত হৈছে দশৰথ আৰু জনকৰ চৰিত্ৰ। নম্ৰতা আৰু পুত্ৰবৎসল গুণ দশৰথ চৰিত্ৰৰ ভূষণ। তদুপৰি চৰিত্ৰটিয়ে সত্যনিষ্ঠ হবলৈ শিক্ষা দিয়ে। জনক ৰজাৰ বিনয়ী ভাৱ বিশ্বামিত্ৰক দেখিয়ে 'প্ৰণামি স্তুতি বোলল'ৰ দ্বাৰা প্ৰকাশ পাইছে।

*ৰামবিজয়* নাটৰ নাৰী চৰিত্ৰসমূহৰ ভিতৰত জনক নন্দিনী সীতা এটি অনুপম চৰিত্ৰ। নাটকখনৰ দ্বিতীয় ভটিমাত ‘পদ পংকজ নৱ পল্লৱ কান্তি, চম্পক পাকৰি আঙ্গলিক পান্তি’ বুলি সীতাৰ ৰূপ লাৱণ্য বৰ্ণিত হৈছে। আদৰ্শ প্ৰেমিকাৰ ৰূপত অংকিত সীতাই ৰামক স্বামীৰূপে পোৱাৰ আশা নেদেখি শোকত ভাগি পৰিছে নাটখনৰ সুহাই ৰাগৰ এই গীতটিৰ কথাংশত—

“ধ্ৰুং॥ বিলপতি মৈথিলি মাই, ও নিৰ নয়ন জুৰাই
ঘন ঘন শ্বাস ফোকাৰত এ তনু চেতন নাই
পদ॥ চিৰ বিৰহে দহে দেহা
দিশ দশ দেখু আন্ধিয়াৰী।
ৰময়াবিনে মন ঝামৰু
পৰ মুৰুচি কুমাৰী॥”

*ৰামবিজয়* নাটৰ গৌণ নাৰী চৰিত্ৰ দুটি হৈছে কনকাৱতী আৰু মদন মন্থৰা। নাটখনত দুয়োটা চৰিত্ৰই জনক নন্দিনী সীতাৰ সখীৰূপে আত্মপ্ৰকাশ কৰিছে। সীতাৰ সুখ দুখৰ সমভাগীৰূপে চৰিত্ৰ দুটাই সকলো সময়তে সীতাক স্নেহভৰা শুভেচ্ছা জনাইছে। অৱশ্যে সীতাৰ স্বয়ম্বৰ সভাত কনকাৱতী আৰু মদন মন্থৰাই কামাতুৰ ৰজাসকলৰ প্ৰতি কৰা আচৰণে চৰিত্ৰ দুটাক গ্ৰাম্য নাৰী চৰিত্ৰলৈ অৱনমিত কৰিছে।

*ৰামবিজয়* নাটৰ গঠন পদ্ধতি সংস্কৃত নাট্যশাস্ত্ৰৰ অনুকৰণত কৰা হৈছে। দশৰথৰ ৰাজসভাত বিশ্বামিত্ৰৰ উপস্থিতিক আৰম্ভ, যজ্ঞ সুসম্পন্ন কৰিবৰ বাবে বিশ্বামিত্ৰই ৰাম-লক্ষ্মণক আশ্ৰমলৈ লৈ যোৱাত প্ৰযত্ন, মিথিলাত সীতা স্বয়ম্বৰত ৰামে হৰধনু ভংগ কৰা প্ৰাপ্ত্যাশা, সীতাই ৰামক পুষ্পমাল্য প্ৰদান কৰাত নিয়তাপ্তি আৰু সীতাক লৈ শ্ৰীৰামচন্দ্ৰ অযোধ্যালৈ উভতি অহাত ফলাগম প্ৰদৰ্শিত হৈছে বুলিব পাৰি।

গীত, শ্লোক, ভটিমা আদিৰ যথাযথ প্ৰয়োগ নাটখনৰ এক উল্লেখযোগ দিশ। নাটখনত ৩৮টা শ্লোক, ৪টা ভটিমা আৰু ৮টা ৰাগৰ ১৯টা গীত আছে। ৰাগ অনুসৰি গীতৰ সংখ্যা এনেধৰণৰ— সুহাই-৬, সিন্ধুৰা-১, কানাৰা-৪, মাহুৰ-২, ধনশ্ৰী-২, গৌৰী-২, তুৰভাটিয়ালী-১ আৰু কল্যাণ-১। বৃদ্ধ দশৰথৰ পুত্ৰ বৎসলতা, ৰামৰ বিনয় আৰু শৌৰ্য, সীতাৰ ৰামৰ প্ৰতি আসক্তি আৰু

তেওঁক পোৱা-নোপোৱালৈ গভীৰ উদ্বেগ, শংকা আৰু ভয়, পৰশুৰামৰ ঔদ্ধতা আৰু দৰ্প নাট্যকাৰে সুন্দৰভাৱে প্ৰকাশ কৰিছে।[১০]

শংকৰী যুগত ৰামায়ণী কথাবস্তুৰ আধাৰত ৰচিত একমাত্ৰ নাটখন হ'ল *ৰামবিজয়*। অসমীয়া জনজীৱনত ৰামায়ণী কথাবস্তুৰ প্ৰভাৱ বিস্তাৰ কৰাৰ ক্ষেত্ৰত এই নাটখনে অগ্ৰণী ভূমিকা পালন কৰিছিল।

**প্ৰসংগ সূত্ৰ ঃ**

১. কেশৱানন্দ দেৱগোস্বামী, *অঙ্কীয়া ভাওনা*, পৃ. ১২

২. মহেশ্বৰ নেওগ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, পৃ. ৩৪৮

৩. "বিন্দুৰন্ধ্ৰে বেদচন্দ্ৰ শাকে শঙ্কৰ সংজ্ঞাক।
শ্ৰীৰাম বিজয়ং নাম নাটক বিদধেহধুনা॥" — অন্তিম শ্লোক, *ৰামবিজয়*

৪. "ৰামক পৰম ভকতি ৰসজান
শ্ৰীশুল্কধ্বজ নৃপতি প্ৰধান॥
ৰামক বিজয় যো কৰাৱলি নাট।
মিলহু তাহেক বৈকুণ্ঠক বাট॥" — অন্তিম ভটিমা, *ৰামবিজয়*

৫. ৰামানন্দ দ্বিজৰ 'শংকৰ চৰিত'ত নাটখনৰ নাম 'সীতা স্বয়ম্বৰ' বুলি আছে।

৬. নাৰায়ণ চন্দ্ৰ গোস্বামী, *সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা*, পৃ. ৭৩৪

৭. "ঈষত হাসি মদন মোহ যায়।
নাসা তিলফুল কমলিনী মাই॥
নৱযৌৱন স্তন বদৰী প্ৰমাণ।
উৰু কৰীকৰ কটি ডম্বৰুক ঠান॥"— দ্বিতীয় ভটিমা, *ৰামবিজয়*।

৮. পদ সংখ্যা — ৭৩৮-৭৪৩

৯. "পৃথ্বি স্থিৰাভৱ, ভূজংগম ধাৰয়ৈনাং ত্বং
কূৰ্মৰাজ তদিদং দ্বিতয় দধীথাঃ — মহানাটক, প্ৰথম অংক, শ্লোক সংখ্যা ৪০

১০. সত্যেন্দ্ৰনাথ শৰ্মা, *অসমীয়া নাট্য সাহিত্য*, পৃ. ৫৬

# অৰুনোদইৰ পাতত অসমৰ সমসাময়িক ঘটনা

*অৰুনোদই* কাকতৰ প্ৰথম সংখ্যাতে কাকতখনৰ চিনাকী, পৰিসৰ, মূল্য আৰু উদ্দেশ্য সম্পৰ্কে কৰা ঘোষণাৰেই আৰম্ভ কৰোঁ—

"THE ORUNODOI, A monthly paper, devoted to Religion, Science and General Intelligence, is printed and published at the Sibsagar Mission Press by O. T. Cutter; for the American Baptist Mission in Assam, Price one Rupee per annum in advance, or one and half at the end of the year."

আৰম্ভণিতে কাকতখনৰ চৰিত্ৰ সম্পৰ্কত যি বক্তব্য দাঙি ধৰা হৈছিল, সেই চৰিত্ৰ প্ৰায় শেষলৈকে অক্ষুন্ন ৰখাত কাকতখন কৃতকাৰ্য্য হৈছিল। নক'লেও চলে যে অসমীয়া বাতৰি কাকতৰ সুদীৰ্ঘ ইতিহাস পৰিক্ৰমাত *অৰুনোদই* (পৰৱৰ্তী কালত অৰুণোদয়) হৈছে এক উল্লেখযোগ্য আৰু তাৎপৰ্য্যপূৰ্ণ ঘটনা। ইয়াৰ বাবে জনমানসত কাকতখনৰ সুদূৰপ্ৰসাৰী আৰু কালজয়ী প্ৰভাৱৰ কথাই উল্লেখ কৰিব পাৰি; যদিও প্ৰথম অসমীয়া বাতৰি কাকত হিচাবে *অৰুনোদইৰ* এক সুকীয়া মূল্য আছে। 'অসম প্ৰকাশন পৰিষদ'ৰ দ্বাৰা প্ৰকাশিত আৰু ড° মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত *অৰুনোদইৰ* ভূমিকাত উল্লেখ কৰা হৈছে যে *অৰুনোদই* কাকতৰ যুগটো অসমৰ সাংস্কৃতিক আকাশত আধুনিক জীৱনৰ নৱপ্ৰভাত স্বৰূপ। ইয়াৰ সমৰ্থনত ড° নেওগে ক'ব বিচাৰিছে যে *অৰুনোদইৰ* যোগেদিয়েই নতুন জ্ঞান, নতুন চিন্তা-চেতনা আদি আহি অসমৰ পুৰণিকলীয়া পৰিবেশৰ মাজত সোমাই পৰে। সঁচাকৈয়ে পাশ্চাত্যৰ ধ্যান ধাৰণাই *অৰুনোদইৰ* মাজেদিয়েই পোনপ্ৰথমে অসমৰ জনমানসক স্পৰ্শ কৰে। ফলত সামাজিক, সাংস্কৃতিক, শৈক্ষিক, সাহিত্যিক আদি বিভিন্ন দিশত এক আমূল পৰিৱৰ্তনে দেখা দিয়ে। *অৰুনোদই* কাকতে এক নতুন যুগৰ,

নতুন আলোড়নৰ বাবে উপযোগী এক পটভূমি তৈয়াৰ কৰিলে। সেয়ে হয়তো শান্তনু কৌশিক বৰুৱাই কৈছে, "একেধাৰে আলোচনী আৰু বাতৰি কাকত দুয়োৰে উদ্দেশ্য সাধনৰ লগতে আধুনিক অসমীয়া ব্যাকৰণ, অভিধান, নাটক, কবিতা, বিবিধ প্ৰবন্ধ আৰু পঢ়াশালিৰ পুথি আদিৰ প্ৰকাশেৰে 'অৰুনোদই' আছিল আধুনিক অসমীয়া সাহিত্যৰ আৱাহনী তোৰণস্বৰূপ।"

১৮৪৬ চনৰ জানুৱাৰী মাহৰপৰা প্ৰকাশিত *অৰুনোদই* কাকতৰ পাতত দেশ-বিদেশৰ বিবিধ ঘটনাৰ লগতে বহুতো মূল্যৱান গদ্য-পদ্য প্ৰকাশ হৈছিল। কাকতখনত প্ৰকাশিত লেখাসমূহৰ সম্পৰ্কত ড° কবীন ফুকনে লিখিছে, "অৰুনোদই'ৰ সংখ্যাবোৰ পঢ়ি যাওঁতে বহুদিনৰ আগতেই হাড় মাটি হোৱা পিতৃপুৰুষৰ সৈতে মোৰ কথা পতা যেন লাগিছিল। ... প্ৰকৃতিৰ শিহৰণ মই অনুভৱ কৰিছিলো। ফলত, সাম্প্ৰতিক কালৰ এজন অসমীয়া আৰু ভাৰতীয় হিচাপে মোৰ আত্ম-পৰিচয়বোধ অধিক সজ্ঞান, সচেতন, পুষ্ট হোৱা যেন লাগিছিল।"

*অৰুনোদই* কাকতৰ দ্বিতীয় সংখ্যাৰপৰা নিয়মীয়াকৈ 'অনেক দেশৰ সম্বাদ' প্ৰকাশিত হৈছিল। এই শিতানত অসমৰ গাওঁ-ভূঁইৰ সংবাদো প্ৰকাশিত হৈছিল। মাৰি-মৰক, দুৰ্ঘটনা, হত্যাকাণ্ড, ভূঁইকঁপ, আগ্নেয়গিৰি, নেজাল তৰা ওলোৱা, ৰেল-জাহাজ আদি নতুন বাহনৰ কথা, বিজ্ঞানৰ নতুন আৱিস্কাৰৰ বতৰা আদি অনেক নতুন খবৰো *অৰুনোদই*ৰ পাতত ওলাইছিল। এই বাতৰিবোৰৰ সকলোবোৰেই যে গুৰুত্বপূৰ্ণ আছিল এনে নহয়; কিন্তু বাতৰিবোৰৰ মাজেদি সেই সময়ৰ সমাজৰ ভালেখিনি চিত্ৰ ফুটি উঠিছিল। *অৰুনোদইৰ ধলফাট* শীৰ্ষক গ্ৰন্থৰ ভূমিকাত ড° মহেশ্বৰ নেওগে লিখিছে, "অৰুনোদয়ে ১৮৪৬ চনৰ জানুৱাৰীত প্ৰথম ওলায়ে 'জোআ বচৰৰ কথা'ত ১৮৪৫ চনৰ খবৰ দি প্ৰায় প্ৰতি সংখ্যাতে 'অনেক দেশৰ সম্বাদ' আৰু 'ধৰমৰ কথা বাত্ৰা'ত অসম, ভাৰত আৰু পৃথিৱীৰ বাতৰি দি গৈছিল। অসমৰ বিভিন্ন ঠাইৰ পৰা গোটোৱা খবৰৰ যি ৰেকৰ্ড 'অৰুনোদই'ত আছে, তাৰ পৰা দেশৰ যোৱা শতিকাৰ বুৰঞ্জীৰ এটি ভাল আভাস পোৱা যায়।" ইয়াৰ পৰাই জনা যায় যে *অৰুনোদই*ৰ পাতত ওলোৱা বিভিন্ন বাতৰিৰ ঐতিহাসিক মূল্যও অপৰিসীম। উদাহৰণস্বৰূপে কেইটিমান বাতৰি তলত ডাঙি ধৰা হ'ল—

১। "তেতিয়াৰ দুৰ্গা-পূজা চাবলৈ ফুকন, বৰুআ আদি বৰবৰুআ

ডাঙ্গৰিয়াসকল গোট খাই, সেই ম্রিত্যু মহা ৰজাক নগৰৰ পৰা বাহিৰ কৰি, দহন আদি কৰাবৰ নিমিত্তে, স্ত্রীজুত কামেস্বৰ সিংহক, ম্রিত্যু ৰজাৰ স কটা ঠাইতে বৰ চৰাত কাপৰ পাৰি বহুআই, বৰবৰুআ আৰু ডাঙ্গৰিয়াসকলে চাৰি বজাৰ সমইত পূৰ্বে পিত্রি ৰজাই জুবৰাজ নাম দিয়া, স্ত্রীজুত কামেস্বৰ সিংহক এক সেৰা কৰি জুবৰাজ মৰ্জতা দিলে। পাচে জুবৰাজে সোন, ৰুপ, কাঁহ আৰু তাম এই চাৰি কলহেৰে ম্রিত্যু ৰজাক গা-ধুআই ৰাজ অলঙ্কাৰ পিন্ধাই, শৰাইত সাজ কাপৰ দি, কুঁৰৰি আৰু গোহাঁইসকলে সেৰা জনাই, চাঙ্গটি চন্দোৱাৰ তৰি, চৌদোলত তুলি, দিচৈ নৈৰ ওচৰলৈ নি, আঁৰ কাপৰ তৰি চন্দন কাঠ আদিৰে দহন কৰিলে। স নিওঁতে বৰ লোক আৰু সৰু লোক, বহু মানুহ গৈছিল।” (অক্টোবৰ’ ১৮৪৬)

২। “সিৱসাগৰৰ উজনি মেটেকাৰ ঘাটত বৰ্তমান মাহে এজনি তিৰোতা মানুহে দিখৌ নৈত নামি পাৰ হওঁতে এটা ঘৰিয়ালে কামুৰি মাৰিলে।” (মাৰ্চ, ১৮৪৬)

*অৰুনোদই* কাকতে অসমীয়াৰ মনত বহু ধৰ্ম সজাগতা স্পষ্ট কৰি দিয়ে। তদুপৰি *অৰুনোদই*ৰ পাততে পোনপ্ৰথমবাৰলৈ ধৰ্মীয় আঁচোৰ নপৰাকৈয়ে অতি গুৰুত্বপূৰ্ণ কৰ্তব্য সম্পাদন কৰিব পৰা ধাৰণাৰ প্ৰকাশ ঘটে। সমকালীন সমাজত চলি থকা হিন্দু আৰু খ্ৰীষ্টধৰ্মৰ শীতল যুদ্ধৰ সংবাদ, হিন্দু-মুছলমানৰ সংঘাত আদিৰ খবৰ-বাতৰি প্ৰকাশ কৰি কাকতখনে মানুহক ধৰ্ম সম্পৰ্কে বৈজ্ঞানিক দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ শিক্ষা দিছিল। প্ৰসংগক্ৰমে কাকতখনৰ লগত জড়িত অসমীয়া লেখক আনন্দৰাম ঢেকিয়াল ফুকনে কলিকতাৰ পৰা নৈয়েদি গুৱাহাটীলৈ আহোঁতে কোৰাণৰ ইংৰাজী অনুবাদ পঢ়ি অহাৰ কথা উল্লেখ কৰিব পাৰি। কাকতখনত সম্পাদক ব্ৰাউনে এইদৰে লিখিছিল— “কম্পানি বাহাদুৰৰ সাসিত দেসত .... আপোন ইচাৰে জি জেনে ধৰম ভাল পাই তাকে লব পাৰে।” (জুলাই’ ১৮৪৭) তদুপৰি ভাৰতত পাতিবলৈ লোৱা দুখন বিশ্ববিদ্যালয়ত ধৰ্মভেদ নাখাটিব বুলিও কাকতখনে প্ৰকাশ কৰিছিল এনেদৰে- “এনে সুখিয়াতি নাম সকলো জাত, সকলো ধৰমৰ মানুহে পাব; হিন্দু, মুছলমান, খ্ৰীষ্টিয়ান বা আন আন ধৰম আচৰিলে, কাৰো নিসেধ নাই।”

অৰুণোদয়ৰ যুগত অসমীয়া সমাজত জাতি-ভেদ প্ৰথা অন্যান্য প্ৰদেশৰ

দৰে ইমান প্ৰকট নাছিল যদিও মহাপুৰুষজনাৰ আদৰ্শইও সমাজখনক গঢ় দিব পৰা নাছিল। তেতিয়াও সমাজত বামুণ নামে এটা জাত আৰু সুদিৰ নামে এটা জাত আছিল। আনবোৰ জাতৰ কথা বাৰু নকওৱেই। এইখিনিৰ কথাৰো সুন্দৰ চিত্ৰ এখন ফুটি উঠিছে *অৰুনোদই*ৰ পাততে এনেদৰে— 'চাৰি জুলাই তাৰিখে ৰজাৰ সৰাধলৈ জাওঁতে ভোগদৈত নাও বুৰি অনেক মানুহ মৰিল। মালৌ কলিয়নিত সিবিলাকৰ মৰা স বামুন তিনিটা, সুদিৰ দুটা, গনক দুটা, এইখিনি পাইছে; নো পোআও আচে।" (জুলাই ১৮৫২)

*অৰুনোদই*ৰ বুকুতে সেই কালৰ দুই এটা ৰাজনৈতিক ঘটনাৰো প্ৰকাশ ঘটা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে, কাকতখনত প্ৰকাশিত নিম্নোক্ত বাতৰিবোৰৰ কথাকে ক'ব পাৰি—

১। "অসম দেসৰ ৰাজপুত্ৰ শ্ৰীযুত কন্দৰ্পেস্বৰ সিংহ আপোন দেসলৈ আহিবৰ নিমিত্তে গবৰ্ণমেণ্টৰ পৰা অনুমতি পাইছে। তেওঁ আজিলৈকে বৰ্দ্ধমান জিল্লাত আছিল।" (জুন ১৮৬১)

২। "ফেবৰুআৰিৰ ২৬ তাৰিখে সুকুৰবাৰে বেলা দহ বজাৰ সমইত জোৰহাট মোকামত ৰাজদ্ৰুহি অপৰাধে মনিৰাম দেৱান আৰু পিয়ালি সৰ্মা মৌজাদাৰ, এই দুই জনক ফাঁচি দিয়া হ'ল।" (ফেব্ৰুৱাৰী' ১৮৫৮)

৩। "১৮৫২ ইং সঁকৰ ১০ জুন তাৰিখে বেলা তিনি বজাৰ সমইত জোৰহাটত শ্ৰীশ্ৰীকামেশ্বৰ সিংহ মহাৰজা পৰলোক প্ৰাপ্ত হ'ল, এই মহা অসন্তোষৰ বাত্ৰা জোৰহাটৰ পৰা সুনিচোঁ।" (জুন' ১৮৫২)

উপৰোক্ত বাতৰি কেইটাৰ জৰিয়তে সেই কালৰ ৰাজনৈতিক ব্যৱস্থা সম্পৰ্কে অৱগত হ'ব পাৰি। ৰাজদ্ৰোহ কৰিলে ফাঁচী হয়, ৰাজপুত্ৰই আপোন দেশলৈ আহিবৰ বেলিকা গবৰ্ণমেণ্টৰ পৰা অনুমতি লব লগা হয় আদি খবৰসমূহ *অৰুনোদই*ৰ পাততে পোৱা যায়।

মহাৰজা পুৰন্দৰ সিংহৰ পৰলোকপ্ৰাপ্তি অৰুণোদয় যুগৰ এক উল্লেখযোগ্য ঘটনা। এই ঘটনা *অৰুনোদই* কাকতৰ পাততে প্ৰকাশ পাইছিল এনেদৰে— "জোৰহাট নগৰত মহাৰজা পুৰন্দৰ সিংহৰ তিনি দিন পৰ্য্যন্ত মধু মেহৰ পিৰা উপস্থিত হৈ বৰ্তমান মাহৰ ১ তাৰিখে ব্ৰিহস্পতিবাৰৰ দিনা বেলি দুই বজাৰ সমইত ম্ৰিত্যু হ'ল।" (অক্টোবৰ' ১৮৪৬)।

*অৰুনোদই*ৰ পাতত 'অনেক দেসৰ সম্বাদ' শীৰ্ষক শিতানত এনে

কেতবোৰ অসমৰ সমসাময়িক ঘটনা প্ৰকাশ হৈছিল যিবোৰে সেই সময়ৰ বৃটিছ শাসন ব্যৱস্থাৰ আইন-কানুন সম্পৰ্কে কিছু কথাৰ সম্ভেদ দিয়ে। কেনেকুৱা অপৰাধৰ বাবে কেনে ধৰণৰ শাস্তি বিহা হৈছিল তাৰ দৃষ্টান্তস্বৰূপে তলৰ বাতৰি দুটা দাঙি ধৰা হৈছে—

১। "এপ্ৰিল মাহৰ অৰুনোদইত ব্ৰহ্মপুত্ৰৰ গৰাত ধন পোআ কথা লিখা হৈছিল। সেই কথা বিচাৰ কৰ্তাৰ আগত সোধ-পোচ কৰাত আউনিয়াটিৰ চাউল ভঁৰালিএ সেই ধন কাৰ্হি লোআৰ অপৰাধ পালত ৩ বচৰ আৰু লগৰ ভকত জনচাৰেকক ১ বচৰকৈ ফাটক দিলে।"

২। "গুআহাটিত থকা কেঁয়ালোকে ভাপ জাহাজৰ দোআৰাই চন্দুকত ধন ভৰাই কলিকতালৈ পঠালত তাত লোআ গৰাকিএ চন্দুক মেলি ইটা ডোখৰ চাৰেক ভৰোআ মাথোন পালে। পাচে গুআহাটিত ভাপ জাহাজৰ বস্তু ৰখা জি কেৰানি চাহাব, তাৰ গাত চোভা পাই সোধ কৰ্তাৰ আগলৈ নিলে। এতিয়া আমি সুনিচোঁ, তাক পঞ্চায়ত লোকে অপাৰাধৰ ৰাই দিয়াত সোধ কৰ্তাই ৭ বচৰ ফাটকৰ জোগ্য বুলি থিৰ কৰিলে।"

অসমীয়া মানুহৰ মাজত জ্ঞানৰ পোহৰ বিলাবৰ কাৰণে মিছনেৰী সকলে অশেষ কষ্ট কৰিছিল। বিদ্যা আৰ্জনৰ অৰ্থে তেওঁলোকে নবীন-প্ৰবীণ সকলোকে উপদেশ দিয়া, উঠি অহা চামক সজ ব্যৱহাৰৰ শিক্ষা দিয়া আদি অনেক কাম কৰিছিল। কাৰণ সেই যুগত অসমীয়া সমাজখন আছিল কুসংস্কাৰ আৰু অন্ধবিশ্বাসেৰে আচ্ছন্ন। *অৰুনোদই*ৰ বুকুতে এনে কিছুমান ঘটনা লিপিবদ্ধ হৈছে যিবোৰে সেই যুগৰ মানুহৰ অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ স্বাক্ষৰ বহন কৰিছে। উদাহৰণস্বৰূপে— "বৰ্তমান সঁকৰ এপ্ৰেল মাহৰ ২৬ তাৰিখে সিৱসাগৰ জিলাৰ দখিন ফালে কালুগাঁৱৰ শ্ৰীলম্বোদৰ মৌজাদাৰৰ ককায়েক ম্ৰিত্যু হোআৰ পূৰ্বে তেওঁৰ ঘৈনিএকে স্বামিৰ লগত সতি জাবৰ নিমিতে অগ্নি পৰিখাকে আদি কৰি সকলো ৰূপে প্ৰমান চাই সতি হই জেন জানি মৌজাদাৰে শ্ৰীজুত বিচাৰ পতিৰ আগত সেই কথা জনালত দাৰোগাৰ দোআৰাই সতিক নিবাৰণ কৰিলে।" (মে' ১৮৪৬)

*অৰুনোদই*ৰ পাতত সমসাময়িক চিকিৎসা-সেৱাৰ বিষয়েও কিছু কথা অৱগত হোৱাৰ সুযোগ আছে। চিকিৎসকসকলে আন্তৰিকতাৰে ৰোগীৰ সেৱা কৰিছিল। অৱশ্যে মহামাৰীয়ে হাজাৰ হাজাৰ মানুহক নিঃশেষ কৰি নিয়াৰ

মুহূৰ্তত তেওঁলোক আছিল নীৰৱ দৰ্শক। তলৰ বাতৰি তিনিটাই এই কথাৰ প্ৰমাণ দিয়ে—

১। "আৰ গৰমুৰৰ ওচৰত এটা মানুহক গঁৰ এটাই খৰগেৰে পিঠি ফালে মাৰি, তলপেটে উলিয়ালে। সেইটো মানুহক লখিমপুৰ জিলাৰ ডাক্তৰ চাহাবে দৰব দি এমাহলৈ ৰাখিচে।"

২। "জেঠ মাহতে আৰু এটা মানুহৰ পাচফালে দি গুলি লাগি তপিলাই দি ওলাই বাজ হৈ গ'ল; তাকো ডাক্তৰ চাহাবে দৰব দি ভাল কৰিলে, এতিয়া সি আগৰ নিচিনাকৈ বন কৰি কৰি ফুৰিচে।"

৩। "গুআহাটি নগৰত প্ৰায় এক হেজাৰ মানুহ মাউৰে ধৰি মৰিল। সিবিলাকৰ মাজত ক্ৰিস্নৰাম ভৰালি বৰুআ ফৌজদাৰি চিৰস্তাদাৰ ৩১ মেইৰ মানিসা ৰাতি মাউৰে ধৰি ৰাতিপুআ ১০ বজাত ম্ৰিত্যু হ'ল।"

*অৰুনোদয়*ৰ যুগৰ অসমীয়া ছাত্ৰৰ কৃতজ্ঞতা ধৰ্ম সোঁৱৰণ কৰাৰ যোগ্য। সেই সময়ত ছাত্ৰ-শিক্ষকৰ সম্পৰ্ক আছিল সৌহাৰ্দ্যপূৰ্ণ। এই কথাৰ প্ৰতিফলন ঘটিছে *অৰুনোদই* কাকতৰ বুকুত তলত উল্লেখ কৰা বাতৰিটোৰ যোগেদি- "এই সিৱসাগৰ জিল্লাৰ গবৰ্ণমেণ্ট ইস্কুলৰ হেড মাষ্টৰ শ্ৰীযুত বাবু নিলমণি গাঙ্গুলী ৬ মাহৰ বিদায় লৈ আপোন ঘৰলৈ গ'ল; তাতে তেওঁৰ চাত্ৰবিলাকে তেওঁৰ সজ ব্যৱহাৰ আৰু মিষ্ঠ বাক্যৰ নিমিত্তে আৰু বিদ্যাগুণে সিবিলাককো গুণী কৰাৰ কাৰণে তেওঁলৈ বৰকৈ বেজাৰ কৰিছে।" (ছেপ্তেম্বৰ' ১৮৬১)

বৃটিছৰ শাসন কালত ইংৰাজ চাহাবসকলে চিকাৰ কাৰ্য্যত প্ৰবৃত্ত হোৱাৰ নানান আমোদজনক খবৰে *অৰুনোদই* কাকতৰ পাত অধিকাৰ কৰিছিল। বনৰীয়া ম'হ, বনৰীয়া গাহৰি আদিৰ আক্ৰমণক প্ৰতিহত কৰিবৰ বাবেই ইংৰাজ চাহাবসকলে জীৱ-জন্তুৰ চিকাৰ কৰা যেন অনুমান হয়। নিম্নোক্ত বাতৰি দুটাত চকু ফুৰালেই কথাষাৰ স্পষ্ট হ'ব—

১। "ভাটিফালে কাপ্তান ৰবিঞ্চন নামে এজন চাহাবে হাবিত চিকাৰ কৰোঁতে এটা বৰা গাহৰি বেগেৰে আহিবৰ দেখি চিটা গুলি ভৰোআ হিলৈ মাৰিলত গাহৰিৰ আৰু খঙ্গ হৈ খেদি আহি চাহাবক কামুৰি পেট ফালি মৰিব লগাকৈ এৰি গ'ল।" (জুলাই' ১৮৫১)

২। "লখিমপুৰৰ পৰা এই কথা পত্ৰত লেখিছে, এই বচৰৰ জেঠ মাহত বাণ্টৌ গাঁৱৰ এটা মানুহে আহুধান নিৰাবলৈ জাওঁতে বাটত এটা বনৰিয়া

মহে কৰঙ্গনে খোঁচ মাৰি তপিলালৈকে মঙ্গহ ডোখৰ ওভোতাই পেলালে; আৰু সিটো ভৰিৰ গোৰোআই দি সিঙ্গ সুমাই আঁঠুলৈকে মঙ্গহ ডোখৰ সিঙ্গতে নিলে। মুৰৰ পোনে ২/৩ খোঁচ মাৰিলে; গালেদি সিঙ্গ মাৰি মুখে উলিয়ালে; পাচে দুদিনৰ মুৰত মৰিল। সেই মহটো জিলাৰ স্ত্ৰীজুত হল্ৰইদ চাহাবে ওলিয়াই মাৰিলে।" (জুলাই ১৮৫১)

*অৰুনোদই* কাকতৰ পাতত সেই সময়ত সংঘটিত হোৱা প্ৰাকৃতিক দুৰ্যোগ, সামাজিক অপৰাধ আদিৰ ঘটনাইও স্থান পাইছিল। এইবোৰৰপৰা সেইসময়ৰ এখনি সজীৱ চিত্ৰ চকুৰ আগত ভাঁহি উঠে। দৃষ্টান্তস্বৰূপে—

১। "১৮ জুন তাৰিখে নিখা দুই বজাৰ সমইত গুআহাটিত বৰকৈ ভূমিকম্প হৈছিল, তাতে সেই জিলাৰ প্ৰধান পকি গিৰ্জা ঘৰৰ ওপৰে দলৰ ৬ হাত মানৰ তলতে কঁৰালবিলাক এৰাই পৰিল আৰু ভিতৰতো অনেক ঠাই ফাটিল। আৰু, বেলি চোআ ঘৰিবোৰৰো প্ৰায়ে মাত মৰিল।" (জুলাই ১৮৪৬)

২। "জুলাই মাহৰ ৩০ তাৰিখত জোৰহাটৰ শ্ৰীজুত পুৰন্দৰ সিংহ মহাৰজাৰ কোসৰ ঘৰত দুআৰ মেলি, চোৰ সোমাই, পেৰা আৰু জপাৰ টিঙ্গিৰি কাটি, কাপোৰ আৰু অলংকাৰ ২৪১৪ টকাৰ বস্তু চোৰে নিলে; এতিয়ালৈকে চোৰ ধৰিব পৰা নাই, তথাপি মহাৰজাৰ ভিতৰৰ মানুহে কুপৰামৰ্স কৰি নিয়াইচে বুলি দাৰোগাই মনেৰে ভাবিচে।" (আগষ্ট ১৮৪৬)

*অৰুনোদই* আছিল দেশ-বিদেশৰ নানা তৰহৰ সংবাদ সংগ্ৰহ কৰি আনি প্ৰকাশ কৰা প্ৰথম অসমীয়া বাৰ্তালোচনী। কাকতখনৰ 'অনেক দেসৰ সম্বাদ' শিতানত বিভিন্ন দেশৰ লগতে অসমৰ সেই সময়ৰ ঘটনাবিলাকেও প্ৰকাশৰ মুখ দেখিছিল। এই ঘটনাসমূহৰ সামাজিক, ঐতিহাসিক, ৰাজনৈতিক মূল্যও আছিল অপৰিসীম। তদুপৰি আলোচ্য বিষয়ৰ অপ্ৰাসংগিক হলেও উল্লেখযোগ্য যে এই বাতৰিসমূহৰ বৰ্ণবিন্যাস প্ৰণালী সৰলীকৃত আছিল। অসম সাহিত্য সভাৰ সভাপতি ড° নগেন শইকীয়াই লিখিছে— 'অৰুনোদই'ৰ প্ৰথম অৱদান হ'ল আধুনিক অসমীয়া ভাষাৰ ৰূপ নিৰ্ণয়ৰ ক্ষেত্ৰত। আমাৰ বুৰঞ্জীৰ ভাষাৰ পৰা বাক্য গাঁথনিৰ ৰীতিৰ গা-তে আঁউজি ই এটা নতুন ৰীতি আৰম্ভ কৰিলে আৰু প্ৰতিষ্ঠা কৰিলে।" ড° নগেন শইকীয়াৰ বক্তব্যৰ সত্যতা বিচাৰিলে তলৰ কথাখিনিয়েই সাক্ষীস্বৰূপ— ".....আৰু আমি এতিয়া দেখিছোঁ কানিৰ গুণ কিমান হই আৰু আন আন ঠাইত কোনো কোনো কানিয়াই আপোনাৰ

ল'ৰাকো কানিৰ নিমিত্তে এৰি দিত্ৰ, আৰু কই বোলে মই পালিব নোৱাৰোঁ; হে প্ৰিয় মানুহ বিলাক দেখা, এনে মন্দ বস্তু কানি; যি আপোনাৰ পেটৰ ল'ৰা তালৈকো এফেৰিও মৰম নাই; সংসাৰিকত সকলো মৰম-প্ৰীতি-চেনেহ আৰু পৰকালত উধাৰ দিওঁতা জি ধৰম জেন বস্তু, এই আটাইৰে মোহ পৰিত্যাগ কৰি অকল কানিত মাথোন মন দি থাকে।" (জানুৱাৰী' ১৮৪৬)

সামৰণিত ক'ব পাৰি যে অসমীয়া মানুহৰ বাবে আপোন দেশৰ (বিদেশৰ কথা বাৰু এৰিছো) বুৰঞ্জী, ভূগোল, মানুহ, বিজ্ঞান, প্ৰকৃতি, ৰাজনীতি, শিক্ষা-নীতি আৰু সাংস্কৃতিক পৰম্পৰা আদিৰ তথ্যপূৰ্ণ আৰু যুক্তিবাদী সংবাদেৰে *অৰুনোদই* কাকতখনে এক বহল মানসিক দিগন্তৰ দুৱাৰ উন্মোচন কৰিলে।

# চৈয়দ আব্দুল মালিকৰ প্ৰেম অমৃতৰ নদী উপন্যাসত প্ৰকৃতি চিত্ৰণ

প্ৰাচীন কালৰেপৰা সাহিত্যত প্ৰকৃতিৰ চিত্ৰায়নে গুৰুত্ব লাভ কৰি আহিছে। স্থান ভেদে থকা প্ৰাকৃতিক পৰিৱেশৰ ভিন্ন অৱস্থাৰ কলাত্মক প্ৰতিফলনে বিশ্ব সাহিত্যক বৈচিত্ৰ্য ৰূপ প্ৰদান কৰি আহিছে যদিও মানুহ আৰু প্ৰকৃতিৰ চিৰন্তন সম্বন্ধৰ সুৰে বিশ্বৰ সকলো সাহিত্যকে একৰূপতা প্ৰদান কৰিছে। ভাৰতীয় সাহিত্যৰ আৰম্ভণি কালৰ ৰচনা সমূহত প্ৰকৃতিৰ বন্দনা, প্ৰকৃতিৰ বৰ্ণনা সুন্দৰকৈ দাঙি ধৰা হৈছে। ৰামায়ণ আৰু মহাভাৰতৰ লগতে কালিদাসৰ সাহিত্যতো প্ৰকৃতিৰ বিভিন্ন ৰূপ চিত্ৰিত হৈছে।

অসমীয়া লোকোক্তিত 'মঠ মন্দিৰ নিৰ্মাণ গুৰুত্বৰ কৰ্ম, বৃক্ষৰোপণত অধিক ধৰ্ম' বুলি প্ৰাকৃতিক উপাদান গছৰ উল্লেখ হৈছে। শংকৰদেৱৰ ৰচনাত প্ৰকৃতিয়ে অনিৰ্বচনীয় সৌন্দৰ্য্যৰ সৃষ্টি কৰিছে। আধুনিক অসমীয়া সাহিত্যত প্ৰকৃতিৰ ৰূপ বৰ্ণনাৰ সমান্তৰালভাৱে নতুন দৃষ্টিভংগীৰে পৰিৱেশ সংৰক্ষণ সম্পৰ্কীয় চিন্তা-চৰ্চাই গুৰুত্ব লাভ কৰিছে। আধুনিক কালৰ সৃষ্টি উপন্যাস সাহিত্যতো ইয়াৰ প্ৰতিফলন ঘটিছে।

অসমীয়া উপন্যাস সাহিত্যলৈ সংখ্যাগত আৰু গুণগত উভয় দিশতে বিশেষ বৰঙণি আগবঢ়োৱা চৈয়দ আব্দুল মালিকৰ উপন্যাসত প্ৰকৃতিৰ বিভিন্ন দিশ শক্তিশালী ৰূপত চিত্ৰিত হৈছে। বিশেষকৈ *ধন্য নৰ তনু ভাল, সূৰুযমুখীৰ স্বপ্ন, প্ৰেম অমৃতৰ নদী* আদি উপন্যাস এই ক্ষেত্ৰত উল্লেখযোগ্য। এই আলোচনাত মালিকৰ *প্ৰেম অমৃতৰ নদী* উপন্যাসত চিত্ৰিত প্ৰাকৃতিক অৱস্থাৰ বিষয়ে আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে।

*প্ৰেম অমৃতৰ নদী* মহাপুৰুষ মাধৱদেৱৰ জীৱন আধাৰিত উপন্যাস। উপন্যাসখন আৰম্ভ হৈছে প্ৰাকৃতিক পৰিৱেশৰ বৰ্ণনাৰে। উপন্যাসখনৰ পটভূমি নিৰ্মাণ কৰা হৈছে গ্ৰাম্য প্ৰকৃতিৰ বৈচিত্ৰ্যময় পৰিৱেশত। প্ৰকৃতিৰ গুৰুত্বপূৰ্ণ

উপাদান গছ-গছনি, নদ-নদী, পৰ্বত-পাহাৰ, চৰাই-চিৰিকতি, মাছ-পুঠি, পোক-পৰুৱা আদি অনুষঙ্গৰে উপন্যাসখনৰ আৰম্ভণি হৈছে। অসমৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰক লোক সমাজে লুইত, বৰলুইত, বুঢ়া লুইত, চিৰী লুইত, বৰহমপুত্ৰ আদি নামেৰে নামকৰণ কৰাৰ প্ৰসংগও ঔপন্যাসিক গৰাকীয়ে উল্লেখ কৰিছে। তদুপৰি জাঁজী, দিখৌ, দিচাং, দিহিং, ডিব্ৰু, ভোগদৈ, কাকডোঙা, ধনশিৰী, কলং, কপিলী, মানাহ, সোঁৱণশিৰি, দিক্ৰং আদি ব্ৰহ্মপুত্ৰৰ উপনৈসমূহৰ কথাও উল্লেখ কৰিছে।

প্ৰকৃতিৰ অন্যতম গুৰুত্বপূৰ্ণ উপাদান নদীসমূহে নৈসৰ্গিক শোভাবৰ্ধন কৰাৰ উপৰিও নৈপৰীয়া সংস্কৃতিৰো জন্ম দিছে। নদীৰ দুয়ো পাৰত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক বিনিময়ত অসমৰ সংস্কৃতি সমৃদ্ধিশালী হোৱাৰ লগতে সংহতিৰো প্ৰসাৰ ঘটিছে। ঔপন্যাসিকে এই জনগোষ্ঠীসমূহৰ কথা উল্লেখ কৰিছে এনেদৰে— "অঁকা, ডফলা, আবৰ, চিংফৌ, মিৰি (এতিয়া মিচিং), টাই, আহোম, মৰাণ, মটক, চুতীয়া, কছাৰী, আও, আংগামী, লঠা, নগা, মিকিৰ (এতিয়া কাৰ্বি), বড়ো, নেপালী, ভুটিয়া, খাছীয়া, জয়ন্তীয়া, গাৰো, মিচিমি, খামতি... আৰু কত নাম আৰু চিনাকি!" (পৃঃ ২)

নদী আৰু মানুহৰ চিৰন্তন সম্পৰ্ক ঐতিহাসিক ভাৱে সত্য। পৃথিৱীৰ বৃহৎ সভ্যতাসমূহ নদীক আধাৰ কৰি গঢ় লৈ উঠিছে। অসমৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহে সাহিত্য-সংস্কৃতিৰ লগতে অন্যান্য দিশতো প্ৰভাৱ বিস্তাৰ কৰি আহিছে। নদীৰ দুয়োপাৰত গঢ়ি উঠা সেউজীয়া অৰণ্য, নদীৰ বুকুত থকা জৈৱ বৈচিত্ৰ্য আদি মানুহৰ সামূহিক পৰিচয়ৰ ধাৰক আৰু বাহক হৈ পৰিছে। ইয়াৰ সত্যতা প্ৰতিপন্ন কৰি *প্ৰেম অমৃতৰ নদী* উপন্যাসত ঔপন্যাসিকে লোক সমাজে গছ গছনি আৰু মাছৰ নামেৰে ঠাইৰ নামকৰণ কৰাৰ প্ৰসংগ উত্থাপন কৰিছে। উদাহৰণস্বৰূপে- "অসম দেশৰ কোনো কোনো ঠাইৰ মানুহে গছৰ নামেৰে দিয়ে ঠাইৰ নাম বা গাঁৱৰ নাম। অমৰাগুৰি, ঔগুৰি, শিলিখাগুৰি, আমগুৰি, কঁঠালগুৰি, জামুগুৰি, তেঁতেলীগুৰি, জৰাগুৰি, নেমুগুৰি, চকলাটিং, লেতেকুগুৰি, শালনী, নাহৰণি, কপাহতলি ইত্যাদি। তেনেকৈ মাছৰ নামেৰেও ঠাইৰ নাম দিয়ে। চিতলমাৰী, ৰৌমাৰী, গৰৈমাৰী, শালমৰা, মিছামৰা, কাৰৈমাৰী, পুঠিমাৰী ইত্যাদি।" (পৃঃ ৮)

প্ৰকৃতিৰপৰা মানুহে জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সকলো পাইছে।

আহাৰ, আশ্ৰয়, জীৱিকা আৰু দৈনন্দিন জীৱনৰ বাবে শিক্ষা সকলো প্ৰকৃতি প্ৰদত্ত। সেয়ে দাৰ্শনিক ৰুচোৰ "প্ৰকৃতিলৈ উভতি যোৱাৰ" কামনাৰ লগতে কবি ৱৰ্ডচৱৰ্থে "প্ৰকৃতিয়ে কেতিয়াও প্ৰতাৰণা কৰা নাছিল" বুলি মন্তব্য কৰিছে। *প্ৰেম অমৃতৰ নদী* উপন্যাসত গোবিন্দগিৰি আৰু মনোৰমা আয়ে অৰণ্যৰ মাজত ডকাইতৰ হাতত পিন্ধি থকা কাপোৰ কেইপদো হেৰুৱাই প্ৰকৃতিৰ আশ্ৰয় গ্ৰহণ কৰি লজ্জা নিবাৰণ কৰিবলগীয়া হৈছে। ঔপন্যাসিকে এই পৰিস্থিতিৰ বৰ্ণনা দাঙি ধৰিছে এনেদৰে— "উদং গাৰেই গোবিন্দগিৰি বহাৰ পৰা উঠিল, আৰু অলপ নিলগতে থকা গছ দুজোপামানৰ পৰা কেঁচাপাত চিঙি আনি নিজৰ কঁকালটো, তলপেটটো কোনোমতে ঢাকি ললে আৰু মনোৰমাকো গছ পাতেৰেই গাটো ঢাকি লবলৈ ক'লে।" (পৃঃ ১২)

প্ৰকৃতিৰ বুকুত সেউজীয়া অৰণ্যই যেনেদৰে নৈসৰ্গিক শোভা বৰ্ধন কৰে, নদীৰ প্ৰৱাহমান গতিয়ে যেনেদৰে সেই শোভাক এক নতুন আয়তন প্ৰদান কৰে ঠিক তেনেদৰেই অৰণ্য আৰু নদীক আশ্ৰয় কৰি জীয়াই থকা পশু-পক্ষী, মাছ-কাছ আৰু কীট পতংগ আদিয়ে প্ৰকৃতিৰ সৌন্দৰ্য্য বৃদ্ধিৰ লগতে জৈৱ-বৈচিত্ৰ্যৰ সমৃদ্ধিৰ ক্ষেত্ৰত সহায় কৰে। *প্ৰেম অমৃতৰ নদী* উপন্যাসত ঔপন্যাসিকে সৰু-বৰ বিবিধ চৰাইৰ নাম উল্লেখ কৰাৰ লগতে ইহঁত যে মানুহৰপৰা বেছি দূৰৈত নহয় সেই কথা উল্লেখ কৰিছে। ঔপন্যাসিকে লিখিছে "হাবিৰ চৰাইবোৰ, বনৰীয়া হ'লেও সিহঁতৰ গাৰ ৰং-ৰহণ, গীত-মাতৰ লগতে দিন-ৰাতি কটাই থকা মানুহবোৰৰ তেনেই চিনাকি, বৰ আপোন। সিহঁতৰ নামবোৰো থলুৱা মানুহেই দিয়া। কাউৰী, শগুণ, ভাটৌ, শালিকী, কাণকুৰিকা, ঘনচিৰিকা ফেঁচা, হুদু, শেন, চিলনী, মইনা, মৌপিয়া, তেলীয়া সাৰেং, বৰটোকোলা আৰু কত নামৰ কত যে চৰাই। ...এই চিনাকি চৰাইৰ জগতখনৰ পৰা সিহঁতৰ লগতে সদায় থকা মানুহৰ জগতখননো কিমান দূৰত? সিহঁত দেখোন সদায় মানুহৰ মূৰৰ ওপৰতে উৰি ফুৰে। ...হাবিৰ বুকুতে থকা পখিলা, জিঞা, উইঁ, গুই, এন্দুৰ, পঁইতাচোৰা, ফেঁটী সাপ, মোচোৰা গোম, কাৰ্শলা, অজগৰ— এই প্ৰাণীবোৰো মানুহৰ পৰা বেছি দূৰৈৰ বাসিন্দা নহয়। সিহঁতকো বহুতেই চিনি পায়।" (পৃঃ ১৬)

সময় অনুসৰি প্ৰকৃতিৰ ৰূপ বিভিন্ন ধৰণৰ হয়। পুৱাৰ প্ৰকৃতিৰ সৌন্দৰ্য্যৰ লগত দুপৰীয়া বা সন্ধিয়াৰ প্ৰকৃতিৰ সৌন্দৰ্য্য একে নহয়। বিভিন্নজন কবি-

সাহিত্যিকে তেখেতসকলৰ ৰচনাত সময় ভেদে প্ৰকৃতিৰ ভিন্ন অৱস্থাৰ চিত্ৰ আঁকিবলৈ প্ৰয়াস কৰি আহিছে। ৰাতিপুৱাৰ প্ৰকৃতিৰ অনুপম ৰূপ মাধৱদেৱৰ “তেজৰে কমলাপতি পৰভাত নিন্দ” বৰগীতটোত সুন্দৰকৈ প্ৰতিফলিত হৈছে। *প্ৰেম অমৃতৰ নদী* উপন্যাসত ঔপন্যাসিকে পুৱাৰ প্ৰকৃতিৰ সৌন্দৰ্য্যৰ আভাস কিশোৰ মাধৱদেৱৰ মুখেৰে ব্যক্ত কৰিছে “বহুতেই বুজিব নোৱাৰে। মই সদায় ৰাতিপুৱা বেলিটো ওলোৱা চাই বৰ ভাল পাওঁ। সেই বেলিটো ওলোৱাৰ আগতে যে হাবিৰ সিপাৰৰ পূব ফালৰ আকাশখনত কোমল, বগা পোহৰবোৰ জিলিকি উঠে, সেইয়া চাই মোৰ বৰ ভাল লাগে। বনৰীয়া ধুনীয়া ধুনীয়া চৰাইবোৰ যে হাবিৰ পৰা আহি উৰি ঘূৰি ফুৰে, সেইবোৰ চাই মোৰ বৰ ভাল লাগে, সিহঁতে কিবা গানো গায়, মাতবোৰ যে ইমান সোৱাদ লগা মিঠা।” (পৃঃ ১৯)

মাধৱদেৱৰ সমকালীন অসমত মাটি বাৰীৰ লগতে প্ৰাকৃতিক পৰিৱেশৰ উপকৰণ গছ-গছনি, জীৱ-জন্তু, মাছ-পুঠি আদিক সম্পত্তি বুলি গণ্য কৰা হৈছিল। এই সম্পত্তিসমূহ বৃদ্ধি আৰু সুৰক্ষাৰ বাবে সেই সময়ৰ ৰজা-প্ৰজা সকলোৱে চেষ্টা কৰিছিল। ঔপন্যাসিক গৰাকীয়ে এই কথাৰ বিৱৰণ দিছে এনেদৰে— “আগৰ দিনতে নহয় আজিকালিও মাটিবাৰীক যেনেকৈ মূল্যৱান সম্পত্তি বুলি গণ্য কৰা হয়, ধন-সোণ, হাবিত থকা বা বাৰীত থকা নাহৰ, চেগুন, কঁঠাল, জামু আদি কাঠৰ গছকো সম্পত্তি বুলি ধৰা হয়, নিজৰ পুখুৰী বিল আদিত থকা বা পোহা ৰৌ, বাহু, চিতল, মিৰিকা, শাল, শ’ল আদি মাছকো এবিধ সম্পত্তি বুলিয়ে গণ্য কৰা হয়। তেনেকৈ নিজৰ গোহালিৰ গৰু, ম’হ, ছাগলী, ঘোঁৰা আদিক আৰু গড়ালত হাঁহ-কুকুৰা, পাৰ আদিকো সম্পত্তি বুলিয়েই গণ্য কৰে আৰু সেইবোৰ ৰক্ষা কৰিবলৈ যত্ন কৰে, বঢ়াবলৈ চেষ্টা কৰে, এয়া সাধাৰণ মানুহৰ কথা।”

একোখন দেশৰ ৰজাইও নিজৰ ৰাজভঁড়ালৰ ধন-সোণ ৰক্ষা কৰিবলৈ আৰু বঢ়াবলৈ সদায় চেষ্টা কৰে। নিজৰ ৰাজ্যখনৰ মাটি বঢ়াবলৈও যুঁজ-বাগৰ কৰে, নিজৰ দেশৰ মাটিৰ সীমা আন কোনেও যাতে পাৰ হ’ব নোৱাৰে, তাৰ কাৰণে সৈন্য-সামন্ত দি দেশ ৰক্ষাৰ ব্যৱস্থা কৰে। দেশৰ ভিতৰৰ অৰণ্য, হাবি জংঘলত থকা মূল্যৱান গছবোৰ ৰক্ষা কৰাৰ ব্যৱস্থা কৰে আৰু হাবিত থকা হাতী, শৰ পহু, হৰিণা পহু, ম’হ, গাহৰিৰ নিচিনা দামী জন্তুবোৰ যিকোনো

উপায়েৰে ৰক্ষা কৰাৰ ব্যৱস্থা কৰে। হাবিত থকা গঁড়ৰ মূল্য আৰু মৰ্যাদা বহুত বেছি। হাবিৰ ভিতৰে বাহিৰে গঁড়বোৰ ঘূৰি ফুৰে। চল পালেই কিছুমান মানুহে গঁড় খুঁচি কাটি মাৰে আৰু গঁড়ৰ খড়গটো ক'ৰবালৈ নি বেচেগৈ। বহুতে গঁড়ৰ মাংসও খায়।" (পৃঃ ৭৩)

ঔপন্যাসিক চৈয়দ আব্দুল মালিকৰ *প্ৰেম অমৃতৰ নদী* উপন্যাসত প্ৰকৃতিৰ ত্ৰৈমাত্ৰিক ৰূপৰ প্ৰতিফলন ঘটিছে। প্ৰকৃতিৰ নৈসৰ্গিক শোভা, প্ৰকৃতি আৰু মানুহৰ চিৰন্তন সম্পৰ্ক আৰু প্ৰাকৃতিক পৰিৱেশ তথা সম্পদৰ সংৰক্ষণ সম্পৰ্কীয় ধাৰণাই উপন্যাসখনক এক নতুন মাত্ৰা প্ৰদান কৰিছে। ঔপন্যাসিকে কেৱল প্ৰকৃতিৰ সৌন্দৰ্য্যৰ বৰ্ণনা কৰিয়েই ক্ষান্ত থকা নাই, উপন্যাসখনৰ বিষয়বস্তুৰ লগত সংগতি ৰাখি প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণ সম্পৰ্কীয় চিন্তা-চৰ্চাৰো সমাৱেশ ঘটাইছে। নৱবৈষ্ণৱ ধৰ্মৰ অন্যতম প্ৰচাৰক মহাপুৰুষ মাধৱদেৱৰ জীৱন আধাৰিত উপন্যাসখনত ঔপন্যাসিকগৰাকীৰ জীৱন দৰ্শনৰ লগতে প্ৰকৃতি দৰ্শনেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সক্ষম হৈছে।

# ককাদেউতাৰ হাড় ঃ এখন ইতিহাসগন্ধী উপন্যাস

অসমীয়া সাহিত্যৰ পাঠকৰ শ্ৰদ্ধা আৰু চেনেহ আদায় কৰিবলৈ সক্ষম হোৱা মুষ্টিমেয় লেখকসকলৰ ভিতৰত নৱকান্ত বৰুৱা অন্যতম। কবিতাৰ মাধ্যমেৰে সাহিত্যৰ ক্ষেত্ৰত প্ৰৱেশ কৰা বৰুৱাদেৱে তিনিখন যুগান্তকাৰী উপন্যাস ৰচনা কৰি গৈছে। *কপিলীপৰীয়া সাধু, ককাদেউতাৰ হাড়* আৰু *গৰমা কুঁৱৰী*। এই তিনিখন উপন্যাসৰ সাহিত্যিক মূল্য সৰ্বজন স্বীকৃতিপ্ৰাপ্ত। উল্লেখযোগ্য যে *ককাদেউতাৰ হাড়* উপন্যাসৰ বাবে নৱকান্ত বৰুৱাই ১৯৭৫ চনৰ 'সাহিত্য অকাদেমী' বঁটা লাভ কৰে। কবিতা আৰু উপন্যাস দুয়ো ক্ষেত্ৰতে সবল ৰূপত আত্মপ্ৰকাশ কৰা নৱকান্ত বৰুৱাৰ সৃষ্টিশীল ক্ষমতা তেখেতৰ *ককাদেউতাৰ হাড়* উপন্যাসখনে নীৰৱে ঘোষণা কৰি আছে।

কাহিনী উপন্যাসৰ প্ৰাথমিক চৰ্ত যদিও আনবোৰ উপন্যাসৰ দৰে *ককাদেউতাৰ হাড়*ত পোনপটীয়া কাহিনী নাই। আহোম শাসনৰ শেষৰ ফালে দুৰ্বল শাসকৰ সুযোগ গ্ৰহণ কৰি এচাম বিষয়া আৰু বৰমূৰীয়াই সামাজিক মৰ্যাদা আৰু আৰ্থিক প্ৰতিপত্তিৰ প্ৰতিযোগিতা কৰিছিল। তেনে এক প্ৰতিযোগিতাত বাখৰ আৰু ভোগাই নামৰ কাল্পনিক চৰিত্ৰ দুটাৰ মাজেদি চিত্ৰিত কৰিবৰ প্ৰয়াস কৰিছে। লগতে সেই সময়ত সাধাৰণ প্ৰজাৰ অৱস্থা কেনেকৈ বিপৰ্যস্ত হৈছিল তাৰো ইংগিত *ককাদেউতাৰ হাড়*ত আছে।

নৱকান্ত বৰুৱাৰ *ককাদেউতাৰ হাড়*ত সামগ্ৰিকভাৱে আহোম শাসনৰ ক্ষয়িষ্ণু অৱস্থাৰ এখন ছবি সুন্দৰ ৰূপত দাঙি ধৰা হৈছে। ইতিহাসৰ পটভূমিত এটা যুগৰ বিশ্লেষণ দাঙি ধৰাৰ প্ৰয়াসেই উপন্যাসখনৰ মূল বক্তব্য। উপন্যাসখনত বুৰঞ্জী আৰু কল্পনাৰ সংমিশ্ৰণ হৈছে যদিও বুৰঞ্জীৰ তুলনাত কল্পনাৰ মাত্ৰাই সৰহ। এই ক্ষেত্ৰত ঔপন্যাসিকগৰাকীৰ বক্তব্য প্ৰণিধানযোগ্য।

তেখেতে কৈছে, “বাখৰ বৰাৰ বিষয়ে প্ৰচলিত কাহিনী এটাকে লৈ পুথিখন লেখি উলিয়ালো। কল্পনাৰ ভাগেই ইয়াত বেছি। বুৰঞ্জীৰ নামত খেৰ-কুটা দুডালমানো আছেনে নাই সন্দেহ।”[১]

উপন্যাসখনৰ পটভূমি নগাঁও। নগাঁৱৰে দুখন বুৰঞ্জী প্ৰসিদ্ধ ঠাই মিকিৰহাট আৰু ননৈ। মিকিৰহাটৰ ভোগাই অৰ্থাৎ ভোগেশ্বৰ বৰুৱা আৰু ননৈৰ বাখৰ বৰা সম্বন্ধত জেঠেৰী-বৈনাই। বাখৰৰ ভনীয়েক ভোগাইৰ ধৰ্মপত্নী। দুয়োজনেই প্ৰতিষ্ঠাৰ প্ৰতিযোগিতাত ব্যস্ত। ভোগাই বংশ গৌৰৱেৰে আৰু বাখৰ আৰ্থিক প্ৰতিপত্তিৰে। নিজকে সামাজিকভাৱে প্ৰতিষ্ঠা কৰিবৰ বাবে প্ৰয়াস কৰাতেই উপন্যাসৰ গতি। নিজৰ প্ৰতিষ্ঠাৰ বাবে দুয়ো পক্ষই আৰম্ভ কৰে ছাঁয়া যুদ্ধ। শেষত এই ছাঁয়া যুদ্ধই প্ৰকৃত যুদ্ধৰ ৰূপ লয়। শেষত ভোগাইৰ কৌশলী ৰণত প্ৰতিদ্বন্দ্বী বাখৰ নিঃশেষ হৈ পৰিছে।

*ককাদেউতাৰ হাড়* উপন্যাসৰ এক অন্যতম বিশেষত্ব হৈছে লেখকৰ কাহিনী কথনৰ কৌশল। বাখৰ আৰু ভোগাইৰ পাৰ্শ্ব কাহিনীটো ঔপন্যাসিকে নিজে বৰ্ণনা কৰি যোৱা নাই। তেওঁ সহায় লৈছে আইতা নামৰ চৰিত্ৰটোৰ। বৰমইনা হেমন্ত আৰু নমিতাৰ বিবাহৰ প্ৰস্তাৱ আইতাক দিয়াত আইতাই আৰম্ভ কৰিছে অতীতৰ কাহিনী। মাজে মাজে উপন্যাসখনৰ আইতা বৰ্তমানলৈ ঘূৰি আহিছে যদিও সৰহখিনি সময় অতীততেই বিচৰণ কৰিছে। এই দিশৰ পৰা লক্ষ্য কৰি ক’ব পাৰি আইতা অতীতৰ প্ৰতিনিধি। ঔপন্যাসিক বৰুৱাদেৱে উপন্যাসত বৰমইনাৰ যোগেদি ব্যক্ত কৰিছে— “আইতা। আইতাৰ মনটো যে অতীততেই বাস কৰে। সেইবাবেই হয়তো ভোগাই বৰুৱাৰ কাৰ্যৰ প্ৰতিফলনৰ আশংকাত আইতাৰ মনত চিন্তাৰ জাল। আইতাৰ মনত মিনা কৰোৱা গহনাৰ দৰেই সত্য এই অভিশাপৰ আশংকা। আইতাহঁত সেই শ্ৰেণীৰ মানুহ, যিবোৰে বিশ্বাস কৰে অতীতক। বৰ্তমানৰ ৰহস্য ভেদ কৰিবৰ কাৰণে তেওঁলোকৰ একমাত্ৰ অস্ত্ৰ হ’ল অতীত। অতীতৰ পোহৰ নপৰিলে তেওঁলোকে বৰ্তমানক চিনি নাপায়।”[২]

নৰকান্ত বৰুৱাৰ *ককাদেউতাৰ হাড়*ত ভোগাই আৰু বাখৰ দুটা উল্লেখযোগ্য চৰিত্ৰ। কিন্তু বুৰঞ্জীৰ গুৰুত্বপূৰ্ণ চৰিত্ৰ নহয়। আৰু কেন্দ্ৰীয় চৰিত্ৰ? ক’বলৈ গ’লে উপন্যাসখনত কেন্দ্ৰীয় চৰিত্ৰ বুলি কোনো চৰিত্ৰয়ে নাই। আইতা হৈছে কথক চৰিত্ৰ। ভোগাই আৰু বাখৰ দুটা শ্ৰেণীৰ প্ৰতিনিধি।

এইখিনি কথাৰ সমৰ্থনত ঔপন্যাসিকৰ মন্তব্য উল্লেখযোগ্য। তেখেতে লিখিছে, "মোৰ ভাৱেৰে এইখন নায়ক আৰু খলনায়ক নোহোৱা এখন উপন্যাস। ইয়াত যেন কেন্দ্ৰীয় চৰিত্ৰ 'সময়'।"[৩] মুঠতে অতীতৰ অভিশাপ, বৰ্তমানৰ উপলব্ধি আৰু ভৱিষ্যতৰ প্ৰতিফলৰ শংকাই উপন্যাসখন আগুৰি আছে।

*ককাদেউতাৰ হাড়*ত সংলাপৰ ভূমিকা অনস্বীকাৰ্য। সংলাপে উপন্যাসখন নাট্যধৰ্মী কৰি তোলাৰ লগতে চৰিত্ৰসমূহক অধিক জীৱন্ত কৰি তুলিছে। বিশেষকৈ ঔপন্যাসিকে আইতাৰ মুখত দিয়া বুদ্ধিদীপ্ত সংলাপ[৪] ফাঁকি উল্লেখযোগ্য- "আপত্তি মোৰ নহয়, বোপাই। আমাৰ ভাগ্য পুৰুষৰ। একেটা গাঁততে দুবাৰ তামোল পুতিব নাপায়।"[৫] বৰমইনা হেমন্ত আৰু নমিতাৰ বিয়াৰ বাবে আইতাৰ পৰা সন্মতি বিচৰাত আইতাই এনেদৰে কৈছে। এইখিনি কথা অৰ্থব্যঞ্জক। একেটা গাঁততে দুবাৰ তামোল পুতিলে তামোলৰ বৰণটো বেয়া হয়। ইয়াত ব্যঞ্জনা অৰ্থটো হৈছে একেটা পৰিয়ালৰপৰা দুগৰাকী কন্যা আনিব নালাগে।

প্ৰকৃতাৰ্থত নৱকান্ত বৰুৱাৰ *ককাদেউতাৰ হাড়* এখন ইতিহাসগন্ধী বা ইতিহাস আশ্ৰয়ী কাল্পনিক উপন্যাস। উপন্যাসখনত কোনো বুৰঞ্জী প্ৰসিদ্ধ কাহিনী বা বুৰঞ্জীসন্মত চৰিত্ৰৰ সমাবেশ ঘটোৱা নাই। ইয়াত কেৱল ইতিহাসৰ ধাৰণা এটাহে আছে। প্ৰশ্ন হয়— ইতিহাসৰ ধাৰণা এটা থাকিল বুলিয়েই উপন্যাসখন ইতিহাসগন্ধী হ'বনে? উত্তৰটো সহজ। ইতিহাসৰ ধাৰণাটো ইতিহাসগন্ধী উপন্যাসৰ প্ৰাথমিক বৈশিষ্ট্য মাত্ৰ। তদুপৰি ইতিহাসগন্ধী উপন্যাসৰ আন কেতবোৰ বৈশিষ্ট্যও আছে। সেইবোৰ হ'ল— বিষয়বস্তুৰ অতীতমুখিতা, কাব্যিকতা আৰু ৰসতত্ব।

ইতিহাসগন্ধী উপন্যাসত বিষয়বস্তু অতীতমুখী। ইয়াৰ কাহিনী আৰু চৰিত্ৰ প্ৰত্যয়জনকভাৱে অতীতৰ ৰূপত সজোৱা হয়। তদুপৰি উপন্যাসৰ কাহিনী, চৰিত্ৰ, চৰিত্ৰৰ চালচলন আদিত অতীতৰ পৰিবেশ এটা চিত্ৰিত কৰা হয়। সেয়ে কল্পনাৰ সূক্ষ্মতা আৰু অনুভূতিৰ তীব্ৰতা এইবিধ উপন্যাসৰ মূল চালিকা শক্তি। *ককাদেউতাৰ হাড়* উপন্যাসখন অতীতমুখী। উপন্যাসখনৰ কথক আইতাৰ চৰিত্ৰটো অতীতৰ প্ৰতিভূ। হেমন্ত আৰু নমিতাৰ বিয়াৰ ক্ষেত্ৰত আইতাই আগবঢ়োৱা মন্তব্যত এই কথা উপলব্ধি কৰিব পাৰি। আইতাই বৰমইনাক কৈছিল— "শুন, সিহঁত আৰু তহঁত একালত বৰ ওচৰা ওচৰিকৈ

আছিলি। সিহঁতৰ গাঁও আৰু তহঁতৰ গাঁৱৰ মাজত আছিল এখন পথাৰ— একাহী পথাৰ। মই ন-বোৱাৰী হৈ আহোঁতেই দেখিছিলো সেই পথাৰ, একাহী পথাৰ, মানে আকাশী পথাৰ। ইপাৰৰ ৰিং সিপাৰে শুনাৰ কথা নুঠে সিপাৰৰ বাঁহনিবোৰ ববছা বনৰ জোপা যেন লাগে।"[৬] তদুপৰি উপন্যাসখনত অতীতৰ পৰিবেশ এটা সৃষ্টি কৰিবলৈও ঔপন্যাসিকে প্ৰয়াস কৰিছে। কলং নদীৰ ইতিহাস, নগাঁৱৰ ইতিহাস, আইতাৰ উপৰিপুৰুষৰ ইতিহাস আদিৰ বৰ্ণনাৰ জৰিয়তে নৰকান্ত বৰুৱাই উপন্যাসখনত অতীতৰ পৰিবেশ সুন্দৰ ৰূপত চিত্ৰিত কৰিছে। তেখেতে আইতাৰ চৰিত্ৰৰ জৰিয়তে এনেদৰে কৈছে— "এৰা বোপাই, কলংখন তেনেই মৰি সুঁতি হ'ল। কিন্তু আগতে তেনে নাছিল। হাতীসূৰা পৰ্বতখনে বাট ভেঁটা দি ধৰাৰ পৰাহে হ'ল, আগতে সেইটো এটা চাপৰিহে আছিল। বছৰি তল যায়। দেখা নাই, কোৱা শুনিছোঁ। তেতিয়া বোলে কলঙত কোম্পানীৰ জাহাজো চলিছিল।"[৭]

ইতিহাসগন্ধী উপন্যাসত কাব্যিক ভাৱ ব্যঞ্জনাৰ প্ৰকাশ ঘটে। ইয়াৰ প্ৰধান কাৰণ দুটা— বিষয়বস্তুৰ অতীতমুখীতা আৰু কল্পনাৰ সুদূৰপ্ৰসাৰীতা। এই দুয়োটাৰ সমন্বয়ে এই শ্ৰেণীৰ উপন্যাসক কাব্যিক আবেদন এটা প্ৰদান কৰে। নৰকান্ত বৰুৱাৰ *ককাদেউতাৰ হাড়* এখন কাব্যিক উপন্যাস। কাব্যিক উপন্যাসৰ সংজ্ঞা দাঙি ধৰি সমালোচক শ্ৰীশচন্দ্ৰ দাসে লিখিছে, "আখ্যান ভাগৰ নিয়ন্ত্ৰণ কুশলতা বা চৰিত্ৰ নৈপুণ্যতকৈ গ্ৰন্থকাৰ কবি দৃষ্টিয়ে যি উপন্যাসৰ জীৱন-দৰ্শনক স্নিগ্ধ আৰু মধুৰ কৰি তোলে, সেই উপন্যাসকে কাব্যধৰ্মী উপন্যাস বুলিব পাৰি।"[৮]

*ককাদেউতাৰ হাড়*ক কাব্যিক উপন্যাস বুলি কোৱাৰ প্ৰধান কাৰণটো হৈছে ইয়াত দুশ বছৰৰ আগৰ এটা কাহিনী দাঙি ধৰা হৈছে। এই কাহিনীটো ইতিহাস প্ৰসিদ্ধ নহয় যদিও দুশ বছৰৰ আগৰ অসমৰ সমাজখনৰ ছবি এখন উপন্যাসত সজীৱ ৰূপত চিত্ৰিত হৈ উঠিছে। উপন্যাসখনৰ কাহিনীটোৰ কথক বুঢ়ী আইতা। আইতাৰ স্মৃতিৰপৰা নিগৰি ওলোৱা কাহিনীৰ স'তে ঔপন্যাসিক নৰকান্ত বৰুৱাৰ কল্পনাৰ সমন্বয় হৈ উপন্যাসখন কাব্যিক ভাৱব্যঞ্জনাৰে সমৃদ্ধ হৈ উঠিছে। তদুপৰি নৰকান্ত বৰুৱা এজন কবি। তেখেতৰ সাৰ্থক কবিতা 'পলস'-এ আত্মপ্ৰকাশ কৰিছে আলোচ্য উপন্যাসখনিৰ পাততে। এই সম্পৰ্কত ঔপন্যাসিকে নিজেই লিখিছে, "এটা কথা কৈ থ'বৰ মন গৈছে। মোৰ কবিতাৰ

সম্প্ৰসাৰণ মোৰ উপন্যাস। কবিতাৰে ক'ব খোজা কথাবোৰকে ইয়াত কাহিনীৰ গাত খাজি গৈছো। ইতিহাস চেতনা বোলা উপলব্ধি এটা মোৰ কবিতা আৰু উপন্যাসৰ মৌলিক চৰিত্ৰ বুলি অ'ত-ত'ত কোৱা শুনিছো। ময়ো তেনেকৈয়ে ভাবোঁ।"[৯]

উপন্যাসক কবিতা আখ্যা দিব নোৱাৰিলেও কিন্তু কাব্যধৰ্ম বিবৰ্জিত নহয়। কবিতাৰ দৰে উপন্যাসতো কাব্যিক ভাৱ, উপমা, প্ৰতীক, ৰূপক আদিক অলংকাৰে সৌন্দৰ্য প্ৰদান কৰে। প্ৰসংগক্ৰমে Walter Allenৰ মন্তব্য প্ৰণিধানযোগ্য। তেখেতে কৈছে— "The novel is a branch of poetry, it is the expression in terms of character and story, of what the novelist has discovered about like in the course of living it"।[১০]

অৰ্থাৎ উপন্যাস কবিতাৰে সমধৰ্মী। ঔপন্যাসিকৰদ্বাৰা আৱিষ্কৃত জীৱনৰ সত্যক উপন্যাসৰ চৰিত্ৰ আৰু কাহিনীৰ মাজেদি প্ৰকাশ কৰা হয়। *ককাদেউতাৰ হাড়* উপন্যাসখনে উল্লেখিত কথাষাৰৰ সত্যতাক স্বীকাৰ কৰিছে। উপন্যাস-খনত বুঢ়ী আইতাই দুপৰীয়া চিলমিলিয়া টোপনিত দেখা সপোনত নিম্নোক্ত পংক্তিকেইটাৰ তাৎপৰ্যপূৰ্ণ প্ৰকাশ ঘটিছে—

> "পলাশৰ জুই নুমাল এতিয়া। শাল আৰু চতিয়ন
> বনত মানৰ দিনৰ অতীত বহাগৰ ধুমুহাৰ
> কিমান সপোন সৰি গ'ল তাৰ কোনে ৰাখে খতিয়ান?
> কলং, কপিলী, দিজুৰ পাৰত ককাদেউতাৰ হাড়।
> বুঢ়ী আইতাৰ কলিজাৰে গজে ন নহৰুৰ ফুল।"[১১]

তদুপৰি বিভিন্ন উপমা, ৰূপকৰ সমাহাৰে উপন্যাসখনক এক কাব্যিক মধুৰতা প্ৰদান কৰিছে। দৃষ্টান্তস্বৰূপে কুকুৰ চিকুণ গিৰিহঁতৰ যশ। আনৰ চোঙত বাঘ নোসোমায়, ভলুকা বাঁহৰ আখি আদি উল্লেখযোগ্য।

**প্ৰসঙ্গ টোকা**

১. লেখকৰ এষাৰ ঃ *ককাদেউতাৰ হাড়*, লয়াৰ্ছ, দ্বিতীয় মুদ্ৰণ ১৯৯৬
২. *ককাদেউতাৰ হাড়*, পৃ. ৯৮
৩. এল. বি. এছ. সংস্কৰণৰ আগকথা।
৪. "বুদ্ধিদীপ্ত সংলাপৰ প্ৰয়োগত চৰিত্ৰই অধিত জীৱন্ত আৰু সক্ৰিয় ৰূপ

লাভ কৰে।” *উপন্যাস* ঃ প্ৰহ্লাদ কুমাৰ বৰুৱা, পৃ. ৫৯

৫. *ককাদেউতাৰ হাড়*, পৃ. ৩

৬. *ককাদেউতাৰ হাড়*, পৃ. ৫

৭. প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৬

৮. আখ্যান ভাগৰ নিয়ন্ত্ৰণ কুশলতা বা চৰিত্ৰ সৃষ্টি নৈপুণ্য অপেক্ষা গ্ৰন্থকাৰৰ কাব্যদৃষ্টিয়ে উপন্যাসৰ জীৱন দৰ্শনকে স্নিগ্ধ ও মধুৰ কৰি তোলে। তাহাকে কাব্যধৰ্মী উপন্যাস বলা যাইতে পাৰে। — *সাহিত্য দৰ্শন*, পৃ. ১৫৮৯

৯. এল. বি. এছ. সংস্কৰণৰ আগকথা

১০. *Reading a Novel*. p. 38

১১. *পলস*, নৱকান্ত বৰুৱা।

# অৰুণ শৰ্মাৰ নাটক ঃ এটি আলোচনা

কুৰি শতিকাৰ পঞ্চাশৰ দশকৰপৰা সাম্প্ৰতিক সময়লৈকে গুণগত দিশৰ নাটক ৰচনাৰে অৰুণ শৰ্মাই আধুনিক অসমীয়া নাট্য সাহিত্যলৈ আগবঢ়োৱা অৱদান একক আৰু অনন্য। *উৰুখা পৰজা* নামৰ নাটক ৰচনাৰে নাট্য জীৱনৰ পাতনি মেলা এই গৰাকী নাট্যকাৰে প্ৰতিষ্ঠা লাভ কৰিলে ষাঠিৰ দশকৰ আৰম্ভণিতে *শ্ৰীনিবাৰণ ভট্টাচাৰ্য* (১৯৬১) শীৰ্ষক নাটকৰ জৰিয়তে। আধুনিক অসমীয়া নাটকক জ্যোতিপ্ৰসাদ আগৰৱালাই প্ৰদান কৰা নতুন ৰূপ আৰু মাত্ৰাক অৰুণ শৰ্মাই এক আয়তন দান কৰিলে। ড° নগেন শইকীয়াৰ ভাষাত— "আধুনিক বাংলা নাটকত বাদল সৰকাৰৰ যি স্থান অথবা আধুনিক ওড়িয়া নাটকত মনোজ দাশৰ যি স্থান আধুনিক অসমীয়া নাটকতো অৰুণ শৰ্মাৰ স্থান তেনেভাৱেই বিশিষ্ট আৰু গুৰুত্বপূৰ্ণ।"[১]

অৰুণ শৰ্মাই ৰচনা কৰা নাটকৰ সংখ্যা সঠিকভাৱে জনা নাযায়। তেখেতৰ কিছুমান নাটক কিতাপ আকাৰত প্ৰকাশ হৈছে আৰু কিছুমান আলোচনীৰ পাততে আছে। সাহিত্য সমালোচক ড° পোনা মহন্তই অৰুণ শৰ্মাৰ নাটকৰ সংখ্যা তিনি কুৰিৰ ওচৰা-ওচৰি হ'ব পাৰে বুলি ধাৰণা কৰিছে।[২] ২০০১ চনত নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী সমিতিয়ে *অৰুণ শৰ্মাৰ নিৰ্বাচিত নাটক* নামেৰে ৪৮০ পৃষ্ঠাৰ এখন সংকলন প্ৰকাশ কৰিছে। এই সংকলনখনত তেখেতৰ ১৩ খন নাটক সন্নিৱিষ্ট আছে। সেইকেইখন হৈছে- *শ্ৰী নিবাৰণ ভট্টাচাৰ্য* (১৯৬১), *পৰশুৰাম* (১৯৬২), *আহাৰ* (১৯৬৪), *পুৰুষ* (১৯৬৪), *কুকুৰনেচীয়া মানুহ* (১৯৬৫), *চিএৱৰ* (১৯৭২), *বুৰঞ্জী পাঠ* (১৯৭৪), *অন্য এক অধ্যায়* (১৯৯৪), *অগ্নিগড়* (১৯৯৬), *অদিতিৰ আত্মকথা* (২০০০), *পদ্মা-কুন্তী ইত্যাদি* (১৯৭৬), *পোষ্টাৰ* (১৯৮২) আৰু *স্থাৱৰ* (১৯৫৬)। ইয়াৰ ভিতৰত প্ৰথম দহখন পূৰ্ণাংগ নাটক, একাদশখন একাংকিকা, দ্বাদশখন

শিশু নাট আৰু ত্ৰয়োদশখন অনাতাঁৰ নাট। ২০০৬ চনত বনলতাই প্ৰকাশ কৰা এই সংকলনখনত শৰ্মাৰ তিনিখন নাটক নতুনকৈ সন্নিবিষ্ট কৰা হৈছে। সেইকেইখন হৈছে *চক্ৰব্যূহ* (২০০৩), *নেপোলিয়ন আৰু ডেজিৰী* (১৯৮৫) আৰু *বাঘজাল* (১৯৮৪)।

আধুনিক জীৱনৰ চিৰন্তন সমস্যা কিছুমান অৰুণ শৰ্মা নাটকত প্ৰকট হোৱা দেখা যায়। সমূহৰ মাজত থাকিও আধুনিক মানুহৰ মন নিৰ্জন দ্বীপৰ প্ৰাণীৰ দৰে। নিজৰ বক্তব্য দাঙি ধৰিবলৈ এজন যোগ্য শ্ৰোতাৰ অভাৱে মানুহক একাকীত্ব কৰি তুলিছে। একাকীত্বৰ দুৰ্বিসহ যন্ত্ৰণাই মানুহক আত্মহননৰ পথ বাচি ল'বলৈ বাধ্য কৰিছে। অৰুণ শৰ্মাৰ *শ্ৰীনিবাৰণ ভট্টাচাৰ্য*ৰ নায়ক নিবাৰণ নিঃসংগতাৰ বলি হোৱা এজন আধুনিক মানুহ। নাট্যকাৰ নিবাৰণ ভট্টাচাৰ্যই তেখেতৰ বক্তব্য নাটকৰ যোগেদি শ্ৰোতা-দৰ্শকক অৱগত কৰোৱাৰ উদ্দেশ্যেৰে তেওঁ লিখা বাৰখন নাটক মঞ্চস্থ কৰাৰ প্ৰচেষ্টা কৰিও বিফল হ'ল। তথাপিতো তেওঁ ত্ৰয়োদশ নাটকখন ৰচনা কৰি নিৰ্দিষ্ট দিনত মঞ্চস্থৰ দিহা কৰিলে। নাটক চাবলৈ নিমন্ত্ৰণ জনোৱা পাঁচশ জন দৰ্শকৰ এজনো নাহিল। তেওঁ খালী চকীবোৰৰ সমুখতে কথা কৈ কৈ চিৰিয়েদি ওপৰলৈ গৈ থাকোঁতে চিৰিৰ পৰা বাগৰি পৰি মৃত্যু হ'ল। নাটকখনত এগৰাকী শিল্পীয়ে ঐকান্তিক সাধনাৰে কৰা অনুপম সৃষ্টিৰ প্ৰতি ব্যক্তিকেন্দ্ৰিক আধুনিক মানুহৰ অৱহেলাৰ চিত্ৰ এখন দাঙি ধৰা হৈছে। তদুপৰি নিঃসংগতা, ব্যৰ্থতা আৰু হতাশাই মানুহক কেনেদৰে একাকীত্ব কৰে আৰু একাকীত্বৰ যন্ত্ৰণাই মানুহক কেনেকৈ জীৱন পাত কৰিবলৈ বাধ্য কৰে সেই কথা নিবাৰণ ভট্টাচাৰ্য চৰিত্ৰৰ যোগেদি প্ৰকাশ পাইছে। ড° মহেন্দ্ৰ বৰাৰ মতে, "শূন্যতাৰেই নিবাৰণ ভট্টাচাৰ্যৰ হৃদয়পূৰ্ণ হৈ উঠিছে। এই শূণ্যতা, এই বিচ্ছিন্নতা, এই নিঃসংগতাই নাটকখনৰ চূড়ান্ত প্ৰতীতি।"[৩]

আধুনিক চিন্তাক গভীৰভাৱে প্ৰভাৱিত কৰা এগৰাকী চিন্তাবিদ চিগমাণ্ড ফ্ৰয়ডে কুৰি শতিকাৰ দ্বিতীয় আৰু তৃতীয় দশকত জৈৱিক প্ৰবৃত্তিক আধাৰ কৰি এক তত্ত্বৰ অৱতাৰণা কৰিলে। মনৰ বিকাশৰ ক্ষেত্ৰত আচৰণক প্ৰভাৱিত কৰিব পৰা অৱচেতনৰ ওপৰত ফ্ৰয়ডে বিশেষ গুৰুত্ব দিছিল।[৪] ফ্ৰয়ডীয় দৃষ্টিভংগীত 'ঈদিপাচ কমপ্লেক্স' আৰু 'ইলেকট্ৰা কমপ্লেক্স' বুলি দুই ধৰণৰ ধাৰণাই স্থান লাভ কৰিছে। পুত্ৰ সন্তানৰ মাতৃৰ প্ৰতি থকা তীব্ৰ আকৰ্ষণ

ফ্রয়ডৰ 'ঈদিপাচ কমপ্লেক্স'ৰ ভিতৰুৱা। আনহাতে পিতৃৰ প্রতি কন্যা সন্তানৰ আকৰ্ষণ 'ইলেকট্রা কমপ্লেক্স'ৰ ধাৰণাৰ অন্তৰ্গত। অৰুণ শৰ্মাৰ *অগ্নিগড়* নাটকখনত ফ্রয়ডীয় মনঃস্তত্ত্বৰ 'ইলেকট্রা কমপ্লেক্স'ৰ উপস্থিতি চকুত পৰে। নাটকখনৰ নায়িকা নন্দিনীক দেউতাক নিবাৰণ ভট্টাচাৰ্য্যৰ ব্যক্তিত্বই এনেদৰে মোহাচ্ছন্ন কৰি ৰাখিছে যে তাইৰ অন্তৰৰ শূণ্যতা আন কোনো পুৰুষেই পূৰ্ণ কৰিব নোৱাৰে। নাটকখনৰ অন্যতম চৰিত্ৰ অতীন্দ্ৰৰ ব্যক্তিত্বত তাই দেউতাকৰ ব্যক্তিত্বৰ প্রতিফলন দেখি প্রেমৰ দুৰ্বাৰ আকৰ্ষণ অনুভৱ কৰে আৰু নন্দিনীয়ে অতীন্দ্ৰক বিবাহৰ প্রস্তাৱ দিয়ে। কিন্তু অতীন্দ্ৰই এই প্রস্তাৱ অগ্রাহ্য কৰে। কাৰণ, অতীন্দ্ৰই ভালদৰে বুজি পাইছে যে নিবাৰণ ভট্টাচাৰ্য্যৰ ব্যক্তিত্বই নন্দিনীক অগ্নিগড়ৰ দৰে এনেদৰে আগুৰি ৰাখিছে যে তাত আন কোনো পুৰুষে প্রৱেশ কৰিব নোৱাৰে।[৫] নাৰী-পুৰুষৰ সম্পৰ্কৰ ব্যতিক্ৰমি ব্যাখ্যাই *অগ্নিগড়* নাটকত এনেদৰেই প্রতিফলিত হৈছে।

প্রতীকবাদ এক কাব্য আন্দোলন আছিল যদিও সাহিত্যৰ অন্যান্য শাখাতো ইয়াৰ প্রভাৱ পৰিবলৈ ধৰে। নাটকৰ সংলাপ, পাত্ৰ-পাত্ৰী বা তেওঁলোকৰ আচৰণ প্রতীকী হৈ উঠিবলৈ ধৰে।[৬] প্রথাগত, বিশ্বজনীন আৰু ব্যক্তিগত প্রতীকৰ ব্যৱহাৰ কৰি নাটকত কাব্যিক অভিব্যঞ্জনা সৃষ্টিৰ প্রয়াস কৰাৰ লগতে সামাজিক কদৰ্যতাৰ বিভিন্ন ৰূপৰ চিত্ৰ দাঙি ধৰাৰ চেষ্টা চলোৱাও পৰিলক্ষিত হয়। অৰুণ শৰ্মাৰ *শ্রীনিবাৰণ ভট্টাচাৰ্য্য*ত বৰ্ণিত ভঙা চকী, ভঙা আয়না, বন্ধ তলা, পুৰণা সাজ-পাৰৰ দ'ম আদিয়ে প্রতীকৰ ৰূপত সামাজিক কদৰ্যতাৰ ছবিখনকে দাঙি ধৰিছে। এইবিলাকৰ ওপৰেদি পাৰ হৈ নিজৰ কোঠাত সোমোৱাৰ নিবাৰণ ভট্টাচাৰ্যৰ প্রচেষ্টাটো হয়তো নিষ্ঠাৱান শিল্পীৰ একক প্রচেষ্টাৰ প্রতীক স্বৰূপ।[৭] শৰ্মাৰ আনখন নাটক *আহাৰ*ত নাৰী গৰাকীৰ শৱদেহটো লৈ কমল, নবীন, ধীৰেণ আৰু নলিনী এই চাৰিটা চৰিত্ৰৰ অৱচেতন মনত পোহৰ পেলাবলৈ বিচৰা হৈছে। কমলে বমি কৰিছে যদিও ভজা বাদাম চোবাই আছে। এই দৃশ্য প্রতিকূল পৰিস্থিতিত থাকি অনুকূল সময়ৰ বাবে অপেক্ষা কৰাৰো প্রতীকি ৰূপ। ডেকা চাৰিজনৰ দৃষ্টি অনুসৰি শৱদেহটোৱে প্রেমিকা, মাতৃ, স্ত্রী আৰু বেশ্যাৰ ৰূপ লোৱা চিত্ৰকল্পটো সমাজৰ বিভিন্ন দিশত এগৰাকী নাৰীয়ে পালন কৰিবলগা ভূমিকাৰ প্রতীকাত্মক প্রকাশ বুলিও ভাবিব পাৰি। শৈলেন ভৰালীৰ মতে, "শৱদেহটো আমাৰ অতীতৰো

প্ৰতীক হ'ব পাৰে, যি অতীত আমাৰ মনৰ পৰা কেতিয়াও মচ খাই নাযায়, যি অতীতে জীৱন-জুৰি অৱচেতনৰপৰা আমাক আমনি দি থাকে।"[৮]

আধুনিকতাৰ ধামখুমীয়াত আজিৰ যুৱসমাজ প্ৰচলিত সামাজিক-সাংস্কৃতিক মূল্যবোধৰ প্ৰতি উদাসীন। শিপা ছিগি মূল সুঁতিৰ পৰা বিচ্ছিন্ন হোৱা যুৱসমাজ পশ্চিমীয়া সংস্কৃতিৰ প্ৰতিহে অধিক আগ্ৰহী। অৰুণ শৰ্মাৰ নাটক *অদিতিৰ আত্মকথা*ত নায়িকা অদিতিয়ে ঘৰুৱা কথা-বতৰাতো প্ৰচুৰ ইংৰাজী শব্দ ব্যৱহাৰ কৰি নিজ মাতৃভাষাৰ প্ৰতি উদাসীনতা প্ৰদৰ্শন কৰিছে।[৯] ইয়াৰ জৰিয়তে নাট্যকাৰে ছিন্নমূল মানুহৰ তৰল মানসিকতা প্ৰদৰ্শনৰ চেষ্টা চলাইছে।

অৰুণ শৰ্মাৰ নাটকত মাৰ্ক্সবাদী চেতনাৰ উপস্থিতিও অনুভৱ কৰিব পাৰি। *শ্ৰীনিবাৰণ ভট্টাচাৰ্য্য* আৰু *পুৰুষ* নাটকৰ মাজেৰে গণতন্ত্ৰৰ নামত পুঁজিবাদে সৃষ্টি কৰা ভোগ সৰ্বস্বতাৰ আগ্ৰাসন প্ৰকাশ কৰি সৰ্বসাধাৰণক সচেতন কৰাৰ এক প্ৰয়াস পৰিলক্ষিত হয়। তদুপৰি তেখেতৰ *বুৰঞ্জী পাঠ* নাটকত স্বাধীনতাৰ পৰৱৰ্তী সময়ৰ শাসক শ্ৰেণীৰ জনস্বাৰ্থ বিৰোধী কাৰ্যকলাপ উদঙাই দিছে। শাসক আৰু শাসিত, শোষক আৰু শোষিত, পুঁজিপতি আৰু সৰ্বহাৰাৰ মাজৰ দ্বন্দ্ব নাটকখনত সুন্দৰ ৰূপত প্ৰতিফলিত হৈছে। বিশ্ব ইতিহাসত অত্যাচাৰী, ভণ্ড, শোষক, শাসক আৰু প্ৰতাৰকৰ বিৰুদ্ধে জাগ্ৰত জনতাৰ সংগ্ৰাম যে সদায় জয় হৈছে সেই সত্য দেখুওৱা হৈছে এই নাটকখনত।[১০]

আধুনিক অসমীয়া নাট্য সাহিত্যক এক সন্মানজনক স্থানত উপবিষ্ট কৰোৱাৰ ক্ষেত্ৰত অৰুণ শৰ্মাৰ অৱদান অনস্বীকাৰ্য। বিবিধ সম্পৰীক্ষাৰ মাজেৰে ৰচনা কৰা শৰ্মাৰ নাটক সমূহক বিষয়বস্তু নিৰ্বাচন আৰু উপস্থাপন, চৰিত্ৰৰ সৃষ্টি আৰু বিকাশ, প্ৰতীকি ব্যঞ্জনা আৰু কাব্যিক সংলাপ আদি বিশেষত্বই পৰম্পৰাগত নাটকৰ পৰা পৃথক কৰিছে। দেশী-বিদেশী অনেক নাট্যকাৰৰ চিন্তা-চেতনাৰে সমৃদ্ধ অৰুণ শৰ্মাই তেখেতৰ নাটকসমূহৰ যোগেদিয়েই প্ৰমাণ কৰিছে যে তেওঁ এগৰাকী যুগোত্তীৰ্ণ লেখক।

**প্ৰসংগ টোকা**

১. নগেন শইকীয়া, "পুৰুষ - এটি স্মৰণীয় অভিজ্ঞতা", *গৰীয়সী*, আগষ্ট - ২০১২

২. পোনা মহন্ত, "অৰুণ শৰ্মাৰ নাটক", *দৈনিক জনমভূমি*, ১২ মাৰ্চ - ২০০৬
৩. মহেন্দ্ৰ বৰা, *সাহিত্য আৰু সাহিত্য*, পৃ. ২১০
৪. আনন্দ বৰমুদৈ, *আধুনিকতাবাদ আৰু উত্তৰ আধুনিকতাবাদ*, পৃ. ১১
৫. শৈলেন ভৰালী, "উত্তৰ-স্বাধীনতা যুগৰ ভাৰতীয় নাট্যকাৰ - অৰুণ শৰ্মা", *গৰীয়সী*, মে' - ২০১২
৬. বিমল মজুমদাৰ, "প্ৰতীকবাদ", *অসমীয়া প্ৰতিদিন*, ১মে' - ২০১০
৭. বীৰেন বৰকটকী, *অসমীয়া সাহিত্যত এভুমুকি*, পৃ. ১৩০
৮. শৈলেন ভৰালী, উল্লিখিত প্ৰবন্ধ
৯. "অতীন মামা, অতীন্দ্ৰ দুৰৰা, মধ্যবয়সী middle-aged, non-conformist, esentric a genious lost in the garbage, profoundly off beat film director makes films that always Hop. অসাধাৰণ ব্যক্তিত্ব।" - *অৰুণ শৰ্মাৰ নিৰ্বাচিত নাটক*, পৃ. ৪১৫
১০. ৰঞ্জন ভট্টাচাৰ্য্য, "অৰুণ শৰ্মাৰ নাটক - এটি সমীক্ষা", অজিৎ শইকীয়া (সম্পা.) *ছশ বছৰৰ অসমীয়া নাটক ঃ পৰম্পৰা আৰু পৰিৱৰ্তন*, পৃ. ৪০৭

# অসমত তুলনাত্মক সাহিত্যৰ অধ্যয়ন

বহুভাষিক ভাৰতীয় সমাজৰ অবিচ্ছেদ্য অংগ অসমৰ এক নিজস্ব বহুভাষিক পৰম্পৰা আছে। বৰ্ণাঢ্য ভাষিক-সাংস্কৃতিক উপাদান সমৃদ্ধ বিভিন্ন নৃগোষ্ঠীৰে গঠিত বৃহত্তৰ অসমীয়া সমাজখন সমন্বয় আৰু সম্প্ৰীতিৰ এক গৌৰৱময় ঐতিহ্যৰ অধিকাৰী। কিন্তু সাম্প্ৰতিক কালত বিভিন্ন সামাজিক, ৰাজনৈতিক কাৰকৰ ক্ৰিয়াত বৃহত্তৰ ভাৰতৰ অংগ ৰূপে অসমৰ পৰিচয় আৰু নিজস্ব বহুভাষিক সমাজখনৰ ঐক্য— এই দুয়োটাই বিনষ্ট হোৱাৰ উপক্ৰম হৈছে। প্ৰাচীন কালৰেপৰা সাহিত্য আৰু ইতিহাসত প্ৰতিষ্ঠিত ভাৰতবৰ্ষৰ সাংস্কৃতিক মূলসুঁতিৰ এটি ধাৰা ৰূপে অসমীয়া সাহিত্য-সংস্কৃতিৰ পৰিচয় অধ্যয়নে ৰাষ্ট্ৰীয় ঐক্য সুদৃঢ় কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব পাৰে। আনহাতে এক উমৈহতীয়া সামাজিক-সাংস্কৃতিক পটভূমিৰপৰা উদ্ভূত আৰু ঘনিষ্ঠ সংস্পৰ্শৰ মাজেৰে গঢ় লৈ উঠা বহুভাষিক আৰু বহুসংস্কৃতি পুষ্ট বৃহত্তৰ অসমীয়া সমাজখনৰ ঐক্যসূত্ৰসমূহৰ উদ্‌ঘাটনে অসমীয়া সমাজখনৰ ঐক্য পুনৰুদ্ধাৰৰ ক্ষেত্ৰত এক নিৰ্ণায়ক ভূমিকা পালন কৰিব পাৰে। অসমৰ এই বিশিষ্ট সামাজিক-সাংস্কৃতিক পটভূমিৰ পৰিপ্ৰেক্ষিতত তুলনাত্মক সাহিত্যৰ সুপৰিকল্পিত অধ্যয়নৰ গুৰুত্ব অপৰিসীম।

### অসমত তুলনাত্মক সাহিত্য অধ্যয়নৰ প্ৰাসংগিকতা

### ভাৰতৰ অবিচ্ছেদ্য অংগ ৰূপে অসম

ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত অসম, ভাৰতবৰ্ষৰ এক অবিচ্ছেদ্য অংগ ৰূপে প্ৰাচীন কালৰেপৰা পৰিগণিত হৈ আহিছে। ভাৰতীয় মহাকাব্য ‘মহাভাৰত’ত অসমৰ ভগদত্তই পাণ্ডৱৰ বিৰুদ্ধে যুদ্ধত অংশ গ্ৰহণ কৰাৰ উল্লেখ থকা আৰু শ্ৰীমন্ত শংকৰদেৱে তেখেতৰ ৰচনাত বহুবাৰ ভাৰত বন্দনা কৰাটো প্ৰসংগক্ৰমে উল্লেখযোগ্য। আধুনিক ভাৰতীয় লেখকৰ ৰচনাতো অসমৰ সমল সন্নিবিষ্ট হৈছে।[১]

সাংস্কৃতিক একৰূপতা, ভাষিক ঐক্যসূত্ৰ, উমৈহতীয়া পুৰাকথা, একে উৎসৰপৰা আহৃত সাহিত্যিক প্ৰমূল্য, উমৈহতীয়া বৈশিষ্ট্যৰ লোকসাহিত্য আদি জীৱন্ত পৰম্পৰাসমূহে অসমক ভাৰতৰ এক অবিচ্ছেদ্য অংগৰূপে প্ৰতিষ্ঠা কৰিছে। তদুপৰি বিভিন্ন সময়ত হোৱা উত্থান-পতন, ঘটনা-পৰিঘটনা যেনে সৰ্বভাৰতীয় ভক্তি আন্দোলন, ভাৰতৰ স্বাধীনতা আন্দোলন, প্ৰগতিশীল সাহিত্য আন্দোলন, ঔপনিবেশিক অভিজ্ঞতা আদিয়েও ৰাজনৈতিক সীমাৰ উৰ্দ্ধত অসমক ভাৰতৰ অবিচ্ছেদ্য অংগৰূপে দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিছে।

বৰ্তমান ৰাজনৈতিকভাৱে অসম ভাৰতৰ অবিচ্ছেদ্য অংগ হোৱা স্বত্বেও অসম-ভাৰত সংঘাতে ভাৰতবৰ্ষৰ ঐক্য আৰু সংহতিৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছে। ৰাজনৈতিক, সামাজিক, ঐতিহাসিক, অৰ্থনৈতিক আদি বিভিন্ন কাৰকৰ ক্ৰিয়াত ভাৰত-অসমৰ সাংস্কৃতিক বান্ধোন শিথিল হৈ পৰিছে আৰু ভাৰতবৰ্ষৰ অখণ্ডতাৰ প্ৰতি ভাবুকি আহিছে। বিচ্ছিন্নতাবাদী চিন্তা-চৰ্চাৰে অসমক ভাৰতৰ বৃহত্তম ভূখণ্ডৰ পৰা পৃথক কৰিবৰ বাবে সশস্ত্ৰ সংগ্ৰামৰো পোষকতা কৰা হৈছে। এনে এক জটিল পৰিস্থিতিত অসম-ভাৰতৰ সাংস্কৃতিক একৰূপতা বিষয়ৰ অধ্যয়নে ৰাষ্ট্ৰীয় সংহতি সুদৃঢ় কৰিব পাৰে।

ভাৰত-অসমৰ ৰাজনৈতিক একতাতকৈ সামাজিক-সাংস্কৃতিক একতা বহু পুৰণি। অমূলক সন্দেহ, অজ্ঞানতাজনিত শংকা, পৰস্পৰৰ মাজত বুজা-বুজিৰ অভাৱ আদিৰ ফলত এই শ্বাশ্বত সত্য ভাৰতীয় মানসৰ উপলব্ধিৰ বাহিৰত। এই দিশৰ প্ৰতি লক্ষ্য ৰাখি তুলনাত্মক সাহিত্য অধ্যয়নৰ জৰিয়তে ভাৰতীয় জনমানসত আউল লগোৱা প্ৰাদেশিকতা, আঞ্চলিকতা আদি সীমাৰেখাবোৰ নিষ্প্ৰভ কৰি সাহিত্যৰ সাৰ্বজনীন আৰু সাৰ্বকালীন সনাতন সত্যক উদ্‌ঘাটন কৰাৰ চেষ্টা কৰিলে ভাৰত-অসমৰ সামাজিক-সাংস্কৃতিক একৰূপতা প্ৰতিষ্ঠা কৰিব পৰা হ'ব। তদুপৰি এনে অধ্যয়নৰ ফলশ্ৰুতিত ভাৰতৰ অন্যান্য প্ৰদেশৰ মানুহৰ মনত অসমৰ মানুহৰ সম্পৰ্কত থকা ভ্ৰান্ত ধাৰণা আঁতৰ হোৱাৰ লগতে অসমৰ মানুহ ভাৰতীয় মূলসুঁতিৰ প্ৰতি অনুগত হ'ব।

**অসমৰ বহুভাষিক আৰু বহুসাংস্কৃতিক পৰিস্থিতি**

অসম এখন বিভিন্ন ভাষা-ভাষী লোকেৰে পৰিপূৰ্ণ ৰাজ্য। ইয়াত বসবাস কৰা বড়ো, মিচিং, কাৰ্বি, ৰাভা, তিৱা, দেউৰী, ডিমাচা, কছাৰী, মৰাণ, মটক,

কোঁচ ৰাজবংশী, টাই আহোম আদি প্ৰতিটো জনগোষ্ঠীৰে নিজা নিজা ভাষা আছে। তথাপি অসমীয়া ভাষাই অসমৰ জনগোষ্ঠীসমূহৰ মাজত সংযোগী ভাষা ৰূপে অসমত ভাষিক ঐক্য প্ৰতিষ্ঠা কৰিছিল। তদুপৰি পৰস্পৰে পৰস্পৰৰ লগত সহাৱস্থান কৰি থকাৰ বাবে জনগোষ্ঠীয় ভাষাৰ বহুত শব্দ অসমীয়া ভাষাত সোমোৱাৰ লগতে অসমীয়া ভাষাৰো বহু শব্দ জনগোষ্ঠীয় ভাষাত সোমাই পৰে। ইয়াৰ ফলত উভয় পক্ষই সমৃদ্ধিশালী হয় আৰু অসমে এখন ভাষা বৈচিত্ৰ্যৰ দেশ ৰূপে প্ৰতিষ্ঠা লাভ কৰে।

ভাষাৰ দৰে সাংস্কৃতিক বিনিময়ৰ যোগেদিও অসমত সাংস্কৃতিক ঐক্য গঢ় লৈ উঠে। অসমৰ জনগোষ্ঠীসমূহৰ মাজলৈ শ্ৰীমন্ত শংকৰদেৱ প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্ম সম্প্ৰসাৰিত হোৱাত পৰম্পৰাগত জনগোষ্ঠীয় সংস্কৃতিত শংকৰী সংস্কৃতিৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ পৰে। আনহাতে বহুতো দিশত অসমীয়া সংস্কৃতিকো জনগোষ্ঠীয় সাংস্কৃতিক উপাদানে সমৃদ্ধ কৰে। এনেদৰে ভাষিক আৰু সাংস্কৃতিক বিনিময়ে বহু জনগোষ্ঠীৰ মিলনভূমি অসমত ঐক্য সংহতি গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বহুকেইজন অসমীয়া সাহিত্যিকে জনগোষ্ঠীয় জীৱনৰ পটভূমিত গল্প-উপন্যাস ৰচনা কৰাৰ বিপৰীতে জনগোষ্ঠীয় মূলৰ বহু সাহিত্যিকে তেওঁলোকৰ উন্নত মানৰ ৰচনাৰে অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰে।

বৰ্তমান বিভিন্ন সামাজিক আৰু ৰাজনৈতিক কাৰণত অসমীয়া ভাষা-সংস্কৃতিৰ লগত অসমৰ অন্যান্য জনগোষ্ঠীয় ভাষা-সংস্কৃতিৰ সংঘাত আহিছে। চৰকাৰৰ ভুল নীতি, জনজাতীয় আৰু অজনজাতীয় লোকৰ মাজত বাঢ়ি অহা দূৰত্ব আৰু ভুল বুজাবুজি, একোটা সম্প্ৰদায়ৰ উচাত্মিকা মনোবৃত্তি, বিশ্বায়নৰ ফলত ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীসমূহৰ ভাষা-সংস্কৃতি বিপদাপন্ন হ'ব বুলি কৰা ধাৰণা আৰু ইয়াৰ বাবে নিজ নিজ ভাষা সংস্কৃতিক সুৰক্ষিত কৰাৰ বাবে উগ্ৰ জাতীয়তাবাদী দৃষ্টিভংগী গ্ৰহণ কৰা আদি এশ-এবুৰি সমস্যাই অসমৰ সামাজিক ঐক্য-সংহতি বিনষ্ট কৰাৰ উপক্ৰম হৈছে। এনে ধৰণৰ পৰিস্থিতিত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি আৰু জনগোষ্ঠীয় ভাষা-সাহিত্য-সংস্কৃতি উভয়কে সম গুৰুত্ব প্ৰদানেৰে কৰা অধ্যয়নেৰে অসমৰ সামাজিক-সাংস্কৃতিক ঐক্য পুনৰুদ্ধাৰ কৰিব পৰা যাব। সেয়ে তুলনাত্মক সাহিত্যৰ পৰম্পৰা অধ্যয়ন পদ্ধতি আৰু ইতিহাসমূলক অধ্যয়ন পদ্ধতি প্ৰয়োগেৰে

অসমীয়া আৰু জনজাতীয় ভাষা-সাহিত্য-সংস্কৃতিৰ অধ্যয়নৰ চেষ্টা কৰিলে জনজাতীয় আৰু অজনজাতীয় লোকৰ মাজৰ পূৰ্বৰ সম্প্ৰীতি ওভতাই আনিব পৰা যাব।

**অসমত তুলনাত্মক সাহিত্যৰ সাম্প্ৰতিক গতি-প্ৰকৃতি**

অসমত তুলনাত্মক সাহিত্যৰ অধ্যয়ন তাত্ত্বিক আৰু প্ৰায়োগিক দুয়োটা দিশতে হোৱা দেখা যায়। এইক্ষেত্ৰত অসমৰ সাৰস্বত মহলৰ ব্যক্তিগত প্ৰচেষ্টাৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্ম আঁচনিয়ে বিষয়টোৰ অধ্যয়নৰ বাবে অনুকূল পৰিবেশ সৃষ্টি কৰিছে।

**তুলনাত্মক সাহিত্যৰ তাত্ত্বিক অধ্যয়ন**

তুলনাত্মক সাহিত্যৰ তাত্ত্বিক অধ্যয়ন বৌদ্ধিক অনুসন্ধান আৰু বিদ্যায়তনিক অনুশাসন— এই দুয়োটা দিশত হোৱা পৰিলক্ষিত হয়। ১৯৮৯ চনত প্ৰকাশিত ড° প্ৰফুল্ল কটকীৰ *তুলনামূলক সাহিত্য* গ্ৰন্থখনে অসমত তুলনাত্মক সাহিত্যৰ বৌদ্ধিক অনুসন্ধানৰ বাট মুকলি কৰে।[২] পৰৱৰ্তী পৰ্য্যায়ত ড° নীৰাজনা মহন্ত বেজবৰাৰ *তুলনামূলক সাহিত্য আৰু সাহিত্যিক গৱেষণা* (১৯৯৪), *তুলনামূলক সাহিত্য ঃ সিদ্ধান্ত আৰু প্ৰয়োগ* (১৯৯৪) *তুলনামূলক ভাৰতীয় সাহিত্য* (১৯৯৯), *পটভূমিকাত তুলনামূলক সাহিত্য* (২০০২), *অনুবাদ ঃ তত্ত্ব আৰু প্ৰয়োগ* (২০০৮); ড° কৰবী ডেকা হাজৰিকাৰ *তুলনামূলক সাহিত্য আৰু অনুবাদ কলা* (২০০৩); ড° দিলীপ বৰাৰ *তুলনাত্মক সাহিত্য* (২০০৩); ড° প্ৰফুল্ল কুমাৰ নাথৰ *তুলনামূলক ভাৰতীয় সাহিত্য ঃ বিচাৰ আৰু বিশ্লেষণ* (২০০৫); ড° কৰবী ডেকা হাজৰিকা আৰু ড° পল্লৱী ডেকা বুজৰবৰুৱাৰ যুটীয়াভাৱে *তুলনামূলক সাহিত্য ঃ বিকাশ আৰু বিৱৰ্তন* (২০০৮); ড° পল্লৱী ডেকা বুজৰবৰুৱাৰ *তুলনামূলক সাহিত্যতত্ত্ব* (২০১৩) ইত্যাদি গ্ৰন্থৰ প্ৰকাশে অসমত তুলনাত্মক সাহিত্য অধ্যয়নৰ দিশত এক আয়তন প্ৰদান কৰিছে।

অসমত তুলনাত্মক সাহিত্যৰ অধ্যয়নে বিদ্যায়তনিক অনুশাসন হিচাপে ১৯৯২ চনত স্বীকৃতি লাভ কৰে। পোনপ্ৰথম ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীত এটি শাখা হিচাপে আৰম্ভ হোৱা তুলনাত্মক সাহিত্যৰ অধ্যয়নে পৰৱৰ্তী সময়ত স্নাতক মহলাৰ অসমীয়া সন্মানীয় বিষয়ৰ

পাঠ্যক্ৰমত স্থান লাভ কৰে। ২০০১ চনত গুৱাহাটী বিশ্ববিদ্যালয়েও স্নাতকোত্তৰ শ্ৰেণীৰ অসমীয়া পাঠ্যক্ৰমত তুলনাত্মক সাহিত্য সংযোজন কৰি পিছত বিষয়টো স্নাতক শ্ৰেণীৰ অসমীয়া সন্মানীয় বিষয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰে। ইয়াৰ ফলত অসমত তুলনাত্মক সাহিত্যৰ তাত্ত্বিক দিশৰ অধ্যয়নে গতিশীলতা লাভ কৰে।

## তুলনাত্মক সাহিত্যৰ প্ৰায়োগিক অধ্যয়ন

অসমত তুলনাত্মক সাহিত্যৰ প্ৰায়োগিক অধ্যয়ন আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়োধৰণেৰে সম্পাদন হোৱা পৰিলক্ষিত হয়। আনুষ্ঠানিকভাৱে ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে স্নাতকোত্তৰ অসমীয়া বিষয়ৰ পাঠ্যক্ৰমৰ উপৰিও স্নাতক মহলাৰ অসমীয়া সন্মানীয় বিষয়ৰ শিক্ষাৰ্থীসকলে বিষয়টোৰ অনুশীলন কৰিব পৰাকৈ পাঠ্যক্ৰম প্ৰস্তুত কৰিছে। তদুপৰি বিশ্ববিদ্যালয় দুখনৰ সাহিত্যৰ বিভাগসমূহে পিএইচ. ডি, এম. ফিল, লঘু গৱেষণা প্ৰকল্প, গুৰু গৱেষণা প্ৰকল্প আদি শৈক্ষিক কৰ্মসূচীৰ অধীনত তুলনাত্মক সাহিত্যৰ প্ৰায়োগিক অনুশীলনত গুৰুত্ব প্ৰদান কৰিছে। এই অনুশীলন প্ৰধানকৈ দুটা দিশত সম্পাদিত হৈছে—

(ক) অসমীয়া সাহিত্য আৰু পশ্চিমীয়া সাহিত্য

(খ) অসমীয়া সাহিত্য আৰু ভাৰতৰ অন্য প্ৰাদেশিক ভাষাৰ সাহিত্য

অসমত সাৰস্বত মহলৰ ব্যক্তিগত প্ৰচেষ্টাত তুলনাত্মক সাহিত্যৰ প্ৰায়োগিক অনুশীলনে এক গতি লাভ কৰিবলৈ সক্ষম হৈছে। বহুতে পূৰ্ণাংগ ৰূপত গ্ৰন্থ ৰচনাৰে আৰু বহুতে আলোচনী বা সম্পাদিত গ্ৰন্থৰ পাতত প্ৰবন্ধ ৰচনাৰে বিষয়টোৰ অধ্যয়ন অব্যাহত ৰাখিছে। এই ধৰণৰ অধ্যয়নে বিশেষভাৱে চাৰিটা দিশত আলোকপাত কৰিছে—

(ক) অসমীয়া সাহিত্যৰ ভিতৰতে অধ্যয়ন[৩]

(খ) অসমীয়া সাহিত্য আৰু সংস্কৃত সাহিত্য

(গ) অসমীয়া সাহিত্য আৰু পাশ্চাত্য সাহিত্য

(ঘ) অসমীয়া সাহিত্য আৰু ভাৰতৰ অন্য প্ৰাদেশিক ভাষাৰ সাহিত্য

## অসমত তুলনাত্মক সাহিত্য অধ্যয়নৰ উপেক্ষিত দিশ

অসমত বৰ্তমান তুলনাত্মক সাহিত্যৰ অধ্যয়নে তাত্ত্বিক আৰু প্ৰায়োগিক

উভয় ক্ষেত্ৰতে আশানুৰূপ ধৰণেৰে অগ্ৰগতি লাভ কৰিব পৰা নাই। বহুতো দিশত যথাযোগ্য গুৰুত্ব দিয়া হোৱা নাই আৰু বহুবোৰ দিশ উপেক্ষিত হৈ ৰৈছে। অসমত বহুভাষিক আৰু বহু সাংস্কৃতিক জনগোষ্ঠীয় পৰম্পৰা থকা স্বত্বেও অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ পটভূমিত জনগোষ্ঠীয় ভাষা-সাহিত্য-সংস্কৃতিৰ অধ্যয়ন অনানুষ্ঠানিক দিশত সীমিত ৰূপত হোৱা দেখা যায় যদিও আনুষ্ঠানিক দিশত এই ক্ষেত্ৰখন সম্পূৰ্ণৰূপে উপেক্ষিত। ইয়াৰ প্ৰধান কাৰণ হৈছে অসমৰ আঞ্চলিক বৈশিষ্ট্যৰ উপযোগী সুনিৰ্মিত কৰ্মপদ্ধতিৰ অভাৱ। প্ৰকৃততে ইয়াক সৰ্বভাৰতীয় প্ৰেক্ষাপটৰপৰা নিলগাই চাব নোৱাৰি। এতিয়ালৈকে ভাৰতত তুলনাত্মক সাহিত্যৰ সুস্পষ্ট লক্ষ্য, কৰ্ম পদ্ধতি সম্বলিত এক অধ্যয়ন কৰ্মসূচী গঢ় লৈ উঠা নাই। প্ৰথম অৱস্থাত বহুতো ভাৰতীয় তুলনা বিশাৰদে তুলনাত্মক সাহিত্যৰ পশ্চিমত নিৰ্মিত আৰ্হিকে ভাৰতৰ ক্ষেত্ৰতো প্ৰয়োগ কৰাৰ পোষকতা কৰিছিল যদিও বৰ্তমান প্ৰায় সকলো তুলনাবিশাৰদেই সম্পূৰ্ণ ভাৰতীয় আৰ্হি এটা গ্ৰহণৰ বিষয়ে চিন্তা চৰ্চা কৰিছে। যিটো আৰ্হি নিৰ্মিত হ'ব ভাৰতৰ সাহিত্যিক-সাংস্কৃতিক পৰম্পৰা, বহুভাষিক আৰু বহু সংস্কৃতিপুষ্ট সমাজ আৰু উত্তৰ ঔপনিৱেশিক ৰাজনৈতিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত। ইতিমধ্যে ভাৰতৰ বিভিন্ন প্ৰান্তত গঢ় লৈ উঠা তুলনাত্মক সাহিত্য অধ্যয়নৰ পৰম্পৰাসমূহেও হয়তো কালক্ৰমত এক সুসমন্বিত ভাৰতীয় আৰ্হি নিৰ্মাণ কৰি তুলনাত্মক ভাৰতীয় সাহিত্যৰ অধ্যয়নক এক নতুন মাত্ৰা প্ৰদান কৰিব। এই দৃষ্টিকোণৰপৰা ভাৰতৰ বিভিন্ন অঞ্চলত হৈ থকা তুলনাত্মক সাহিত্য অধ্যয়নৰ কাম-কাজসমূহৰ এক গুৰুত্ব আছে। সেইবাবেই অসমৰ ক্ষেত্ৰত গ্ৰহণযোগ্য হ'ব পৰাকৈ তুলনাত্মক সাহিত্য অধ্যয়নৰ এক কৰ্মসূচী প্ৰস্তাৱ কৰা হৈছে।

**অসমৰ পটভূমিত তুলনাত্মক সাহিত্যৰ কৰ্মসূচী**

অসমৰ পৰিপ্ৰেক্ষিতত গুৰুত্বপূৰ্ণ দিশসমূহৰ অন্তৰ্ভুক্তিৰে অসমত তুলনাত্মক সাহিত্য অধ্যয়নৰ এক প্ৰাথমিক কৰ্মসূচী প্ৰস্তাৱ কৰিব পাৰি। প্ৰস্তাৱিত কৰ্মসূচীত লক্ষ্য নিৰূপণ, অধ্যয়নৰ ক্ষেত্ৰ নিৰ্বাচন আৰু অধ্যয়ন পদ্ধতি নিৰ্দ্ধাৰণ— এই তিনিটা দিশ থাকিব।

**লক্ষ্য নিৰূপণ**

(ক) অসমৰ বিভিন্ন জনগোষ্ঠীয় ভাষাৰ সাহিত্যৰ তুলনাত্মক অধ্যয়নৰ

যোগেদি বিভিন্ন জনগোষ্ঠীৰ মাজৰ ঐক্যসূত্রসমূহ উদ্‌ঘাটনৰ দ্বাৰা অসমৰ ঐক্য সুদৃঢ় কৰাক প্রাৰম্ভিক লক্ষ্য হিচাবে নিৰূপণ কৰিব পাৰি।

(খ) 'বহু ভাষাৰে অভিব্যক্তি লাভ কৰিলেও সমগ্র ভাৰতৰে সাহিত্য মূলতে এক'[৪]— এই ধাৰণাৰে অনুপ্রাণিত তুলনাত্মক ভাৰতীয় সাহিত্যৰ ৰাষ্ট্রীয় সংহতিৰ লক্ষ্যক দ্বিতীয় লক্ষ্য হিচাবে গ্রহণ কৰিব পাৰি।

(গ) 'পৃথিৱীৰ সমস্ত সাহিত্যকে একক সাহিত্য' বুলি ধৰি লৈ তুলনাত্মক সাহিত্যৰ বিশ্বমৈত্রীৰ লক্ষ্যক চূড়ান্ত লক্ষ্য হিচাবে নিৰূপণ কৰিব পাৰি।

**অধ্যয়নৰ ক্ষেত্র নির্বাচন**

অসমত তুলনাত্মক সাহিত্য অধ্যয়নৰ তিনিখন ক্ষেত্র নির্বাচন কৰিব পাৰি।

**প্রথম ক্ষেত্র ঃ** অসমীয়া সাহিত্যৰ লগত অসমৰ জনগোষ্ঠীয় ভাষাৰ সাহিত্যসমূহৰ আলোচনা।

**দ্বিতীয় ক্ষেত্র ঃ** অসমীয়া সাহিত্যৰ লগত ভাৰতৰ আন আন প্রাদেশিক ভাষাৰ সাহিত্যৰ আলোচনা।

**তৃতীয় ক্ষেত্র ঃ** অসমীয়া সাহিত্যৰ লগত বিশ্ব সাহিত্যৰ তুলনা।

**অধ্যয়ন পদ্ধতি নির্দ্ধাৰণ**

অসমত তুলনাত্মক সাহিত্য অধ্যয়নৰ ক্ষেত্র অনুসৰি বেলেগ বেলেগ অধ্যয়ন পদ্ধতিৰ আৱশ্যক হ'ব। কিন্তু বস্তুতাত্ত্বিক আৰু বিধাগত অধ্যয়ন পদ্ধতি তিনিওখন ক্ষেত্ৰতে প্রযোজ্য হ'ব। প্রথম আৰু দ্বিতীয় ক্ষেত্ৰত পৰম্পৰা অধ্যয়ন আৰু ইতিহাসমূলক অধ্যয়ন পদ্ধতি বিশেষভাৱে ফলপ্রসু হ'ব। তৃতীয় ক্ষেত্ৰত এতিয়ালৈকে প্রভাৱমূলক অধ্যয়নে আটাইতকৈ বেছি গুৰুত্ব লাভ কৰি আহিছে যদিও ই তৃতীয় বিশ্বৰ দেশসমূহৰ নীচাত্মিকা প্রৱণতাৰ পৰিচায়ক হোৱা বাবে স্বাভাৱিকতে উত্তৰ ঔপনিবেশিক সাহিত্যৰ উত্থানৰ যুগত ক্রমে গুৰুত্ব হেৰুৱাবলৈ ধৰিছে। এই দৃষ্টিভংগী এক আদর্শগতভাৱে প্রয়োজনীয়। তথাপি ঔপনিবেশিক অতীতৰ বাবেই পাশ্চাত্য সাহিত্যৰ প্রভাৱ ভাৰতীয়

সাহিত্যত পৰাটো এক ঐতিহাসিক সত্য। সেয়ে প্ৰভাৱ অধ্যয়নক তৃতীয় ক্ষেত্ৰৰপৰা একেবাৰে বাদ দিব নোৱাৰি। এই ক্ষেত্ৰৰ বাবে তুলনামূলক পদ্ধতি আৰু সাদৃশ্য সম্বন্ধমূলক পদ্ধতি বিশেষভাৱে ফলপ্ৰসু হ'ব। অধ্যয়নৰ ক্ষেত্ৰত কেৱল পাশ্চাত্যৰ সাহিত্যতত্ত্বকে আধাৰ হিচাবে নলৈ ভাৰতীয় সাহিত্য তথা শিল্পতত্ত্বকো আধাৰ হিচাবে ল'ব পাৰি। এই কথা তিনিওটা ক্ষেত্ৰৰ প্ৰসংগতে প্ৰযোজ্য। উদাহৰণস্বৰূপে ভাৰতীয় ৰসতত্ত্বৰ আধাৰত শ্বেইক্সপীয়েৰৰ *মাৰ্চেণ্ট অৱ্ ভেনিছ*ৰ বিচাৰ কৰিব নোৱাৰাৰ কোনো যুক্তিযুক্ততা নাই।

এই প্ৰাথমিক কৰ্মসূচী অনুসৰি তুলনাত্মক সাহিত্যৰ অনুশীলন কৰিলে হয়তো সুদীৰ্ঘকালৰ পৰীক্ষা-নিৰীক্ষা, গৱেষণা আৰু অভিজ্ঞতাৰ ভিত্তিত এক সুস্পষ্ট অধ্যয়ন আৰ্হি অসমত গঢ় লৈ উঠিব।

**উপসংহাৰ**

অসমত তুলনাত্মক সাহিত্যৰ গুৰুত্ব অপৰিসীম। তুলনাত্মক সাহিত্যৰ অনুশীলনক ফলপ্ৰসুভাৱে আগবঢ়াই নিবলৈ বহুতো কৰণীয় আছে। সুসংহত কৰ্মসূচীৰ বিষয়ে ইতিমধ্যে আলোচনা কৰা হৈছে। ইয়াৰ বাহিৰেও অনুবাদৰ দিশতো বহুতো কৰিবলগীয়া আছে। অসমৰ জনগোষ্ঠীয় ভাষাৰ সাহিত্যৰ তুলনাত্মক অধ্যয়নক প্ৰাথমিকতা দিয়াটো অতি আৱশ্যকীয় যদিও অসমীয়া বা ইংৰাজী ভাষালৈ অসমৰ জনগোষ্ঠীয় ভাষাৰ সাহিত্যসমূহৰ অনুবাদ পৰ্যাপ্ত পৰিমাণে হৈ নুঠালৈকে এই দিশত অগ্ৰসৰ হোৱাটো সম্ভৱপৰ নহয়। বৰ্তমান অসমীয়া ভাষাৰ সাহিত্যসমূহ কিছু পৰিমাণে জনগোষ্ঠীয় ভাষালৈ অনূদিত হৈছে যদিও জনগোষ্ঠীয় ভাষাৰ সাহিত্যসমূহ অসমীয়া বা ইংৰাজী ভাষালৈ অতি কম পৰিমাণেহে অনূদিত হৈছে। অনূদিত হোৱা সামান্য পৰিমাণৰ সাহিত্যকৃতি তুলনাত্মক সাহিত্যৰ অধ্যয়নৰ বাবে পৰ্যাপ্ত নহয়। এই ক্ষেত্ৰত 'অসম সাহিত্য সভা' আৰু 'অসমৰ জনগোষ্ঠীয় সাহিত্য সভা'সমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। মাতৃভাষাৰ লগতে অসমীয়া আৰু ইংৰাজী ভাষাত ব্যুৎপত্তি থকা অসমৰ জনগোষ্ঠীয় ব্যক্তিসকলে নিজৰ ভাষাৰ সাহিত্যৰ অনুবাদ কৰ্মক জাতীয় দায়িত্ব হিচাবে লোৱা প্ৰয়োজন।

ভাৰতীয় বিভিন্ন সাহিত্যসমূহৰ ইংৰাজী আৰু বাংলা অনুবাদ কিছু পৰিমাণে উপলব্ধ যদিও অসমীয়া ভাষাত এই সাহিত্যসমূহৰ অনুবাদ পৰ্যাপ্ত

নহয়। সেয়ে ‘সাহিত্য অকাডেমি’, ‘নেচনেল বুক ট্ৰাষ্ট’ আদি অনুষ্ঠানে এই দিশৰ প্ৰতি গুৰুত্ব দিয়াটো প্ৰয়োজন। তদুপৰি বৰ্তমান অসমৰ বিশ্ববিদ্যালয়সমূহত সাহিত্য বিভাগৰ এটা অংশ হিচাবে চলি থকা তুলনাত্মক সাহিত্য বিষয়টো এক স্বতন্ত্ৰ বিভাগ ৰূপে প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজন।

তুলনাত্মক সাহিত্যৰ প্ৰয়োজনীয়তা সম্পৰ্কে সচেতনতা সৃষ্টি কৰিব পৰা শৈক্ষিক গৱেষণা আৰু বৌদ্ধিক অনুশীলনেৰে বিষয়টো আগবঢ়াই নিয়াৰ ক্ষেত্ৰত বৌদ্ধিক মহল, বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম প্ৰস্তুতি সমিতি, জাতীয় অনুষ্ঠান আদিৰ সমন্বিত, পৰিকল্পিত প্ৰচেষ্টা সময়ৰ এক আহ্বান।

**প্ৰসংগ টোকা ঃ**

১. বিশিষ্ট হিন্দী সাহিত্যিক অজ্ঞেয় (সচ্চিদানন্দ বাৎস্যায়ন)ৰ ‘জয়দোল’ নামৰ গল্পটো অসমৰ ঐতিহাসিক চৰিত্ৰ জয়মতী আৰু ঐতিহাসিক কীৰ্তিচিহ্ন জয়দ’লক লৈ ৰচনা কৰা।

২. গ্ৰন্থখন পৰৱৰ্তী সময়ত *তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ* নামেৰে প্ৰকাশ হৈছে।

৩. এই প্ৰকাৰৰ অধ্যয়নত তুলনাত্মক সাহিত্যৰ আংশিক প্ৰয়োগহে ঘটে। কাৰণ ইয়াত তুলনাত্মক সাহিত্যৰ একক সাহিত্যিক (Monoliterary) পন্থা গ্ৰহণ কৰা হয়।

৪. সৰোজিনী নাইডু, সৰ্বপল্লী ৰাধাকৃষ্ণণ, ভি. কে. গোকক, সুনীতি কুমাৰ চেটাৰ্জী, নগেন্দ্ৰ আদিৰ বিভিন্ন ভাষণ আৰু ৰচনাৰ যোগেদি প্ৰতিষ্ঠা লাভ কৰা ভাৰতীয় সাহিত্যৰ ধাৰণা।

# সমসাময়িক অসমীয়া সাহিত্যৰ প্ৰতি প্ৰত্যাহ্বান

বিশ্বৰ ভিতৰতে ভাৰতীয় সাহিত্য আপোন মহিমাৰে ঐশ্বৰ্যশালী। কালিদাসৰ *অভিজ্ঞানম্ শকুন্তলম* নাটক জাৰ্মান পণ্ডিত গ্যেটেৰদ্বাৰা উচ্চ প্ৰশংসিত হোৱা আৰু ৰবীন্দ্ৰনাথে 'বিশ্বকবি'ৰ মৰ্যাদা পোৱাটো ইয়াৰ উৎকৃষ্ট উদাহৰণ। ভাৰতীয় সাহিত্য গৰিমাময় হোৱাৰ ক্ষেত্ৰত অসমীয়া সাহিত্যৰ ভূমিকাও উল্লেখযোগ্য। মহাপুৰুষ শংকৰদেৱৰ সাহিত্যই ভাৰতীয় সাহিত্যক গাম্ভীৰ্য প্ৰদান কৰাটো সচেতন ব্যক্তি মাত্ৰেই জ্ঞাত।

অসমীয়া সাহিত্যৰ ইতিহাস অতি প্ৰাচীন। খ্ৰীষ্টিয় দশম-একাদশ শতিকাতে অসমীয়া সাহিত্যৰ উদ্ভৱ হয়। সহজীয়া বৌদ্ধ-সিদ্ধাচাৰ্যসকলৰ ধৰ্ম সাধনৰ গীত 'চৰ্যাপদ'সমূহেই অসমীয়া লিখিত সাহিত্যৰ প্ৰাচীনতম নিদৰ্শন। উদ্ভৱ কালৰেপৰা অসমীয়া সাহিত্যই বিভিন্ন পৰ্যায় অতিক্ৰম কৰি বৰ্তমান অৱস্থাত উপনীত হৈছে।

সাধাৰণতে সাহিত্য বুলিলে পূৰ্বতে মৌখিক ৰূপত থকা আৰু সম্প্ৰতি লিখিত ৰূপ পোৱা সৃজনীমূলক ৰচনাসমূহৰ কথাই মনলৈ আহে। বৰ্তমান সাহিত্যৰ উল্লিখিত ধাৰণাটোৰ প্ৰতিয়েই প্ৰত্যাহ্বান আহি পৰাটো লক্ষ্য কৰিবলগীয়া। প্ৰাচীন কালত কিছুমান ৰচনাক সাহিত্যৰ পৰিধিৰপৰা আঁতৰত ৰখা হৈছিল। কিন্তু বৰ্তমান তেনেধৰণৰ ৰচনাও সাহিত্য বুলি স্বীকৃত হোৱাটো তাৎপৰ্যপূৰ্ণ। এই বিষয়ে ড° বিভাস চৌধুৰীয়ে আগবঢ়োৱা বক্তব্য উল্লেখযোগ্য। তেওঁ কৈছে— "যি লেখাক এশ বছৰৰ পূৰ্বে নিকৃষ্ট বুলি অৱজ্ঞা কৰাই নহয়, সাহিত্যৰ মুখ্যধাৰাত অন্তৰ্ভুক্তিৰ যোগ্য নহয় বুলি অস্বীকাৰ কৰা হৈছিল, তেনে লেখাক আজি জনপ্ৰিয় সাহিত্যৰ নামত আলোচনা কৰা হয়।" বৰ্তমান সাহিত্য সম্পৰ্কীয় ধাৰণাই সৃজনীশীল ৰচনাসমূহৰ লগতে তাৰ তত্ত্বকো সামৰি লোৱা কথা এই ক্ষেত্ৰত স্মৰণীয়।

এসময়ত অসমীয়া সাহিত্য ঐশ্বৰ্যময় আৰু গাম্ভীৰ্যপূৰ্ণ আছিল। বৰ্তমান বিভিন্ন দিশৰপৰা অহা প্ৰত্যাহ্বানে সেই ঐশ্বৰ্য আৰু গাম্ভীৰ্য বহু পৰিমাণে ম্লান পেলাইছে। বহুতো লেখকৰ ৰচনাৰ স্থায়িত্ব প্ৰশ্নৰ বিষয় হৈ পৰিছে। ভাষা, বিষয়বস্তু, আংগিক, শৈলী, ব্যঞ্জনা আদি বিভিন্ন দিশত অসমীয়া সাহিত্যই পূৰ্বৰ মৰ্যাদা হেৰুৱাবলগীয়া হোৱাটোৱে ভৱিষ্যতৰ এটা অশুভ ইংগিত বহন কৰিছে।

ভাষা আৰু সাহিত্যৰ সম্পৰ্ক নিকটতম। বিশুদ্ধ ভাষাৰ সফল প্ৰয়োগত লেখকৰ সূক্ষ্মদৃষ্টি নাথাকিলে সাহিত্য কেতিয়াও মহীয়ান হ'ব নোৱাৰে। অসমীয়া ভাষা গৌৰৱ কৰিব পৰাকৈ চহকী। এই ভাষাৰ শব্দৰ অপাৰ শক্তি আছে। চন্দ্ৰপ্ৰসাদ শইকীয়াই ক'বৰ দৰে— "অসমীয়া ভাষাৰ শব্দৰ শক্তি অপৰিমেয়। এইবোৰ শব্দৰ দ্বাৰা এই বসুন্ধৰাৰ সকলো মহৎ চিন্তা-ঘটনা, আৱিষ্কাৰৰ কথা আৰু কাহিনী সৰ্বব্যাপী ৰূপত প্ৰকাশ কৰিব পাৰি।" পিছে বৰ্তমান অসমীয়া লেখককুলৰ বহুতেই শুদ্ধ ভাষাজ্ঞানৰ অভাৱত সেই শক্তিক সাৰ্থক ৰূপ দিব পৰা নাই। ফলত ভাষাই হেৰুৱাইছে পূৰ্বৰ মহত্ত্ব। তদুপৰি সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব পৰাকৈ অসমীয়া ভাষাত নিভাঁজ ঘৰুৱা শব্দ আৰু আপোন শৈলী থকা স্বত্বেও লেখকসকলৰ অনা-অসমীয়া শব্দ আৰু শৈলীৰ প্ৰতি অহেতুক আকৰ্ষণ অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি এটা ডাঙৰ প্ৰত্যাহ্বান। এখন ৰচনাত ড° মহেন্দ্ৰ বৰাই এই দিশটোৰ প্ৰতি এনেদৰে দৃষ্টিপাত কৰিছে— "কিছুদিনৰ পৰা আমাৰ চকুত পৰিছে, আমাৰ ভাষালৈ এটি বঙলুৱা ঠাঁচ সোমাবলৈ লৈছে, অসমীয়া কথা সাহিত্যত বাক্যৰ গাঁথনিয়ে আপোন বৈশিষ্ট্য আৰু লালিত্য হেৰুওৱাৰ উপক্ৰম হৈছে। অকল সেয়ে নহয়, আখৰ জোঁটনিতো বাৰুকৈয়ে জঁট লাগিছে।" তদুপৰি বৰ্তমান নতুন প্ৰজন্মক মাত ফুটিবলৈ আৰম্ভ হোৱাৰে পৰা ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়া-শুনা আৰম্ভ কৰিবলৈ বাধ্য কৰোৱা অভিভাৱকসকলেও অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি অশুভ ইংগিত কঢ়িয়াই আনিছে।

বিষয়বস্তুৰ দিশৰপৰাও অসমীয়া সাহিত্য গভীৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। সাহিত্যৰ বিষয়বস্তু মানৱ জীৱন আধাৰিত। মানুহৰ চিন্তা-চেতনা, আবেগ-অনুভূতি, পাৰস্পৰিক সম্পৰ্ক আদিয়েই সাহিত্যৰ বিষয়বস্তু। সম্প্ৰতি বস্তুবাদী সভ্যতাৰ প্ৰভাৱত মানুহৰ চিৰন্তন অনুভূতিসমূহৰ দ্ৰুত পৰিৱৰ্তন

হৈছে। যন্ত্ৰ যুগৰ অৰ্থ সৰ্বস্ব সংস্কৃতিয়ে মানুহৰ চিন্তন-মননৰ জগতখনতো আলোড়নৰ সৃষ্টি কৰিছে। ফলত সাহিত্যত প্ৰতিফলন ঘটিছে বন্ধ্যা জীৱনৰ চিত্ৰ। তদুপৰি সাহিত্যই উচ্চতৰ জীৱনাদৰ্শ আৰু প্ৰগতিৰ মহামন্ত্ৰ হেৰুৱাইছে।

লেখক হৈছে শব্দৰ খনিকৰ। শব্দ শক্তিক প্ৰাণৱন্ত ৰূপ দিয়াৰ ক্ষেত্ৰত লেখক সদায় ব্যস্ত থাকে। সেয়ে তেওঁ অধিক সময় অতিবাহিত কৰে গ্ৰন্থ অধ্যয়ন আৰু মননশীল চিন্তা-ভাৱনাত। লেখক যিহেতু পাঠকৰ ওচৰত দায়বদ্ধ, সেয়ে পাঠকৰ ৰুচিবোধৰ প্ৰতি সজাগ দৃষ্টি ৰাখি একাগ্ৰ সাধনাৰে তেওঁ সাহিত্য সৃষ্টিত গুৰুত্ব দিব লাগে। গভীৰ জীৱনবোধ আৰু অধ্যয়নমুখী মানসিকতাই লেখকক মহৎ সাহিত্য সৃষ্টিৰ বাবে প্ৰেৰণা যোগায়। প্ৰসংগক্ৰমে ড° কৰবী ডেকা হাজৰিকাৰ বক্তব্য প্ৰণিধানযোগ্য— "অন্তৰ্দৃষ্টি পাঠকৰ ৰুচিবোধৰ প্ৰতি সজাগতা, লেখাৰ কৌশল, তাৰ লগতে নান্দনিক তুলিকাৰ শেষ টান— এইবোৰৰ সংমিশ্ৰণত সৃষ্টি হ'ব পাৰে যুগজয়ী সাহিত্যৰ।" কিন্তু সম্প্ৰতি নতুন প্ৰজন্মৰ লেখকৰ বহুতৰেই জীৱনবোধৰ গভীৰতাৰ অভাৱ। ইয়াৰ মূল কাৰণ হৈছে অধ্যয়নবিমুখ প্ৰৱণতা। সেয়ে লেখাৰ কৌশল আয়ত্ত কৰা আৰু ৰুচিবান পাঠকৰ চাহিদা পূৰণ কৰা— এই দুয়ো ক্ষেত্ৰতে নতুন লেখকৰ বহুতেই ব্যৰ্থ হৈছে। ফলত সাহিত্যই নতুনত্ব হেৰুৱাইছে। তদুপৰি সস্তীয়া জনপ্ৰিয়তা লাভৰ অঘোষিত প্ৰতিযোগিতাত বৰ্তমানৰ লেখকসকলৰ বহুতেই ব্যস্ত হৈ পৰিছে। গতিকে সংখ্যাগত দিশত সাহিত্যৰ শ্ৰীবৃদ্ধি হৈছে যদিও গুণগত দিশত সাহিত্যৰ অৱস্থা পুতৌজনক।

সময়ৰ আহ্বান আৰু তথ্য প্ৰযুক্তিৰ দ্ৰুত উন্নয়ন সমসাময়িক অসমীয়া সাহিত্যৰ প্ৰতি পৰ্বতসদৃশ প্ৰত্যাহ্বানস্বৰূপ। সাহিত্যৰ ওপৰত সময়ৰ প্ৰভাৱ অপৰিসীম। সেয়ে সাহিত্যৰ গতিপথ নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত সময়ৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। পিছে সাম্প্ৰতিক সময় ক্ৰমশঃ জটিলৰপৰা জটিলতৰ হৈ পৰিছে। স্থূল সম্পদ আহৰণৰ প্ৰতিযোগিতাত মানুহৰ ব্যস্ততা বাঢ়িছে। গতিকে সাহিত্য অধ্যয়নৰ দৰে বিষয়বোৰৰ চৰ্চা কৰিবলৈ মানুহৰ সময়ৰ অভাৱ হৈছে। তদুপৰি বৈজ্ঞানিক আৱিষ্কাৰৰ ফলত হোৱা তথ্য-প্ৰযুক্তিৰ দ্ৰুত প্ৰসাৰে সমাজত মনোৰঞ্জনৰ অন্যান্য আকৰ্ষণীয় মাধ্যমসমূহ সহজলভ্য কৰি তুলিছে। ফলস্বৰূপে হ্ৰাস পাই আহিছে সাহিত্য অধ্যয়নৰ প্ৰতি ধাউতি। পূৰ্বতে পাঠকে লেখকৰ অনুসন্ধান কৰিছিল। কিন্তু বৰ্তমান সময়ৰ পৰিৱৰ্তন হৈছে। এতিয়া লেখক

ফুৰিব লগা হৈছে পাঠকৰ অনুসন্ধানত।

এসময়ত ৰজাঘৰীয়া পৃষ্ঠপোষকতাই অসমীয়া সাহিত্যৰ সমৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। প্ৰাক্ শংকৰী যুগৰ অপ্ৰমাদী কবি মাধৱ কন্দলিয়ে বৰাহীৰজা মহামাণিক্যৰ অনুপ্ৰেৰণাত বাল্মীকি ৰামায়ণ অসমীয়া ভাষালৈ অনুবাদ কৰিছিল। কিন্তু বৰ্তমান সাহিত্যিকৰ প্ৰতি ৰজাঘৰীয়া অনুপ্ৰেৰণা মুঠেই নাই। চৰকাৰী প্ৰতিষ্ঠান 'অসম প্ৰকাশন পৰিষদ'ৰ প্ৰসংগ এইক্ষেত্ৰত উল্লেখযোগ্য।

মানুহৰ ভাষা শিক্ষণৰ ক্ষমতা সীমাবদ্ধ। সেয়ে বিভিন্ন ভাষাৰ সাহিত্যৰ কাষ চাপিবলৈ হ'লে অনুবাদৰ সহায় ল'বলগীয়া হয়। কিন্তু অসমীয়া ভাষাত অনুবাদ সাহিত্যৰ পুতৌজনক অৱস্থা। ফলত অসমীয়া সাহিত্য সমসাময়িক বিশ্বসাহিত্যৰ নতুন নতুন চিন্তা-চেতনা, সাহিত্যৰ তত্ত্ব আদিৰ সম্পৰ্কে অৱগত হ'ব পৰা নাই। গতিকে অসমীয়া সাহিত্য বহুতো দিশত স্থবিৰ হৈ পৰিছে।

সমসাময়িক অসমীয়া সাহিত্যলৈ উপৰ্যুপৰি অহা প্ৰত্যাহ্বানবোৰে সাহিত্যৰ গতিপথত আউল লগাইছে। সেই প্ৰত্যাহ্বানবোৰৰ সন্মুখত সাহস আৰু ধৈৰ্যৰে থিয় নহ'লে অসমীয়া জাতীয় চৈতন্যৰ প্ৰতিয়েই ভাবুকি অহাৰ সম্ভাৱনা প্ৰকট। 'অসম সাহিত্য সভা' আৰু 'শ্ৰীমন্ত শংকৰদেৱ সংঘ'ৰ দৰে বৃহৎ সংগঠনসমূহে সময় থাকোঁতেই সুস্থিৰ পদক্ষেপ গ্ৰহণ কৰাটো একান্তই প্ৰয়োজনীয়। তদুপৰি অসম সত্ৰ মহাসভা, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'অসমীয়া বিভাগে' এইক্ষেত্ৰত পূৰ্ণাংগ কৰ্ম আঁচনি গ্ৰহণ কৰি তাক কাৰ্যকৰী কৰাৰ বাবে ব্যৱস্থা গ্ৰহণৰ সময়ো সমাগত।

# ভাষা-সংস্কৃতি

# অসমীয়া ভাষা ঃ
# প্ৰত্যাহ্বান আৰু প্ৰতিকাৰ

### অৱতৰণিকা

ভাৰতবৰ্ষৰ উত্তৰ-পূৱ প্ৰান্তত অৱস্থিত 'অসম' নামৰ এই ভূখণ্ডত প্ৰচলিত অসমীয়া ভাষাৰ এটা গৌৰৱময় ঐতিহ্য আৰু সুদৃঢ় পৰম্পৰা আছে। হাজাৰ বছৰীয়া ইতিহাসেৰে চহকী অসমীয়া ভাষাৰ শিপা যথেষ্ট শক্তিশালী। পৃথিৱীৰ সৰ্ববৃহৎ ভাষাগোষ্ঠী ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰপৰাই অসমীয়া ভাষাৰ জন্ম হৈছে। সেই সূত্ৰে অসমীয়া ভাষা পৃথিৱী বিখ্যাত ইংৰাজী, ফৰাচী, ৰুচীয় আদি ভাষাৰ সৈতে একে উৎস সম্ভূত।

ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত ভাৰতীয় আৰ্য ভাষাৰপৰা উদ্ভৱ হৈ যাত্ৰা পথত আৰ্য ভিন্ন ভাষাৰো সমল গ্ৰহণ কৰি অসমীয়া ভাষাই স্বকীয়তা প্ৰতিপন্ন কৰি আহিছে। খৃষ্টীয় সপ্তম শতিকাতে চীনা পৰিব্ৰাজক হিউয়েনচাঙে 'কামৰূপ' (বৰ্তমান অসম)ৰ ভাষাৰ পৃথক বৈশিষ্ট্যৰ কথা উল্লেখ কৰি গৈছে।[১] বৰ্তমান বিভিন্ন আৰ্থ-সামাজিক আৰু ৰাজনৈতিক কাৰণত অসমীয়া ভাষা গভীৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাত ভাষাটোৰ স্বকীয়তা হেৰোৱাৰ উপক্ৰম হৈছে।

### অসমীয়া ভাষাৰ প্ৰত্যাহ্বানৰ ইতিহাস

অসমীয়া ভাষা পোনপ্ৰথমবাৰৰ বাবে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল বৃটিছ যুগত। ১৮৩৬ চনত ৰবিনছন[২], ৰেভিনিউ কমিছনাৰ জেনকিনছ[৩], হপকিনছন[৪] আদি উচ্চ ইংৰাজ বিষয়াৰ তৎপৰতাত অসমৰ চৰকাৰী প্ৰতিষ্ঠানৰপৰা অসমীয়া ভাষা আঁতৰাই বাংলা ভাষা প্ৰৱৰ্তন কৰা হ'ল। ফলত অসমীয়া ভাষাৰ স্থিতি আৰু বিকাশ বৃহৎ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ল। নাথান ব্ৰাউন, মাইলছ ব্ৰন্সন, অলিভাৰ টি কট্টাৰ আদি কেইগৰাকীমান আমেৰিকান মিছনেৰীৰ প্ৰচেষ্টাত

১৮৭১ চনত অসমীয়া ভাষাৰ পুনৰুদ্ধাৰ সম্ভৱ হ'ল। তদুপৰি ১৯৬০ চনত অসমীয়া ভাষা প্ৰয়োগৰ বাবে ভাষা আন্দোলন আৰু ১৯৭২ চনত উচ্চ শিক্ষাৰ ক্ষেত্ৰত অসমীয়া ভাষা ব্যৱহাৰৰ বাবে মাধ্যম আন্দোলন কৰিবলগীয়া হোৱাটোৱে অসমীয়া ভাষাই সময়ে সময়ে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা কথাকে প্ৰতীয়মান কৰে।

**সাম্প্ৰতিক প্ৰত্যাহ্বান**

অসমীয়া ভাষা প্ৰয়োগৰ ক্ষেত্ৰখন সম্প্ৰতি সংকুচিত হৈ পৰিছে। এসময়ত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰে সংযোগী ভাষাৰূপে গুৰুত্ব পোৱা অসমীয়া ভাষাৰ স্থান বৰ্তমান হিন্দী আৰু ইংৰাজী ভাষাই দখল কৰিছে। তদুপৰি অসমৰ ৰাজনৈতিক চাৰিসীমাৰ ভিতৰৰো কিছুমান ঠাইত অসমীয়া ভাষাৰ সলনি বাংলা ভাষাই প্ৰাধান্য পাই আহিছে।

অপ্ৰয়োজনত বিদেশী শব্দৰ আমদানি অসমীয়া ভাষাৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান। প্ৰয়োজনত অৰ্থাৎ অভাৱ পূৰণ কৰিবৰ বাবে অন্য ভাষাৰপৰা শব্দ গ্ৰহণ কৰি এটা ভাষা সমৃদ্ধ হ'ব পাৰে। কিন্তু অপ্ৰয়োজনত আন ভাষাৰপৰা শব্দ আমদানি কৰিলে ভাষাৰ বিলুপ্তি ঘটাৰ সম্ভাৱনাহে প্ৰকট হৈ পৰে। অসমীয়া ভাষাত মনৰ ভাৱ প্ৰকাশ কৰিব পৰাকৈ অনুপম শব্দ সম্ভাৰ থকাৰ পাছতো বিদেশী ভাষাৰ পৰা শব্দৰ আমদানি কৰি থকাৰ বাবে বহুতো থলুৱা শব্দ হেৰাই যোৱাৰ উপক্ৰম হৈছে। অসমীয়া ভাষাৰ সম্বোধনসূচক শব্দ বৰদেউতা, বৰতা, বৰপায়, খুড়া, দদাই, দাই, মহা, মামা, জেঠো, তাঁৱৈ, পেহা, নিচা আদিক ইংৰাজী ভাষাৰ 'আংকল' শব্দ আৰু বৰমা, বৰবৌ, বৰবৌটি, খুড়ী, মাহী, মামী, জেঠাই, আমৈ, পেহী, আপা আদি শব্দক ইংৰাজী ভাষাৰ 'আণ্টি'ৰে সামৰি পেলোৱা হৈছে। ইয়াৰ ফলত অসমীয়া সংস্কৃতিৰ সোণসেৰীয়া সম্বন্ধসমূহৰ বিলুপ্তি ঘটাৰ লগতে অসমীয়া ভাষাৰ শব্দসমূহৰ ব্যৱহাৰ শূন্য হৈ পৰিছে।

ইংৰাজী ভাষাৰ লগতে হিন্দী আৰু বাংলা ভাষাৰ শব্দৰ আগ্ৰাসনে অসমীয়া ভাষাৰ স্বকীয়তাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। অসমীয়া ভাষাৰ ধান দায়, ঘৰ সাজে, ৰাস্তা বান্ধে, চাহ তপতায়, ভাত ৰান্ধে, পাচলি কুটে, মাছ বাছে, দাড়ি খুড়ায়, পিঠা ভাজে আদি খণ্ড বাক্য বাংলা আৰু হিন্দী

ভাষাৰ ‘বনা’ আৰু ‘কাট’ ধাতুৰ অপপ্ৰয়োগ কৰি অসমীয়া ভাষাত ধান কাটে, পাচলি কাটে, মাছ কাটে, দাড়ি কাটে, ঘৰ বনায়, ৰাস্তা বনায়, চাহ বনায়, ভাত বনায়, পিঠা বনায় আদি ৰূপত প্ৰকাশ কৰাত ভাষাটো বিকৃত হোৱাৰ লগতে নিজস্ব বৈশিষ্ট্য হেৰোৱাৰ উপক্ৰম হৈছে।

অসমীয়া মাধ্যমৰ চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহৰ দুৰাৱস্থা অসমীয়া ভাষাৰ প্ৰতি এক বৃহৎ প্ৰত্যাহ্বান। বিদ্যালয়সমূহৰ শৈক্ষিক আৰু অনা শৈক্ষিক উভয় দিশতে থকা দুৰ্বলতাৰ বাবেই সচেতন অভিভাৱকসকলে নিজৰ সন্তানক ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়ত নামভৰ্ত্তি কৰাবলৈ বাধ্য হৈছে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীৰ অভাৱত বহুতো অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয় বন্ধ হৈ গৈছে আৰু কিছুমান বন্ধ হোৱাৰ পথত। আনহাতে ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহত অসমীয়া ভাষাটো গুৰুত্ব সহকাৰে শিকোৱাৰ ব্যৱস্থা নাই। ইয়াৰ ফলত অসমীয়া ভাষাটো শুদ্ধকৈ ক'ব আৰু লিখিব নজনা এক নতুন প্ৰজন্ম সৃষ্টিৰ বাট মুকলি কৰি দিয়া হৈছে। ব্যক্তিগত খণ্ডত গঢ় লৈ উঠা ‘শংকৰদেৱ বিদ্যা নিকেতন’ আৰু ‘অসম জাতীয় বিদ্যালয়’ৰ দৰে মুষ্টিমেয় অসমীয়া মাধ্যমৰ বিদ্যালয় কেইখনে অসমীয়া মাধ্যমত শিক্ষাদানৰ ব্যৱস্থা কৰাৰ লগতে অসমীয়া ভাষাটোক শুদ্ধকৈ শিকোৱাৰ প্ৰয়াস কৰি আহিছে। কিন্তু সিও এপাচি শাকত এটা জালুকৰ দৰে।

বিশ্বায়নৰ প্ৰভাৱত আৰ্থ সামাজিক পৰিৱৰ্তন পৃথিৱীৰ সকলো ঠাইতে হৈছে। এক ভাষা, এক সংস্কৃতি, এক অৰ্থনীতি, এক মতাদৰ্শৰে গোটেই পৃথিৱীখনকে সামৰিব বিচৰা হৈছে। বিশ্ব ভাষাৰূপে স্থান লাভৰ লক্ষ্যৰে অগ্ৰসৰ হোৱা ইংৰাজী ভাষাৰ আগ্ৰাসনে ভাৰতীয় ভাষাসমূহৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। অসমীয়া ভাষাও ইয়াৰ ব্যতিক্ৰম নহয়। একবিংশ শতিকাৰ শেষৰফালে ভাৰতীয় ভাষাৰ কেৱল হিন্দী আৰু উৰ্দুহে বাচি থাকিব বুলি পণ্ডিতসকলে ধাৰণা কৰিছে।[৫]

অসমীয়া ভাষাৰ বাক্যত ইংৰাজী শব্দৰ আধিক্য, ভুল অৰ্থত ইংৰাজী শব্দৰ প্ৰয়োগ, ইংৰাজী শব্দৰে সন্তানৰ নামকৰণ, অসমীয়া নামবাচক শব্দবোৰক ইংৰাজীৰ দৰে উচ্চাৰণ আদি প্ৰৱণতাই অসমীয়া ভাষাৰ প্ৰতি এক নতুন প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। তলত উল্লেখ কৰা উদাহৰণসমূহ এই ক্ষেত্ৰত বিশেষভাৱে প্ৰণিধানযোগ্য।

**১। অসমীয়া বাক্যত ইংৰাজী শব্দৰ আধিক্য**

(ক) "অসমৰ এম. পি. সকলে ষ্টেইটখনৰ মেইন প্ৰব্লেমবিলাক পাৰ্লিয়ামেণ্টত ষ্ট্ৰংলি প্লেইছ কৰাত ফেইলিয়াৰ হোৱাৰ বাবে ছেণ্টাৰে অসমক নেগলেক্ট কৰি আহিছে।"

(খ) "এটা পাৰিবাৰিক ইউনিটৰপৰা একাধিক ইউনিটৰ সৃষ্টি হয়। প্ৰতিটো ইউনিটৰ জীৱনধাৰা, আয়-ইনকাম ভিন্ ভিন্ হয়। ..... হিন্দু আনদিভাইদেদ ফেমিলিৰ কনছেপ্ট এতিয়া এটা আওপুৰণি ধাৰণা।"

**২। ভুল অৰ্থত ইংৰাজী শব্দৰ প্ৰয়োগ**

(ক) অসময়ত লাইন (বৈদ্যুতিক প্ৰৱাহ)টো গ'ল।

(খ) লাইনমেন (বৈদ্যুতিন সৰঞ্জামৰ কাৰিকৰী জ্ঞান থকা লোক) জন আহিল।

**৩। ইংৰাজী শব্দৰে সন্তানৰ নামকৰণ**

ৰেইনী, ৰিয়ান, ৰিছান, আৰিয়ান, এলেন, জুলিয়েন, জেপোলিনা, এঞ্জেল, ৰাছেল ইত্যাদি।

**৪। অসমীয়া নামবাচক শব্দৰ ইংৰাজী উচ্চাৰণ**

প্ৰতীক্ষা (প্ৰতীকচা), সাগৰিকা (চাগৰিকা), সুৰেন (চুৰেন), সুনীল (চুনীল), সুনয়না (চুনয়না), শশী (চচী), শিশিৰ (চিচিৰ), অনসূয়া (অনচুয়া) ইত্যাদি।

এটা ভাষা সমৃদ্ধ হোৱাৰ ক্ষেত্ৰত ভাষাটোৰ ফকৰা যোজনা আৰু প্ৰৱচনসমূহৰ অপৰিসীম গুৰুত্ব আছে। অসমীয়া ভাষাৰ 'দহৰ জ্ঞান একৰ বাণী' ৰূপে খ্যাত প্ৰবচনসমূহে বক্তব্য বিষয়ক অধিক অৰ্থৱহ কৰি তোলাৰ লগতে কওঁতাজনৰ বুদ্ধিদীপ্ততা আৰু পৰ্যৱেক্ষণ শক্তিৰ গভীৰতা প্ৰকাশ কৰি আহিছে। কিন্তু বৰ্তমান প্ৰজন্মই 'নাই ৰঙামাটি নাই গুৱাহাটী', 'এনেও কাণি তেনেও কাণি, শাকত দিও ভালকৈ পানী' আদি ধৰণৰ প্ৰবচনসমূহ ব্যৱহাৰ নকৰাৰ ফলত ভাষাটোৰ সৌন্দৰ্যৰ লগতে অৰ্থ প্ৰকাশক শক্তিও বহু পৰিমাণে হ্ৰাস পাইছে।

**প্ৰতিকাৰ**

**অসমীয়া ভাষা-প্ৰত্যাহ্বান আৰু প্ৰতিকাৰ**- সম্পৰ্কে কৰা আলোচনাৰপৰা

এটা কথা প্ৰতীয়মান হৈছে যে অসমীয়া ভাষাই বৃটিছ যুগৰপৰাই বিভিন্ন সময়ত বিভিন্ন ধৰণেৰে প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আহিছে যদিও সচেতন ব্যক্তিৰ সামূহিক প্ৰচেষ্টাৰ ফলত সেই প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰিবলৈও সক্ষম হৈছে। অসমীয়া ভাষাই বৰ্তমান সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰাৰ ক্ষেত্ৰতো জনসাধাৰণৰ সামূহিক প্ৰচেষ্টাৰে তলত উল্লেখ কৰা ব্যৱস্থাসমূহ গ্ৰহণ কৰিলে সুফল পোৱা যাব বুলি আশা কৰিব পাৰি—

১। অসমীয়া ভাষীসকল মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধাশীল হ'ব লাগিব। মাতৃভাষাৰ প্ৰতি সন্মানবোধৰ জন্ম হ'লেহে ভাষাটোৰ ব্যৱহাৰৰ ক্ষেত্ৰত ইতিবাচক ভূমিকা পালন কৰিব পাৰিব।

২। অনা অসমীয়া ব্যক্তিসকলৰ লগত অসমীয়া ভাষী সকলে আন্তৰিকাৰে ভাষিক যোগাযোগ প্ৰতিষ্ঠা কৰাৰ কাৰণে প্ৰয়াস কৰিব লাগিব।

৩। অসম সাহিত্য সভা, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ সাহিত্য বিভাগসমূহে অসমীয়া ভাষা সাহিত্যৰ প্ৰচাৰ, প্ৰসাৰ আৰু চৰ্চাৰ বাবে কৰ্মশালা, আলোচনা চক্ৰ আদি আয়োজন কৰাৰ লগতে বিশেষ পাঠ্যক্ৰম প্ৰৱৰ্তনৰ ব্যৱস্থা কৰিব পাৰে।

৪। অসমীয়া মাধ্যমৰ চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহৰ শিক্ষাৰ মান তথা গ্ৰহণযোগ্যতা বৃদ্ধিৰ কাৰণে চৰকাৰে দীৰ্ঘ ম্যাদী আঁচনি গ্ৰহণ কৰিব লাগিব।

৫। ব্যক্তিগত খণ্ডত গঢ় লৈ উঠা অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহক চৰকাৰী পৃষ্ঠপোষকতা প্ৰদান কৰি অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত অধিক পৰিমাণে ব্ৰতী হবলৈ অনুপ্ৰেৰণা যোগোৱাৰ ব্যৱস্থা কৰিব পাৰে।

৬। অসমীয়া ভাষাৰ ব্যৱহাৰযোগ্যতা বৃদ্ধি কৰাৰ কাৰণে অসমৰ অৰাজনৈতিক সংগঠন আৰু বে-চৰকাৰী স্বেচ্ছাসেৱী সংস্থাসমূহে হ্ৰস্ব ম্যাদী আঁচনি গ্ৰহণ কৰি তাক কাৰ্যকৰী কৰাৰ ব্যৱস্থা কৰিব পাৰে।

৭। অসমীয়া ভাষাৰ লেখকসকলে তেখেতসকলৰ ৰচনাত প্ৰচুৰ পৰিমাণে ফকৰা যোজনা আৰু প্ৰবাদ-প্ৰবচন ব্যৱহাৰ কৰি ভাষাটোৰ

প্ৰকাশিকা শক্তি বৃদ্ধি কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাব পাৰে। তদুপৰি দূৰদৰ্শনৰ অসমীয়া ধাৰাবাহিকসমূহৰ কৌতুক অভিনেতাসকলৰ মুখৰ বচনত প্ৰবাদ-প্ৰবচনক অগ্ৰাধিকাৰ দিলে নতুন প্ৰজন্মৰ মাজত এইবিলাকৰ গুৰুত্ব আৰু জনপ্ৰিয়তা বাঢ়িব বুলি আশা কৰিব পাৰি।

**উপসংহাৰ**

অসমীয়া ভাষাই বিভিন্ন সময়ত সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ সামূহিক প্ৰচেষ্টাৰ ফলতে অতিক্ৰম কৰি আহিবলৈ সক্ষম হৈছে। সাম্প্ৰতিক সময়তো অসমীয়াৰ সমষ্টি মনে সচেতনভাৱে কৰা সু-সংহত পৰিকল্পনাই ভাষাটোৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব পাৰে। এসময়ত বড়ো ভাষাই সন্মুখীন হোৱা সংকট দেখি বিশিষ্ট ভাষাবিদ ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে বড়ো ভাষাৰ বিলুপ্তিৰ সম্ভাৱনা ব্যক্ত কৰি অসম আৰু বংগদেশৰ বড়োসকল যথাক্ৰমে অসমীয়া ভাষী বড়ো আৰু বাংলা ভাষী বড়োত পৰিণত হ'ব বুলি ভৱিষ্যতবাণী কৰিছিল।[৬] কিন্তু সম্প্ৰতি সেইকথা অসত্য বুলি প্ৰমাণিত হৈছে। বৰ্তমান বড়ো ভাষাৰ উত্তৰণ শৈক্ষিক আৰু প্ৰায়োগিক উভয় ক্ষেত্ৰতে চমকপ্ৰদ। ইয়াৰ মূলতে হৈছে বড়ো ভাষীসকলৰ মাতৃভাষাৰ প্ৰতি থকা সন্মানবোধ আৰু দায়িত্ববোধ। অসমীয়া ভাষীসকলে মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধাৰ মনোভাৱ পোষণ কৰি ভাষাটোৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বিজ্ঞানসন্মত পৰিকল্পনাৰে আগবাঢ়িলে অসমীয়া ভাষাই প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰি সমৃদ্ধিশালী ৰূপত প্ৰতিষ্ঠা লাভ কৰিব পাৰিব।

**প্ৰসংগ টোকা**

১. "The people were of honest ways - their speech differed a little from that Mid India", P. C. Choudhury; *The History of Civilisation of the People of Assam to the Twelfth Century AD*, p. 184

২. ৰবিনছনৰ মতে "অসমৰ কথিত ভাষা বঙলাৰে সৈতে মূলতে একেই। ...অসমীয়া ভাষাটো বিশুদ্ধ বঙলাৰে বিকৃত ৰূপৰ উচ্চাৰণ মাথোন আৰু ইয়াৰ বৰ্ণ বিন্যাসৰো একো ঠিক নাই। ...পঢ়াশালিবোৰত বঙলাৰে

শিক্ষা দিলেই ল'ৰাই সহজে অমিল উচ্চাৰণ মিলাই উন্নত ভাষা শিকিব পাৰিব আৰু ক্ৰমান্বয়ে নানান জ্ঞান আহৰণ কৰিব পাৰিব।"— বেণুধৰ শৰ্মা, "আমেৰিকান বেপটিষ্ট মিছনৰ ঐতিহাসিক দান"; পৰীক্ষিত হাজৰিকা (সম্পা.) *প্ৰবন্ধ সৌৰভ*, পৃ. ১৬

৩. ৰেভিনিউ কমিচনাৰ জেনকিন্স চাহাবৰ বক্তব্য— "অসমত বঙলা ভাষা চলাবলৈ পৰমাৰ্শ দিয়াৰ গুৰিতে মই, মই বঙলাৰ পক্ষপাতী, মোৰ আদেশহে ৰবিনছনে পালন কৰিছে। ...অসমীয়া ভাষা শিক্ষাৰ বাহন কৰিব লাগিলে দেশৰ অধঃপতন হ'ব।"— *উল্লিখিত গ্ৰন্থ*, পৃ. ২৩

৪. অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ সময়ত হপ্‌কিনছনে বংগ দেশৰ শিক্ষা বিভাগৰ গুৰিয়াললৈ দিয়া চিঠিত লিখিছিল- "This seeking after an 'Assamese Language' either in the education or in any other department is the pursuit of an illusion." — শিৱনাথ বৰ্মন আৰু প্ৰসেনজিৎ চৌধুৰী, *'বাস্তৱ নে বিভ্ৰমঃ সমত বঙলা ভাষা প্ৰৱৰ্তনৰ ঐতিহাসিক উৎস সন্ধান';* পৃ. ৭

৫. G. N. Devy; *Aphasia : The Future of Memory*

৬. হোমেন বৰগোহাঞিঃ; *কথাৰ মূৰৰ কথা*, পৃ. ৯৩

# অসমত ভাষিক সংঘাত ঃ কাৰক আৰু প্ৰতিকাৰ

বহুভাষিক সমাজত ঐক্য আৰু শান্তি বৰ্তি থকাৰ ক্ষেত্ৰত ভাষাৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। ভাষিক উচ্চাত্মিকাৰ ফলত সৃষ্টি হোৱা সামাজিক বৈষম্য আৰু ত্ৰুটিপূৰ্ণ ভাষানীতি প্ৰৱৰ্তনৰ ফলত সৃষ্টি হোৱা উগ্ৰ জাতীয়তাবাদী চিন্তা-চেতনাই ভাষিক সংঘাতৰ সৃষ্টিত অৰিহণা যোগাব পাৰে। ভাষিক সংঘাতৰ ফলশ্ৰুতিত সমাজ বিভাজন হোৱাৰ উদাহৰণ বিশ্বৰ ইতিহাসত বহুত আছে। ছোভিয়েট ৰাছিয়া ভাগি-ছিগি যোৱাৰ বিভিন্ন কাৰণৰ ভিতৰত এটা আছিল ছোভিয়েটৰ প্ৰায় সত্তৰটা ভাষা ৰুছ ভাষাৰ গ্ৰাসত পৰি লুপ্ত হোৱাৰ ভয়।[১]

ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত অসম এখন বিভিন্ন ভাষা-ভাষী লোকেৰে পৰিপূৰ্ণ ৰাজ্য। ইয়াত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰে নিজা নিজা ভাষা আছে। তথাপি অসমীয়া ভাষাই সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ সকলো জনগোষ্ঠীৰে উমৈহতীয়া ভাষা ৰূপে সমাদৰ লাভ কৰিছিল। বৰ্তমান বিভিন্ন সামাজিক আৰু ৰাজনৈতিক কাৰণত অসমীয়া ভাষা আৰু অসমৰ অন্যান্য জনগোষ্ঠীয় ভাষাৰ মাজত সংঘাত আহি পৰিছে। এই সংঘাতৰ ফলশ্ৰুতিত অসমৰ সাতামপুৰুষীয়া ঐক্য-সংহতি বিনস্ত হোৱাৰ উপক্ৰম হৈছে।

### ভাৰতবৰ্ষত সামাজিক সংস্তৰণৰ বাহক ৰূপে ভাষা

আদিম যুগৰেপৰা ভাৰতত ভাষিক ভিন্নতাৰ জৰিয়তে সামাজিক মৰ্যাদা বিচাৰ কৰাৰ অশুভ পৰম্পৰাৰ প্ৰচলন আছিল। সংস্কৃত নাটকত মৰ্যাদাসম্পন্ন চৰিত্ৰৰ মুখত সংস্কৃত ভাষা আৰু সাধাৰণ চৰিত্ৰৰ মুখত প্ৰাকৃত ভাষা প্ৰয়োগ কৰাৰ কথা এই দিশত উল্লেখ কৰিব পাৰি। অসমতো প্ৰাক্ বৃটিছ যুগত সংস্কৃত ভাষাৰ তুলনাত অসমীয়া ভাষাই যথাযোগ্য মৰ্যাদা পোৱা নাছিল। গুণাভিৰাম বৰুৱাৰ মতে, "অসমীয়া ভাষাক ভাষা বুলি পূৰ্বে শিক্ষা নিদিছিল।

ভাষা বুলিলেই অনাদৃত কথা বুলি তাৰ প্ৰতি লোকে যত্ন নকৰিছিল। সংস্কৃতৰ প্ৰতিহে লোকৰ আদৰ আছিল।”[২] পৰৱৰ্তী যুগত অসমীয়া ভাষা প্ৰতিষ্ঠাৰ চেতনাই বিকাশ লাভ কৰা স্বত্বেও অসমীয়া উচ্চ মধ্যবিত্ত শ্ৰেণীটো সংস্কৃত ভাষাৰ প্ৰতিহে অধিক আগ্ৰহী আছিল। হেমচন্দ্ৰ বৰুৱাই গুৱাহাটী হাইস্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষাত সংস্কৃতত আটাইতকৈ বেছি নম্বৰ পোৱাজনকহে ‘হেমচন্দ্ৰ পদক’ দিবলৈ নিৰ্দেশ দিয়া[৩] আৰু আনন্দৰাম ঢেকিয়াল ফুকনে মিল্‌ছ চাহাবৰ ওচৰত দাখিল কৰা আবেদন পত্ৰত সংস্কৃত স্কুল প্ৰতিষ্ঠাৰ সপক্ষে যুক্তি দিয়াৰ[৪] কথাই ইয়াৰ সাক্ষ্য বহন কৰে।

## অসমত ভাষিক সংঘাতৰ ইতিহাস

অসমত ভাষিক সংঘাতৰ সূচনা হয় বৃটিছ যুগত। অসমৰ ভাষিক সংঘাতৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায় যে দুটা ধাৰাত সৃষ্টি হোৱা ভাষা ভিত্তিক সংঘাতে অসমৰ সমাজ জীৱন বিপৰ্যস্ত কৰি তুলিলে। দুয়োটা ধাৰাতে বহুতো মানুহে ভাষা সুৰক্ষাৰ নামত প্ৰাণ হেৰুৱাবলগীয়া হ’ল। সেই ধাৰা দুটা হৈছে অসমীয়া ভাষা বনাম বাংলা ভাষাৰ সংঘাত আৰু অসমীয়া ভাষা বনাম অসমৰ জনগোষ্ঠীয় ভাষাৰ সংঘাত।

## অসমীয়া ভাষা বনাম বাংলা ভাষাৰ সংঘাত

১৮৩৬ চনত ৰবিনছন,[৫] ৰেভিনিউ কমিছনাৰ জেনকিনছ[৬], হপকিনছন[৭] আদি উচ্চ ইংৰাজ বিষয়াৰ তৎপৰতাত অসমৰ চৰকাৰী প্ৰতিষ্ঠানৰপৰা অসমীয়া ভাষা আঁতৰাই বাংলা ভাষাৰ প্ৰৱৰ্তন কৰা হ’ল। কিন্তু ইংৰাজপ্ৰেমী অসমীয়া উচ্চ মধ্যবিত্তৰ এটা চক্ৰই অসমৰপৰা অসমীয়া ভাষা আঁতৰাই বাংলা ভাষা প্ৰৱৰ্তন কৰাৰ বাবে ইংৰাজৰ পৰিৱৰ্তে বঙালীসকলৰ ষড়যন্ত্ৰৰ কথাহে প্ৰচাৰ কৰাত লাগিল। এইক্ষেত্ৰত লক্ষ্মীনাথ বেজবৰুৱা[৮], পদ্মনাথ গোহাঞিবৰুৱা[৯], হেমচন্দ্ৰ গোস্বামী[১০] আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এনে হোৱাৰ ফলশ্ৰুতিত অসমীয়া ভাষী সমাজখনত বঙালী বিদ্বেষী মনোভাৱ গঢ় লৈ উঠিল। কেৱল প্ৰশাসনৰ সুবিধাৰ খাতিৰতে ইংৰাজ চৰকাৰে যে অসমত বাংলা ভাষা চলাইছিল, সেই কথা ইংৰাজ শাসকৰ প্ৰতি থকা অসমীয়া উচ্চ মধ্যবিত্ত শ্ৰেণীৰ আনুগত্যৰ আৱৰণখনেৰে ঢাকি ৰখা হ’ল।

পৰৱৰ্তী সময়ত অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা হেমন্ত কুমাৰ শৰ্মা[১১]

আৰু সত্যেন্দ্ৰনাথ শৰ্মাই[১২] ঊনবিংশ শতিকাৰ অসমীয়া ভাষাৰ দুৰ্যোগৰ বাবে বঙালীসকলৰ ওপৰতহে দোষ জাপি দিয়াৰ চেষ্টা কৰিলে। ফলত অসমীয়া ভাষীসকলৰ মাজত পূৰ্বতে গঢ় লোৱা বঙালী বিদ্বেষী মনোভাৱ সুদৃঢ় হ'ল। তদুপৰি *বংগীয় সাহিত্য পত্ৰিকা, প্ৰবাসী, মৃন্ময়ী* আদি বাংলা কাকতবোৰেও 'অসমীয়া ভাষা বাংলাৰ দোৱান' জাতীয় ধাৰণাৰে সমাজত বিভেদ সৃষ্টি কৰিছিল।[১৩]

স্বাধীনতাৰ পাছত ১৯৫৪ চনত ৰাজ্য পুনৰ গঠন আয়োগে প্ৰধান আঞ্চলিক ভাষাবোৰৰ অৱস্থানৰ ভিত্তিত ৰাজ্য গঠনৰ পৰামৰ্শ দিলে। লগে লগে ভাষাৰ ভিত্তিত ভাৰতবৰ্ষৰ ৰাজ্যবোৰ পুনৰ গঠিত হ'ল। ইয়াৰ ফলত বঞ্চিত ভাষা-ভাষীৰ লোকে নিজৰ ভাষাৰ মৃত্যু হ'ব বুলি শংকাত ভোগাত ভাষিক উগ্ৰ জাতীয়তাবাদৰ জুইকুৰা উমি উমি জ্বলিবলৈ ধৰিলে। ১৯৬০ চনত সমগ্ৰ অসম জুৰি আৰম্ভ হোৱা ভাষা আন্দোলনৰ বিৰোধিতা কৰোঁতে ১৯৬১ চনৰ ১৯ মে'ত ১১ গৰাকী বাংলা ভাষীয়ে আৰক্ষীৰ বন্দুকৰ গুলীত শিলচৰ ৰে'ল ষ্টেশ্যনত প্ৰাণ দিয়ে।[১৪] এই নিহতসকলৰ ভিতৰত ১৬ বছৰীয়া ছাত্ৰী কমলা ভট্টাচাৰ্য বাংলা ভাষা প্ৰতিষ্ঠা আন্দোলনৰ প্ৰথমগৰাকী মহিলা শ্বহীদ।[১৫] আনহাতে একে বছৰতে আন্দোলনৰ সমৰ্থনত হাইলাকান্দিত সমদল উলিয়াই ১১ জন অসমীয়া ভাষী লোকে দুৰ্বৃত্তৰ হাতত প্ৰাণ আহুতি দিয়ে।[১৬] তদুপৰি শিৱসাগৰৰ ছাত্ৰ ৰঞ্জিত বৰপূজাৰীয়ে এই আন্দোলনতে আৰক্ষীৰ গুলীত কটন কলেজ চৌহদত মৃত্যুক সাৱটি লয়।

**অসমীয়া ভাষা বনাম অসমৰ জনগোষ্ঠীয় ভাষাসমূহৰ সংঘাত**

অসমত অসমীয়া ভাষা আৰু অসমৰ জনগোষ্ঠীয় ভাষাসমূহৰ মাজত ভাষিক সংঘাত সৃষ্টিত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত আৰম্ভ হোৱা মাধ্যম আন্দোলনে সাৰ-পানী যোগালে। ১৯৭২ চনত আৰম্ভ হোৱা এই আন্দোলনে উচ্চ শিক্ষাৰ ক্ষেত্ৰত ইংৰাজীৰ লগতে অসমীয়া ভাষাকো মাধ্যম হিচাপে গ্ৰহণ কৰাৰ দাবী উত্থাপন কৰিলে। ইয়াৰ ফলত অসমৰ থলুৱা জনগোষ্ঠীবোৰে নিজৰ নিজৰ ভাষা লুপ্ত হোৱাৰ আশংকা কৰি পৰৱৰ্তী সময়ত জনগোষ্ঠীয় ভাষাসমূহৰ বিকাশ আৰু উপযুক্ত সংৰক্ষণৰ বাবে চেষ্টা চলালে। তদুপৰি মাধ্যম আন্দোলনত সদৌ অসম ছাত্ৰ সন্থাৰ তেতিয়াৰ সহকাৰী সম্পাদক

অনিল বৰা আৰু মঙলদৈৰ কিশোৰ ছাত্ৰ মোজাম্মিল হক শ্বহীদ হ'ল।

অসমীয়া ভাষা কোনো এটা বিশেষ সম্প্ৰদায়ৰ ভাষা নহয়; অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোকে সৃষ্টি কৰি লোৱা এটা উমৈহতীয়া ভাষা। তদুপৰি অসমত স্থান বিশেষে বড়ো, কাৰ্বি, মিচিং, ৰাভা, ডিমাচা, মৰাণ, তিৱা, নেপালী, তাই ফাকে আদি অলেখ ভাষাৰ প্ৰচলন আছে। স্বাধীনতাৰ পাছত অসমীয়া ভাষী উচ্চ মধ্যবিত্ত সম্প্ৰদায়টোৱে জনজাতীয়সকলক কৰা হেয়জ্ঞান আৰু জনগোষ্ঠীসকলৰ ওপৰত অসমীয়া ভাষাটো বাধ্যতামূলকভাৱে জাপি দিব খোজাৰ বাবেই অসমত পুনৰ ভাষিক উগ্ৰ জাতীয়তাবাদে গা কৰি উঠিল। অসমীয়া ভাষীসকলে অসমীয়া ভাষাৰ সুৰক্ষাৰ সময়ত কৰা আন্দোলনত জনজাতীয়সকলক সহযোগী হিচাপে বিচৰাৰ সলনি তেওঁলোকক অসমীয়া কৰি দেখুৱাবৰ যত্ন কৰে। তদুপৰি জনগোষ্ঠীসমূহক নিজা ভাষাৰ লিপি গ্ৰহণৰ ক্ষেত্ৰত অসমীয়া লিপি গ্ৰহণ কৰিবলৈ হেঁচা প্ৰয়োগ কৰে।[১৭] ইয়াৰ ফলত স্বাভাৱিকতে জনগোষ্ঠীয় নেতাসকলৰ লগত অসমীয়া ভাষাৰ গুৰি ধৰোঁতাসকলৰ সংঘাত আহি পৰে। ১৯৭৪ চনত ভৈয়ামৰ অন্যতম উল্লেখযোগ্য জনগোষ্ঠী বড়োসকলে বড়ো ভাষাৰ বিকাশৰ বাবে অসমীয়া লিপিৰ পৰিৱৰ্তে ৰোমান লিপিৰ দাবীত আন্দোলন কৰে। অসমৰ বুকুত বড়ো ভাষাৰ অধিকাৰ প্ৰতিষ্ঠা কৰিবলৈ ১৫ জন বড়ো লোক শ্বহীদ হ'ব লগা হ'ল।[১৮]

ভাষাৰ সম্পৰ্কত বড়োসকলৰ এটা প্ৰধান দাবী আছিল যে বড়ো ভাষাক সহযোগী ৰাজ্য ভাষাৰ মৰ্যাদা প্ৰদান কৰিব লাগে। দাবীটো প্ৰথমে উত্থাপিত হওঁতেই অসমত বিতৰ্কৰ সূচনা হ'ল। অসমৰ কিছুমানে এই প্ৰস্তাৱৰ বিৰোধিতা কৰিছিল। ইয়াৰ ফলতো বড়োসকলৰ লগত অসমীয়া ভাষীৰ সংঘাত সৃষ্টি হ'ল। তদুপৰি অসম গণ পৰিষদ চৰকাৰৰ মাধ্যম সম্পৰ্কীয় নিৰ্দেশনায়ো বড়োসকলক অসন্তুষ্ট কৰিলে।

১৯৮৬ চনত অসমৰ মৰাণ সম্প্ৰদায়ৰ ছাত্ৰসকলৰ তৎপৰতাত নতুন ৰূপত জন্ম লাভ কৰিলে সদৌ অসম মৰাণ ছাত্ৰ সন্থাই। এই সংস্থাটোৱে মৰাণ ভাষা আৰু ইয়াৰ বৈশিষ্ট্যক যথোপযুক্তভাৱে মৰ্যাদা প্ৰদানৰ দাবী জনালে। ১৯৮৭ চনত গঢ়ি উঠা ৰাভা ভাষা আন্দোলনে ৰাভা ভাষাক শিক্ষাৰ মাধ্যম কৰাৰ দাবীত ছমাহ ধৰি চলোৱা আন্দোলনৰ ফলত চৰকাৰে ১৯৮৭

চনৰ ৯ ডিচেম্বৰত ৰাভা ভাষা প্ৰৱৰ্তনৰ দাবী মানি চুক্তি কৰিবলৈ বাধ্য হয়। ১৯৮৮ চনত গঠিত সদৌ টাই-আহোম ছাত্ৰ সন্থাই টাই ভাষাৰ বিকাশ আৰু সংৰক্ষণক সৰ্বাধিক গুৰুত্ব আৰোপ কৰিলে।

অসমত ভাষিক উগ্ৰ জাতীয়তাবাদ সৃষ্টিত অসম আন্দোলনৰ নেতৃবৰ্গৰ দূৰদৰ্শিতা আৰু সদিচ্ছাৰ অভাৱেও বিশেষভাৱে ক্ৰিয়া কৰিলে। যিসকল জনগোষ্ঠীয় মূলৰ নেতাৰ সহযোগত অসমৰ ছাত্ৰনেতাসকলে আন্দোলন কৰিছিল, সেই নেতাসকলক ৰাজ্যৰ শাসনভাৰ লাভ কৰাৰ পাছত অসম আন্দোলনৰ নেতৃত্বই উপেক্ষা কৰিবলৈ ধৰিলে। ইয়াৰ ফলত প্ৰতাৰিত বুলি অনুভৱ কৰা অসমৰ সৰু সৰু জনগোষ্ঠীবোৰে আত্মপ্ৰতিষ্ঠাৰ বাবে চেষ্টা চলালে। লাহে লাহে অসমীয়া ভাষীসকলৰ লগত অসমৰ সৰু সৰু জনগোষ্ঠীসমূহৰ অন্যান্য সংঘাতৰ লগতে ভাষিক সংঘাতো আৰম্ভ হ'ল।

বিগত তিনিটা দশকত সংঘটিত হোৱা এনে ধৰণৰ ঘটনা-পৰিঘটনাৰ পৰিণতি স্বৰূপে বিভিন্ন জনগোষ্ঠী অধ্যুষিত অঞ্চলত ক্ৰমান্বয়ে এক ভাষিক উগ্ৰবাদে গা কৰি উঠিছে। এনে মনোভাৱ নিশ্চিতভাৱেই নিজ নিজ ভাষা-সংস্কৃতিক সুৰক্ষিত কৰাৰ প্ৰচেষ্টাৰ পৰাই জন্ম হৈছে। তাৎপৰ্যপূৰ্ণ যে ৰাষ্ট্ৰসংঘই জনজাতীয় ভাষা-সংস্কৃতি ৰক্ষাক মানৱাধিকাৰৰ ৰূপত স্বীকৃতি দিছে; কিন্তু ইতিমধ্যে বিশ্বৰ ভালেমান জনজাতীয় ভাষাৰ বিলুপ্তি ঘটিল।[১৯] এনেধৰণৰ খবৰেও অসমৰ জনগোষ্ঠীয় লোকক নিজ নিজ ভাষাৰ সুৰক্ষাৰ দিশত উগ্ৰ জাতীয়তাবাদৰ আশ্ৰয় ল'বলৈ উদ্‌গনি যোগাইছে।

২০০৯ চনত প্ৰকাশিত ৰাষ্ট্ৰসংঘৰ অধীনস্থ শিক্ষা, বিজ্ঞান আৰু সাংস্কৃতিক সংস্থা (UNESCO)-ৰ 'Atlas of the World's Language in Danger' শীৰ্ষক গৱেষণাধৰ্মী পত্ৰখনত কোৱা হৈছে যে পৃথিৱীৰ সকলোবোৰ দেশৰ ভিতৰত ভাৰততেই সৰ্বাধিক বিপদাপন্ন (Endangered) ভাষা সম্প্ৰদায় আছে। উত্তৰ পূৰ্বাঞ্চলৰ প্ৰায়বোৰ সৰু সৰু জনগোষ্ঠীৰ ভাষাই বিপদাপন্ন। অসমৰো ১৭টা জনগোষ্ঠীয় ভাষা বিপদাপন্ন ভাষাৰ এই তালিকাখনত সন্নিবিষ্ট হৈছে। এনেধৰণৰ প্ৰতিবেদনৰ প্ৰকাশেও অসমৰ সৰু সৰু জনগোষ্ঠীসমূহক নিজৰ নিজৰ ভাষাৰ সুৰক্ষাৰ দিশত কঠোৰ স্থিতি গ্ৰহণ কৰিবৰ বাবে বাধ্য কৰিছে।

## ভাষিক সংঘাত প্ৰতিৰোধৰ সম্ভাব্য পদক্ষেপ

**অসমত ভাষিক সংঘাত ঃ কাৰক আৰু প্ৰতিকাৰ**— এই সম্পৰ্কে কৰা আলোচনাৰপৰা এটা কথা প্ৰতীয়মান হৈছে যে ভাষিক সংঘাত অসমৰ সামাজিক সংহতিৰ ক্ষেত্ৰত এক হেঙাৰস্বৰূপ। সেয়ে তলত উল্লেখ কৰা পদক্ষেপসমূহ গ্ৰহণৰ জৰিয়তে ভাষাৰ ক্ষেত্ৰত জাতি-জনগোষ্ঠীসমূহৰ মনত উগ্ৰতাৰ সলনি সহনশীলতাৰ ভাৱ জাগ্ৰত কৰিব পৰা যাব বুলি আশা কৰা হৈছে—

ক) এটা ভাষাৰে গোটেইখন সামৰিব খুজিলেহে মানৱীয় ঐক্য বিনষ্ট হয়।[২০] অসমতো অসমীয়া ভাষাৰে সকলোকে সামৰিবলৈ চেষ্টা কৰিলে বৃহত্তৰ অসমীয়া সমাজখনৰ ঐক্য আৰু সংহতি ব্যাহত হ'ব। সেয়ে ভাষা নীতি প্ৰস্তুত কৰাৰ বেলিকা সংশ্লিষ্ট কৰ্তৃপক্ষই এই দিশটো বিবেচনা কৰা উচিত।

খ) অসমৰ সকলোবোৰ সৰু-বৰ জনগোষ্ঠীয়ে অসমৰ সাতাম-পুৰুষীয়া ঐক্য, সংহতি আৰু সম্প্ৰীতি অটুট ৰখাৰ স্বাৰ্থত ভাষাৰ ক্ষেত্ৰত এটা ইতিবাচক দৃষ্টিভংগী গ্ৰহণ কৰিব লাগে।

গ) বিকশিত আৰু সৰহীয়া লোকৰ ভাষাৰ ক্ষেত্ৰত সেই ভাষা-ভাষীসকলে উচ্চাত্মিকা মনোভাৱ পৰিহাৰ কৰি সৰু সৰু ভাষাসমূহৰ প্ৰতি নিজৰ ভিতৰত সন্মান অনুভৱ কৰিবলৈ চেষ্টা কৰা উচিত। অবিকশিত ভাষাবোৰক দোৱান বুলি উপলুঙা কৰি থাকিলে আত্মহত্যা কৰাহে হ'ব আৰু তাৰ দ্বাৰা দেশৰ বিৰাট ক্ষতিহে কৰা হ'ব।[২১]

ঘ) অবিকশিত ভাষা কোৱাসকলেও হীনমন্যতাত ভুগিব নালাগিব। বৰং চুবুৰীয়া বিকশিত ভাষাৰ আলম লৈ নিজৰ ভাষাক সমৃদ্ধ আৰু শক্তিশালী কৰি তোলাৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

ঙ) অসমৰ জনগোষ্ঠীসমূহৰ ভাষাৰ বিকাশৰ বাবে লিপি গ্ৰহণৰ বিষয়ত সিদ্ধান্ত গ্ৰহণৰ দায়িত্ব সংশ্লিষ্ট জনগোষ্ঠীৰ বৌদ্ধিক নেতৃত্বৰ ওপৰত ন্যস্ত কৰিব পাৰে।

চ) অসমৰ বিদ্যালয়সমূহত ন্যূনতম দশম শ্ৰেণী পৰ্যন্ত জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীক মাতৃভাষাত শিক্ষা গ্ৰহণৰ সুবিধা আগবঢ়োৱাৰ বিষয়ে

বিবেচনা কৰিব পাৰি।

ছ) চাহিদা অনুসৰি অসমৰ জনগোষ্ঠীয় ভাষাসমূহক সহযোগী ৰাজ্য ভাষাৰ মৰ্যাদা প্ৰদানৰ কথা চিন্তা কৰিব পাৰি। থলুৱা ভাষাৰ বিকাশে অসমীয়া ভাষাক ক্ষতিৰ সলনি সমৃদ্ধ কৰাৰ সম্ভাৱনাহে অধিক।

ভাষা-বৈচিত্ৰ্যৰে সমৃদ্ধ অসমত বিভিন্ন ভাষা-উপভাষাৰ প্ৰচলন আছে। বিৰিঞ্চি কুমাৰ বৰুৱাই অসমক ‘ভাষাৰ যাদুঘৰ’ বুলি কৈছে। ইয়াৰে এটা জনগোষ্ঠীৰ ভাষা হেৰাই গ’লে মানৱ প্ৰজাতিৰ ভাষাৰ ভিন্নতা কেৱল অসমৰপৰাই যে হেৰাই যাব এনে নহয়; পৃথিৱীৰ বুকুৰপৰাও এটা ভাষা বিলুপ্ত হৈ পৰিব। গতিকে ভাষাৰ বিচিত্ৰতা ৰক্ষাৰ স্বাৰ্থতে নিজ নিজ ভাষা-ভাষীৰ বাহিৰেও অসমৰ বিশ্ববিদ্যালয় কেইখনৰ ভাষা-সাহিত্যৰ বিভাগ, ভাষা-সাহিত্যৰ সংস্থা আদি প্ৰতিষ্ঠানে ভাষাৰ কোনো সৰু-বৰ বাচ-বিচাৰ নকৰি সেইবোৰ উন্নত প্ৰযুক্তিৰ জৰিয়তে সংৰক্ষণ কৰা আৰু বিকাশৰ পথ প্ৰশস্ত কৰাহে সমীচিন হ’ব।

**প্ৰসংগ টোকা**

১. নগেন শইকীয়া, ‘ভাষাৰ শান্তিপূৰ্ণ সহ-অৱস্থানৰ গুৰুত্ব’; *স্নাতকোত্তৰ মহলাৰ আলোচনী;* ডিব্ৰুগড় বিশ্ববিদ্যালয়, ১৯৯৪-৯৫

২. গুণাভিৰাম বৰুৱা, *আসাম বুৰঞ্জী;* পৃ. ১৮৫

৩. সৰ্ব্বেশ্বৰ শৰ্মা কটকী, *হেমচন্দ্ৰ বৰুৱাৰ জীৱন চৰিত*; পৃ. ১১৬

৪. Maheswar Neog; *Anandaram Dhekial Phukan: Plea for Assam and Assamese*; P. 80

৫. ৰবিনছনৰ মতে, “অসমৰ কথিত ভাষা বঙলাৰে সৈতে মূলতে একেই। ...অসমীয়া ভাষাটো বিশুদ্ধ বঙলাৰে বিকৃত ৰূপৰ উচ্চাৰণ মাথোন আৰু ইয়াৰ বৰ্ণ বিন্যাসৰো একো ঠিক নাই। ...পঢ়াশালিবোৰত বঙলাৰে শিক্ষা দিলেই ল’ৰাই সহজে অমিল উচ্চাৰণ মিলাই উন্নত ভাষা শিকিব পাৰিব আৰু ক্ৰমান্বয়ে নানান জ্ঞান আহৰণ কৰিব পাৰিব।”— বেণুধৰ শৰ্মা; ‘আমেৰিকান বেপ্‌টিষ্ট মিছনৰ ঐতিহাসিক দান’; পৰীক্ষিত হাজৰিকা, (সম্পা.) *প্ৰৱন্ধ সৌৰভ*, পৃ. ১৬

৬. ৰেভিনিউ কমিচনাৰ জেন্‌কিন্স চাহাবৰ বক্তব্য— "অসমত বঙলা ভাষা চলাবলৈ পৰামৰ্শ দিয়াৰ গুৰিতে মই, মই বঙলাৰ পক্ষপাতী, মোৰ আদেশহে ৰবিনছনে পালন কৰিছে। ...অসমীয়া ভাষা শিক্ষাৰ বাহন কৰিব লাগিলে দেশৰ অধঃপতন হ'ব।"— উল্লিখিত গ্ৰন্থ, পৃ. ২৩

৭. অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ সময়ত হপ্‌কিন্‌ছনে বংগ দেশৰ শিক্ষা বিভাগৰ গুৰিয়াললৈ দিয়া চিঠিত লিখিছিল— "This seeking after an 'Assamese Language' either in the education or in any other department is the pursuit of an illusion." — *বাস্তৱ নে বিভ্ৰম*, পৃঃ-৭

৮. "অসমৰ ইংৰাজ ৰজাৰ ৰাজকাৰ্য চলোৱা যন্ত্ৰৰ কেৰাণীসকল বঙালী আছিল। তেওঁলোকে চল পাই যন্ত্ৰৰ কাণত মন্ত্ৰ দিলে যে অসমীয়াৰ সলনি বঙালী চলাব লাগে।"— *বেজবৰুৱা গ্ৰন্থাৱলী*, ২য় খণ্ড, পৃ. ১৮৫৪

৯. "বৃটিছ ৰাজে দয়া কৰি অসমীয়া সাহিত্যক সজীৱ আৰু সতেজ ৰাখিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিল; ...কিন্তু, এনেতে এদল স্বাৰ্থপৰ অসম প্ৰৱাসী বঙালীয়ে অসমীয়া ভাষা আৰু সাহিত্যৰ উদ্‌গতিৰ আগত ভেটা মাৰ ধৰিলে। ...অসমীয়া ভাষাৰ সুকীয়া সাহিত্য নাই, ই বঙলা ভাষাৰ অপভ্ৰংশ মাথোন ইত্যাদি ঠগবুজনিৰে সৈতে সিবিলাকে সেই কালৰ বৃটিছ ৰাজকৰ্মীসকলক ভুৰা দি অসমীয়া ভাষাৰ ঠাইত বঙলা ভাষাক ৰাজভাষা কৰাই ল'লে আৰু পঢ়াশালিতো বঙলা সাহিত্যক অধিকাৰ দিয়ালে।"— *গোহাঞিবৰুৱা ৰচনাৱলী;* পৃ. ৮৮৪

১০. "যদিও পঢ়াশালি আৰু আদালতত অসমীয়া ভাষাৰ সলনি বঙালী ভাষা সুমুৱাত আমাৰ ইমানবোৰ হানি হৈছিল, তথাপি হক কথা ক'বলৈ গ'লে আমি সেইবাবে ইংৰাজ শাসন প্ৰণালীত দোষ দিব নোৱাৰোঁ।" — *হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী*, পৃ. ১৩০

১১. "অসমৰ সাহিত্যাকাশলৈ এন্ধাৰ নমাই আনিছিল— অসমৰ স্কুল-আদালতৰ পৰা অসমীয়া ভাষা আঁতৰাই বঙলা ভাষা প্ৰচলন কৰাইছিল, ইংৰাজ শাসনকৰ্তাই— কেইজনমান বঙালী কেৰাণী, মহৰী আদি চাকৰিয়ালৰ ফুচফুচনিত। বাঙালী চাকৰিয়ালবোৰে অসমীয়া ভাষা

সম্বন্ধে জ্ঞান নথকা ইংৰাজ শাসকক বুজাই দিছিল যে অসমীয়া সুকীয়া ভাষা নহয়— বঙলা ভাষাৰে এটা গ্ৰাম্য ৰূপ মাথোন। এই বাঙালী চাকৰিয়ালবোৰৰ চেষ্টাতেই ১৮৩৬ চনত অসমৰ পঢ়াশালি, আদালতৰ পৰা অসমীয়া ভাষা আঁতৰিল আৰু তাৰ ঠাই ল'লে বঙলা ভাষাই।" — *অসমীয়া সাহিত্যত দৃষ্টিপাত*; পৃ. ১৮৯

১২. "বাঙালী কেৰাণী-মহৰীবোৰে আত্মস্বাৰ্থ সংৰক্ষণ কৰিবৰ কাৰণে আৰু ভৱিষ্যতেও তেওঁলোকৰ স্থান অব্যাহত ৰাখিবৰ উদ্দেশ্যে ইংৰাজ বিষয়াসকলক বুজাই দিলে যে অসমীয়া এটা স্বতন্ত্ৰীয়া ভাষা নহয়; বাঙালীৰে এটা গ্ৰাম্য অপভ্ৰংশ মাত্ৰ। তেওঁলোকৰ কথাত বিশ্বাস কৰি ১৮৩৬ খৃষ্টাব্দত অসমৰ স্কুল-কাছাৰী আদিত অসমীয়া ভাষাৰ পৰিৱৰ্তে বাঙালী ভাষাক ইংৰাজে প্ৰতিষ্ঠা কৰিলে।"— *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃ. ২৪৪

১৩. শিৱনাথ বৰ্মন আৰু প্ৰসেনজিৎ চৌধুৰী, *বাস্তৱ নে বিভ্ৰম*, পৃ. ২৬

১৪. কমলা ভট্টাচাৰ্য, শচীন্দ্ৰ পাল, চণ্ডীচৰণ, বীৰেন্দ্ৰ সূত্ৰধৰ, কুমুদ দাস, সত্যেন্দ্ৰ দেৱ, সুকোমল পুৰকায়স্থ, সুনীল সৰকাৰ, তৰণী দেৱনাথ, কানাইলাল নিয়োগী আৰু হিতেশ বিশ্বাস।

১৫. ৰণজিৎ চৌধুৰী, 'বিস্মৃত বলিদান', *এই সময়*, কলকতা, ১৯ মে' ২০১৩

১৬. সৰুমিএগ লস্কৰ, মফুৰ আলী লস্কৰ, মইনুল হক, মফুৰ আলী বৰভূএগ, মতিউৰ ৰহমান লস্কৰ, মাহমুদ আলী বৰভূএগ, বুধু মিএগ লস্কৰ, চিকন্দৰ আলি মজুমদাৰ, মমিৰুদ্দিন, চফিকউদ্দিন আৰু সুশীল সিংহ।

১৭. ধ্ৰুৱজ্যোতি বৰা; *ইতিহাস চিন্তা*, পৃ. ১৩১

১৮. অল্লাৰাম বড়ো, শিৱৰাম বড়ো, সাইথাৰাম বসুমতাৰী, বিষ্টুৰাম বসুমতাৰী, খানচাই বড়ো, কান্তেশ্বৰ বড়ো, বুধবৰ বড়ো, দীন বড়ো, মান্চি গৈয়াৰী, অজেন্দ্ৰনাথ বসুমতাৰী, নিধিৰাম নাৰ্জাৰী, এঞ্জেলিচ বাগলাৰী, সোমবৰ ম'ছাহাৰী, গোবিন্দ নাৰায়ণ বসুমতাৰী, ফণীৰাম দৈমাৰী।

১৯. জয়কান্ত শৰ্মা, 'অসমীয়া ভাষাৰ ভৱিষ্যত', *গৰীয়সী*, নৱেম্বৰ ২০০৯

২০. নৰকান্ত বৰুৱা, *কথাৰ মাজৰ বতৰা*, পৃ. ৩৫

২১. সীতানাথ ব্ৰহ্মচৌধুৰী, *সভাপতিৰ ভাষণ*, অসম সাহিত্য সভাৰ ৪৯তম অধিৱেশন, ১৯৮২

# ৰামকথা আশ্ৰয়ী অসমৰ পৰিৱেশ্য কলা ঃ পৰম্পৰা, প্ৰত্যাহ্বান আৰু সম্ভাৱনা

ভাৰতবৰ্ষৰ লগতে এছিয়াৰ, বিশেষকৈ দক্ষিণ-পূব এছিয়াৰ বিভিন্ন প্ৰান্তত ৰামকথা আশ্ৰয়ী পৰিৱেশ্য কলাৰ অনেক পৰম্পৰা বিদ্যমান। এই পৰিৱেশ্য কলাসমূহে একোটা সংস্কৃতিৰ স্বকীয় বৈশিষ্ট্য আৰু সাংস্কৃতিক উৎকৰ্ষতাৰ স্বাক্ষৰ বহন কৰে। সাংস্কৃতিকভাৱে সমৃদ্ধ অসমতো ৰামকথা আশ্ৰয়ী পৰিৱেশ্য কলাৰ এক ঐতিহ্যপূৰ্ণ সম্ভাৰ আছে। নামনি অসমত প্ৰচলিত কুশান গান, ভাৰী গান আৰু পুতলা নাচ সম্পূৰ্ণৰূপে ৰামকথা আশ্ৰয়ী পৰিৱেশ্য কলা। সাৰ্বজনীন বিষয়বস্তু, উন্নত মানৰ কলা-কৌশল, কলাসুলভ সাজপাৰ, সামঞ্জস্যপূৰ্ণ সংগীত পৰম্পৰা আদি নান্দনিক সুষমাৰে সমৃদ্ধ হোৱা স্বত্বেও এই পৰিৱেশ্য কলাসমূহে ভাৰতৰ বিভিন্ন প্ৰান্তত প্ৰচলিত পৰিৱেশ্য কলাসমূহৰ দৰে প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰা নাই। তদুপৰি সাম্প্ৰতিক বৈদ্যুতিন মাধ্যমৰ যুগত পৰম্পৰাগত এই পৰিৱেশ্য কলাসমূহে পূৰ্বৰ মৰ্য্যাদা হেৰুৱাই পেলোৱাৰ লগতে ইয়াৰ অস্তিত্বৰ প্ৰতিও শংকা আৰু সংশয় ঘণীভূত হৈছে।

এই প্ৰবন্ধৰ উদ্দেশ্যে হৈছে, অসমৰ কেইটামান প্ৰতিনিধিত্বমূলক ৰামকথা আশ্ৰয়ী পৰম্পৰাগত পৰিৱেশ্য কলাৰ স্বকীয় বিশেষত্বসমূহ বিচাৰ কৰা। তদুপৰি এই পৰিৱেশ্য কলাসমূহে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ চিনাক্ত কৰি সিবিলাকৰ সন্মুখীন হ'ব পৰাকৈ পৰিৱেশ্য কলাসমূহৰ উত্তৰণৰ উপায় উদ্ভাৱনৰ প্ৰয়াস কৰা।

## ৰামকথা আশ্ৰয়ী পৰিৱেশ্য কলাৰ পৰম্পৰা

### (ক) কুশান গান

কুশান গান অবিভক্ত গোৱালপাৰা জিলাৰ আটাইতকৈ জনপ্ৰিয় পৰিৱেশ্য কলা। কুশান গানৰ প্ৰাচীনতা সম্পৰ্কত তিনিটা মত প্ৰচলিত— (ক) কোচৰ

পৰা কুশান, (খ) ৰামায়ণৰ কুশৰ পৰা কুশান আৰু (গ) ৰামায়ণ পূৰ্বক কুশান। ইয়াৰে 'ৰামায়ণৰ কুশৰ পৰা কুশান হোৱা' মত অনুসৰি 'কুশ'ৰ যি গান সিয়ে কুশান গান। লৱ সাময়িকভাৱে আঁতৰি থকাৰ বাবে সীতাৰ সন্তাপ দূৰ কৰিবলৈ মহৰ্ষি বাল্মিকীয়ে কুশ বনৰ পৰা কুশক জন্ম দিছিল। পিছত বাল্মিকীৰ পৰা শিক্ষা পাই লৱ-কুশই ৰাম আৰু জানকীৰ দুখময় জীৱন কাহিনী গীতৰ জৰিয়তে দেশে-বিদেশে পৰিৱেশন কৰি ফুৰিছিল। এই গানেই সময়ত কামৰূপ আৰু কমতা অঞ্চলত 'কুশান' হিচাপে প্ৰচলিত হয়।[১] উল্লেখযোগ্য যে জনপ্ৰিয়তাৰ দিশৰ পৰা লক্ষ্য কৰি কুশান গানক সৰ্বভাৰতীয় পৰিৱেশ্য কলা কৃষ্ণলীলা, ৰামলীলা, ৰাসলীলা, ভগত বা নৌটংকী, যক্ষ গান আদিৰ লগত তুলনা কৰিব পাৰি।[২]

কুশান গানক 'ৰাৱান গান' আৰু 'বেনা গান' নামেৰেও জনা যায়। ইয়াত ৰাৱণ চৰিত্ৰ কেন্দ্ৰিক অভিনয় আৰু বেনা সংগত কৰাৰ বাবেই ক্ৰমে 'ৰাৱান গান' আৰু 'বেনা গান' নাম দিয়া হৈছে বুলি অনুমান কৰিব পাৰি। বহুতে আকৌ কুশান গানক বুজাবৰ বাবে 'কুশান পালা' অভিধাটো প্ৰয়োগ কৰে।

কুশান গানৰ কাহিনীভাগ কৃত্তিবাস ৰচিত ৰামায়ণৰ পৰা লোৱা দেখা যায় যদিও কৃত্তিবাসী ৰামায়ণৰ লগত পদৰ সম্পূৰ্ণ মিল দেখা নাযায়।[৩] কৃত্তিবাসী ৰামায়ণৰ জনপ্ৰিয়তা লোকজীৱনত অধিক বাবেই কুশান গানৰ কাহিনীভাগত কৃত্তিবাসী ৰামায়ণৰ প্ৰভাৱ পৰিছে বুলি ক'ব পাৰি।

বিশিষ্ট পৰিৱেশন ৰীতি, অভিনয়ৰ সংযুক্তি আৰু বাদ্যযন্ত্ৰৰ ব্যৱহাৰ কুশান গানৰ এক উল্লেখযোগ্য বৈভৱ। নৃত্য-গীত-সংলাপ অভিনয়ৰ সমন্বয়ত ইয়াৰ শিল্পীসকলে বিষয়বস্তু আগবঢ়াই নিয়ে। কুশান গানৰ শিল্পীসকলে পালন কৰা দায়িত্ব আৰু কৰ্তব্য অনুসৰি তেওঁলোকক গীদাল বা কুশানী (১জন), দোৱাৰী (১জন), বায়ন (২জন), ডাইনা পালি (১জন), পালি (৪/৫জন), চেংৰা (৪জন) আদি বিভিন্ন নামেৰে জনা যায়। গীদাল বা কুশানীজনেই হৈছে কুশান গানৰ মূল ব্যক্তি।

কুশান গানৰ অভিনয়ৰ সংযুক্তি বিশেষভাৱে মন কৰিবলগীয়া। প্ৰস্তাৱনা (খোল বন্দনা), বাদ্য সংগীত (শ্লোকৰ আবৃত্তি), বন্দনা (সৰস্বতী বন্দনা, ৰাম বন্দনা), মূল কাহিনীৰ অভিনয় (নাচ, গান, সংলাপ, সামৰণি প্ৰাৰ্থনা) আদি

চাৰিটা বিশেষ এককৰ সমষ্টিৰে সমৃদ্ধ।

কুশান গানৰ আৰম্ভণিৰ পৰা সামৰণিলৈকে বাদ্যযন্ত্ৰই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ভৰতমুনিৰ *নাট্যশাস্ত্ৰ*ত উল্লিখিত চাৰিও শ্ৰেণীৰ বাদ্যৰে ব্যৱহাৰ কুশান গানৰ এক অন্যতম বিশেষত্ব। অৱনদ্ধ বাদ্যৰ ভিতৰত খোল, ঘনবাদ্যৰ ভিতৰত তাল, ততবাদ্যৰ ভিতৰত বীণা আৰু বেহেলা, সুষিৰ বাদ্যৰ ভিতৰত বাঁহীৰ ব্যৱহাৰ কৰা হয়। ইয়াত বায়নৰ দ্বাৰা খোল, পালিৰ দ্বাৰা তাল আৰু গীদালৰ দ্বাৰা বেনা বাদন অপৰিহাৰ্য্য।

## (খ) ভাৰীগান

ভাৰীগান বিশেষভাৱে গোৱালপাৰা জিলাত প্ৰচলিত এক ঐতিহ্যপূৰ্ণ পৰিৱেশ্য কলা। এইবিধ পৰিৱেশ্য কলাৰ উৎস স্থানত ভাৰীগান পদটোৰ পৰিৱৰ্তে 'ভাৰিগান' পদটোহে ব্যৱহাৰ কৰে।[৪] বিশেষভাৱে পাতিৰাভা সকলৰ মাজত প্ৰচলিত এই কলাবিধ অসমীয়া সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ।

ভাৰীগানৰ নামকৰণ সম্পৰ্কত পণ্ডিতসকলৰ মাজত মত পাৰ্থক্য আছে। বহুতে 'ভাৰী' শব্দটো 'ভাওৰীয়া' শব্দৰ পৰা উদ্ভৱ হ'ব পাৰে বুলি অনুমান কৰে।[৫] আন কিছুমান আলোচকে মুখা বিশিষ্ট এই কলাবিধ পৰিৱেশনৰ বাবে এঠাইৰ পৰা আন ঠাইলৈ যাওঁতে মুখাবোৰ ভাৰী লগাই লৈ যোৱাৰ বাবেই 'ভাৰী' নাম হোৱা বুলি ক'ব বিচাৰে।[৬]

ভাৰীগানৰ বিষয়বস্তু ৰামায়ণৰ পৰা সংগৃহীত।[৭] কৃত্তিবাসৰ বঙলা ৰামায়ণৰ প্ৰভাৱ ইয়াত স্পষ্ট। ৰাৱণ বধ, মহীৰাৱণ বধ, মেঘনাদ বধ, লক্ষ্মণৰ শক্তিশেল, সীতাৰ পাতালপুৰী প্ৰৱেশ আদি নাট ভাৰীগানৰ বিশেষ আকৰ্ষণ।

দলীয় সংযুক্তিৰ দিশৰ পৰা ভাৰীগান বৈচিত্ৰ্যপূৰ্ণ। এজন মূল গায়ক বা গীদাল, কেইজনমান পালি, অতি কমেও চাৰিজন খোলবাদক, এজন বা দুজন তাল বাদক আৰু নাট অনুসৰি প্ৰয়োজনীয় ভাৱৰীয়াসকলক লৈ ভাৰী গানৰ দলটো গঠন কৰা হয়। মূল গায়কে সোঁহাতত এডাল চোঁৱৰ লৈ অংগী-ভংগী আৰু নৃত্যসহ গীত, পদ পৰিৱেশন কৰে আৰু পালিসকলে খোল আৰু তাল সংগত কৰি মূলে লগাই দিয়া গীত পদ দোহাৰে।[৮] কেতুৱা নামৰ এটা চৰিত্ৰই অভিনয়ৰ মাজে মাজে ব্যংগ অভিনয় আৰু সংলাপেৰে

হাস্যৰসৰ সৃষ্টি কৰে। এই চৰিত্ৰটোৱে ভাৰীগানৰ স্বকীয়তা প্ৰতিপন্ন কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰে।

ভাৰীগানৰ অভিনয় পৰম্পৰা আৰু নাটৰ বিষয়বস্তু কেইটিমান এককৰ সমষ্টিৰ আধাৰত গঢ় লৈ উঠে। সেই একক কেইটা হৈছে মূল বিষয়বস্তু বৰ্হিভূত মংগলাচৰণ বা বন্দনা, মূল বিষয়বস্তুৰ সৈতে নিবিড়ভাৱে জড়িত গীত-পদ, গীত-পদৰ দিহা-ধূৰা-পদ-সৰা আৰু উপসংহাৰৰ বন্দনা বা তুতি।[৯] ভাৰীগানৰ অভিনয়ত সংলাপ বা কথোপকথন নাই। সূত্ৰধাৰ সদৃশ মূল গায়কজনেই গীত-পদৰ জৰিয়তে চৰিত্ৰৰ সংলাপৰ প্ৰকাৰ্য্য সম্পন্ন কৰে।

মুখাৰ ব্যৱহাৰ ভাৰীগানৰ এক উল্লেখযোগ্য বিশেষত্ব। সাধাৰণতে ভাৰীগানৰ অভিনয় মুখাযুক্ত আৰু মুখাহীন- এই দুই প্ৰকাৰে কৰা হয়। মুখাযুক্ত ভাৰীগানৰ অভিনয়ৰ ক্ষেত্ৰত মুখাৰ ব্যৱহাৰ অপৰিহাৰ্য্য। কঁঠাল, আম, গমাৰি আদি কাঠৰ পৰা নিৰ্মিত এই মুখাবোৰ দৈত্য, দানৱ, ৰাক্ষস, সুগ্ৰীৱ, হনুমান, জাম্বুৱন্ত, অঙ্গদ আদি চৰিত্ৰই পৰিধান কৰে। মানৱী চৰিত্ৰই মুখা ব্যৱহাৰ নকৰে।

ভাৰীগানৰ মুখাৰ এক স্বকীয় বিশেষত্ব বিদ্যমান। অন্যান্য নাট্যাভিনয় সমূহত ব্যৱহাৰ কৰা মুখাবোৰত চকুৰ চিহ্ন থকা ঠাইত এটা সৰু ফুটা থকাৰ দৰে ভাৰীগানৰ মুখাবোৰত চকুৰ চিহ্নৰ ওপৰত কোনো ফুটা নাথাকে। ইয়াৰ ফলত চৰিত্ৰবোৰে বাহিৰৰ বস্তু একো নেদেখে। গতিকে চৰিত্ৰবোৰে আনৰ সহায়ত অভিনয় কাৰ্য্য সমাধা কৰে।

'খোল' আৰু 'তাল' ভাৰীগানৰ প্ৰধান বাদ্যযন্ত্ৰ। *নাট্যশাস্ত্ৰ*ত নিৰ্দেশিত অৱনদ্ধ বাদ্যৰ ভিতৰত খোল (ন্যূনতম ২টা), ঘনবাদ্যৰ ভিতৰত ঝালি বা তাল আৰু সুষিৰ বাদ্যৰ ভিতৰত বংশী বা বাঁহীৰ ব্যৱহাৰ কৰা হয়।

### (গ) পুতলা নাচ

অসমৰ পৰিৱেশ্য কলাসমূহৰ ভিতৰত প্ৰাচীনতম কলা ৰূপে পুতলা নাচ বা পুতলা ভাওনাৰ এক ঐতিহ্য আছে। পুতলাৰ মাধ্যমেৰে অনুষ্ঠিত হোৱা অভিনয়েই পুতলা ভাওনা বা পুতলা নাচ (Puppetry)।[১০] ভাৰতত নাট্য পৰম্পৰাৰ প্ৰচলন খৃষ্টপূৰ্ব ৫ম শতিকাৰ পূৰ্বৰ পৰাই আছিল। ভৰতমুনিৰ *নাট্যশাস্ত্ৰ*ত 'সূত্ৰধাৰ' পদৰ প্ৰয়োগ আৰু পতঞ্জলিৰ *মহাভাষ্য*ত পুতলাৰ

মাধ্যমেৰে অভিনয় অনুষ্ঠিত হোৱাৰ উল্লেখে এই কথাৰ প্ৰমাণ কৰে।

অসম নামৰ এই ভূখণ্ডত খৃষ্টীয় ১১শ শতিকাৰ পূৰ্বৰে পৰা পুতলা নাচৰ পৰম্পৰা প্ৰচলিত হৈ আহিছে। উল্লিখিত শতিকাতে ৰচিত হোৱা *কালিকাপুৰাণ*ত শুক্লপক্ষৰ পুষ্যানক্ষত্ৰ যুক্ত তৃতীয়া তিথিত চণ্ডিকা দেৱীক 'পাঞ্চালিকা বিহাৰ' আৰু শিশু কৌতুকেৰে উপাসনা কৰা বিধেয় বুলি উল্লেখ কৰালৈ চাই এই ধাৰণা কৰিব পাৰি।[১১]

সাধাৰণতে *ৰামায়ণ*ৰ বিষয়বস্তুৰ আধাৰত পুতলা নিৰ্মাণ কৰা হয় আৰু *ৰামায়ণ*ৰ একো একোটি কাহিনীকেই পুতলা ভাওনাৰ জৰিয়তে প্ৰদৰ্শিত কৰা হয়।[১২] মৌখিক পৰম্পৰাত প্ৰচলিত সীতাহৰণ, মাৰিচ বধ, জটায়ু বধ, ৰাৱণ বধ, বালিবধ আদি নাট পুতলা নাচৰ বাবে প্ৰস্তুত কৰা হয়। ৰামায়ণৰ পুতলা নাটৰ ৰাৱণৰ দহ মূৰ দেখি, ৰাক্ষসবোৰৰ ভয়ঙ্কৰ আকৃতি দেখি লগতে সিহঁতৰ তৰ্জন-গৰ্জনৰ দৃশ্য চাই সাধাৰণ দৰ্শকে অপাৰ আনন্দ পায়।[১৩]

পুতলা নাচক সংযুক্তিৰ দিশৰপৰা সূতাৰে পৰিচালনা কৰা পুতলা, ছাঁয়া পুতলা, লাঠিৰে পৰিচালনা কৰা পুতলা, হাতেৰে পৰিচালনা কৰা পুতলা আদি ভাগত ভগাব পাৰি। মধ্যযুগীয় অসমত ছাঁয়া পুতলা (Shadow Puppets) পৰম্পৰাৰ প্ৰচলন থকাৰ কথা শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাত পোৱা যায়।[১৪] সাম্প্ৰতিক অসমত কেৱল সূতাৰে পৰিচালনা কৰা পুতলা (Marionetts)ৰ প্ৰচলন আছে। কাঠ, কুঁহিলা, বাঁহৰ তমাল আদিৰে নিৰ্মিত অসমীয়া পুতলাৰ লগত ৰাজস্থানী কাঠ পুত্‌লীৰ বহুতো সাদৃশ্য পৰিলক্ষিত হয়।[১৫]

অভিনয় কৌশলৰ অভিনৱত্ব পুতলা নাচৰ এক উল্লেখযোগ্য বিশেষত্ব। পাঁচ-ছয়জন লোকেৰে গঠিত পুতলা নাচৰ একোটা দলত এগৰাকী কেন্দ্ৰীয় ব্যক্তি থাকে। তেওঁক সূত্ৰধাৰ বা বায়ন বা ওস্তাদ বুলি কোৱা হয়। এইগৰাকী ব্যক্তিৰ নিৰ্দেশত পুতলা নাচ বা পুতলা ভাওনাৰ অভিনয় আগবাঢ়ে। এওঁ একেধাৰে প্ৰযোজক, নিৰ্দেশক আৰু পৰিচালক। সূত্ৰধাৰৰ উপৰিও ওজা বা গায়ন, বাদক বা বায়ন আৰু পালিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অভিনয় কাৰ্য্য সম্পাদন হোৱাত সহায় কৰে। গায়নে গীত আবৃত্তি কৰি, বায়নে খোল বা মৃদঙ্গ সংগত কৰি আৰু পালি সকলে তাল সংগত কৰাৰ লগতে গীত-পদ দোহাৰি নিজৰ দায়িত্ব পালন কৰে। সূত্ৰধাৰে অভিনয়ৰ সময়ত দুয়োহাতেৰে

আঙুলিত বান্ধি লোৱা পুতলাৰ লগত সংযুক্ত সূতাৰে পুতলাবোৰ পৰিচালনা কৰাৰ লগতে পেঁপাৰে পুতলাৰ সংলাপো কয়।

### সাম্প্ৰতিক প্ৰাসংগিকতা

ৰামকথা আশ্ৰয়ী অসমৰ পৰম্পৰাগত পৰিৱেশ্য কলাসমূহৰ প্ৰাসংগিকতা সাৰ্বকালীন আৰু সাৰ্বজনীন। ৰামকথাৰ শ্বাশ্বত আদৰ্শসমূহ জনসাধাৰণৰ মাজত প্ৰচাৰৰ বাবে এই পৰিৱেশ্য কলাসমূহৰ ব্যৱহাৰিক উপযোগিতা বিদ্যমান।

দ্বিতীয়তে, বৰ্তমান ৰুচিবোধৰ অৱক্ষয় ঘটোৱা, সংস্কৃতিলৈ অশনি সংকেত কঢ়িয়াই অনা ৰুচিহীন বিনোদনৰ বিকল্পৰূপে পৰম্পৰাগত পৰিৱেশ্য কলাসমূহে সুস্থ, ৰুচিসন্মত বিনোদন তথা নান্দনিক কলাৰ ভূমিকা পালন কৰিব পাৰে।

তৃতীয়তে, ধৰ্মীয় অনুষ্ঠানৰ সৈতে জড়িত হৈও পৰম্পৰাগত পৰিৱেশ্য কলাসমূহে অসাম্প্ৰদায়িক তথা ধৰ্মনিৰপেক্ষ চৰিত্ৰ অটুত ৰখা বিষয়টোৱে সাম্প্ৰদায়িক শক্তিয়ে অশান্ত কৰি ৰখা অসমত ভাতৃত্ববোধৰ সূচনা কৰিব পাৰে।

চতুৰ্থতে, উন্নত মানৰ কলা-কৌশল তথা নান্দনিক সুষমাৰে সমৃদ্ধ পৰম্পৰাগত পৰিৱেশ্য কলাসমূহৰ চৰ্চা, অনুশীলন, দৰ্শন আদিৰ জৰিয়তে অসমৰ সাংস্কৃতিক বৈভৱ সম্পৰ্কত নৱপ্ৰজন্ম অৱগত হব পাৰে।

পঞ্চমতে, অসমৰ চহকী সাংস্কৃতিক পৰম্পৰাক এই পৰিৱেশ্য কলাসমূহৰ জৰিয়তে দেশে-বিদেশে প্ৰচাৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰো সুবিধা আছে।

### প্ৰত্যাহ্বান

ৰামকথা আশ্ৰয়ী অসমৰ পৰম্পৰাগত পৰিৱেশ্য কলাসমূহ গাম্ভীৰ্য্যপূৰ্ণ বিষয়বস্তু, উন্নত মানৰ কলা-কৌশল আৰু সাংগীতিক মাধুৰ্য্যৰে ঐশ্বৰ্য্যশালী হোৱা স্বত্বেও আশানুৰূপভাৱে প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিবলৈ সক্ষম হোৱা নাই। ইয়াৰ প্ৰধান কাৰণ হৈছে বৰ্তমান সামাজিক অৱস্থাৰ দ্ৰুত পৰিৱৰ্তনৰ ফলশ্ৰুতিত এই কলাসমূহে সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বানসমূহ।

প্ৰথমতে, পৰিৱেশ্য কলাসমূহৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত শিল্পী তথা কলা-কুশলীসকলৰ আৰ্থিক দৈন্য এই কলাসমূহৰ উত্তৰণৰ পথত

এক বৃহৎ প্ৰত্যাহ্বান। পৰিৱেশ্য কলাসমূহক জীৱিকাৰূপে গ্ৰহণ কৰি পেট প্ৰৱৰ্তন কৰিব নোৱাৰা বাবে ইয়াৰ লগত জড়িত শিল্পী সকলে জীৱিকাৰ বাবে অন্য ক্ষেত্ৰ নিৰ্বাচন কৰিবলগা হৈছে। গতিকে তেওঁলোকে উৎসৰ্গিত মনোভাৱেৰে পৰিৱেশ্য কলাৰ চৰ্চা তথা পৰিৱেশনত ব্ৰতী হ'ব পৰা নাই।

দ্বিতীয়তে, নতুন প্ৰজন্মৰ অনীহাৰ বাবেও পৰিৱেশ্য কলাসমূহৰ ধাৰাবাহিকতা ৰক্ষা হোৱা নাই। অত্যাধুনিক জাকজমকতাপূৰ্ণ বিনোদনৰ মাধ্যমসমূহে নতুন প্ৰজন্মক অধিক আকৃষ্ট কৰাৰ বাবে তেওঁলোকে পৰম্পৰাগত কলাসমূহৰ প্ৰতি উদাসীন মনোভাৱ গ্ৰহণ কৰা পৰিলক্ষিত হয়। তদুপৰি সংশ্লিষ্ট মহলে নতুন প্ৰজন্মক আকৃষ্ট কৰিব পৰাকৈ কলাসমূহৰ উত্তৰণৰ দিশত চিন্তা-চৰ্চা কৰাও দেখা নাযায়।

তৃতীয়তে, অসমত সুসংগঠিত ৰূপত, পূৰ্ণ পৰ্য্যায়ত পৰম্পৰাগত পৰিৱেশ্য কলাসমূহৰ চৰ্চা তথা পৰিৱেশন কৰা পেচাদাৰী দলৰ অভাৱ কলাসমূহৰ সন্মুখত এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান।

চতুৰ্থতে, পৰিৱেশ্য কলাসমূহৰ চৰ্চা আৰু বিকাশৰ বাবে নতুন পৰিকল্পনা গ্ৰহণ কৰিব পৰাকৈ উপযুক্ত নেতৃত্বৰ অভাৱো পৰম্পৰাগত কলাসমূহৰ বাবে এক প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে।

**সম্ভাৱনা**

বৰ্তমান আৰ্থ-সামাজিক অৱস্থাৰ পৰিৱৰ্তনৰ বাবে অসমৰ পৰম্পৰাগত পৰিৱেশ্য কলাসমূহ বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। কলাসমূহৰ পুনৰ নিৰ্মাণৰ জৰিয়তে প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰিব পাৰিলে পৰম্পৰাগত কলাসমূহৰ সম্ভাৱনাপূৰ্ণ ভৱিষ্যত আছে।

ক) পৰম্পৰাগত পৰিৱেশ্য কলাসমূহৰ স্বকীয়তা অনিষ্ট নোহোৱাকৈ যুগৰ উপযোগী কৰি কলা-কৌশল, সাজ-পাৰ, সংগীত আদিৰ পৰিৱৰ্তন সাধিব পৰা যায়। তেনে কৰিলে অত্যাধুনিক জাকজমকতাপূৰ্ণ বিনোদনৰ মাধ্যমসমূহৰ লগত এই কলাসমূহে সমানে ফেৰ মাৰিব পাৰিব বুলি অনুমান হয়। ইতিমধ্যে দক্ষিণ-পূব এছিয়াত এই কাম কৰা হৈছে।

খ) ৰামকথা আশ্ৰয়ী পৰিৱেশ্য কলাসমূহ অসমৰ সাংস্কৃতিক

বিশিষ্টতাক দেশে-বিদেশে প্ৰতিষ্ঠা কৰিব পৰাকৈ বৈভৱশালী। গতিকে দক্ষিণ-পূৱ এছিয়াৰ পৰম্পৰাগত পৰিৱেশ্য কলাসমূহৰ পুনৰ নিৰ্মাণ কৌশল অধ্যয়ন কৰি অসমৰ কলাসমূহৰ উত্তৰণৰ বাবে তদ্ৰূপ কৌশল গ্ৰহণ কৰিলে, এই কলাসমূহৰ পৰিৱেশনৰ জৰিয়তে অসমৰ ঐতিহ্যপূৰ্ণ সাংস্কৃতিক পৰম্পৰাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব পৰা যাব।

গ) পৰম্পৰাগত পৰিৱেশ্য কলাসমূহৰ বিষয়বস্তু যিহেতু চিৰপৰিচিত ৰামকথা। গতিকে অতি সহজতে ভাৰতৰ লগতে দক্ষিণ-পূৱ এছিয়াৰ বিভিন্ন দেশত জনপ্ৰিয়তা তথা গ্ৰহণযোগ্যতা লাভ কৰিব।

ঘ) মন্দিৰসমূহক কেৱল ধৰ্মীয় উপাসনাৰ কেন্দ্ৰ নকৰি পৰিৱেশ্য কলাসমূহৰ অনুশীলন কেন্দ্ৰৰূপে গঢ়ি তোলাৰ ব্যৱস্থা কৰিব পাৰিলে কলাসমূহৰ প্ৰতি থকা জনসাধাৰণৰ উদাসীনতা বহু পৰিমাণে আঁতৰিব।

ঙ) পৰিৱেশ্য কলাৰ বিশিষ্ট শিল্পীসকলৰ বাবে চৰকাৰে সংস্থাপনৰ বাট মুকলি কৰিব লাগিব। তেতিয়া শিল্পীসকলে জীৱিকাৰ বাবে অন্য ক্ষেত্ৰ নিৰ্বাচন নকৰি উৎসৰ্গিত মনোভাৱেৰে পৰিৱেশ্য কলাসমূহৰ চৰ্চা তথা পৰিৱেশনত ব্ৰতী হব পাৰিব।

চ) চৰকাৰী বা বেচৰকাৰী উদ্যোগৰ যোগেদি পৰম্পৰাগত এই পৰিৱেশ্য কলাসমূহৰ সমাৰোহ আয়োজন কৰি বৈদ্যুতিন মাধ্যমত সিবিলাকৰ পৰিৱেশনৰ ব্যৱস্থা গ্ৰহণ কৰিলে কলাসমূহে কিছু জনপ্ৰিয়তা লাভ কৰাৰ লগতে অসমৰ সাংস্কৃতিক বৈভৱে ৰাষ্ট্ৰীয় পৰ্য্যায়তো প্ৰতিষ্ঠা লাভ কৰাৰ সম্ভাৱনা আছে।

## উপসংহাৰ

অধ্যয়নৰ শেষত এটা কথা প্ৰতীয়মান হৈছে যে অসমত ৰামকথা আশ্ৰয়ী পৰিৱেশ্য কলাৰ এক সুদৃঢ় পৰম্পৰা বিদ্যমান। অসমৰ সাংস্কৃতিক বিশিষ্টতাক সৰ্বভাৰতীয় পৰ্য্যায়ত প্ৰতিষ্ঠা কৰিব পৰাকৈ এই কলাসমূহ নৃত্য-গীত-অভিনয়-সংলাপ আদি নান্দনিক সুষমাৰে সমৃদ্ধ। সুৰুচিপূৰ্ণ বিনোদনৰ লগতে এই পৰিৱেশ্য কলাসমূহ শ্বাশ্বত আদৰ্শৰ বাহক আৰু ধৰ্ম নিৰপেক্ষতাৰ ৰক্ষক।

সাম্প্ৰতিক আৰ্থ-সামাজিক ব্যৱস্থাই পৰিৱেশ্য কলাসমূহৰ প্ৰতি বিভিন্ন প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। পৰিৱেশ্য কলাৰ লগত জড়িত শিল্পী আৰু সংগঠক, কলাপ্ৰেমী জনসাধাৰণ, চৰকাৰী আৰু বে-চৰকাৰী সংস্থা আদি সকলোৰে সুসমন্বিত প্ৰচেষ্টাত সুপৰিকল্পিতভাৱে কৰ্ম আঁচনি যুগুত কৰি আগবাঢ়িলে এই প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰিব পৰা যাব।

**প্ৰসংগ সূত্ৰ**


১. সংবাদ দাতা ঃ ধীৰেণ দাস, গোৱালপাৰা

২. দ্বিজেন নাথ, *গোৱালপৰীয়া লোকসংস্কৃতি*, পৃ. ১৫৫

৩. দ্বিজেন্দ্ৰ নাথ ভকত, *কুশান গান*, উপেন্দ্ৰজিৎ শৰ্মা সম্পাদিত *‘লোককৃষ্টি’* প্ৰথম বছৰ প্ৰথম সংখ্যা।

৪. ৰাজেন ৰাভা (সম্পা.), *ঘটোৎকচ বধ* নাটৰ প্ৰচ্ছদপট।

৫. নবীন চন্দ্ৰ শৰ্মা, ‘পৰম্পৰাগত ভাৰতীয় লোকনাট্য আৰু অসম’, অজিৎ শইকীয়া সম্পাদিত *‘ছশবছৰৰ অসমীয়া নাটক ঃ পৰম্পৰা আৰু পৰিৱৰ্তন’*

৬. পৰমানন্দ ৰাজবংশী, ‘অসমৰ লোকনাট্য আৰু ৰামায়ণ’ শীৰ্ষক প্ৰবন্ধ

৭. কেতিয়াবা মহাভাৰতৰ কাহিনীৰ নাটও ভাৰীগানত পৰিৱেশিত হয়।

৮. নবীন চন্দ্ৰ শৰ্মা, উল্লিখিত প্ৰবন্ধ

৯. নবীন চন্দ্ৰ শৰ্মা, *ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলা*, পৃ. ৩০২

১০. নবীন চন্দ্ৰ শৰ্মা, *ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ লোকসংস্কৃতি*, পৃ. ১৪৭

১১. পাঞ্চালিকাবিহাৰাদ্যৈঃ শিশূণাং কৌতুকৈস্তথা।
বৈবাহিকেন বিধিনা মোহয়েচ্চণ্ডিকাং শিবাম্।। *কালিকাপুৰাণ*, ৮৯/১৩৪

১২. নবীন চন্দ্ৰ শৰ্মা, উল্লিখিত গ্ৰন্থ, পৃ. ১৪৯

১৩. ৰামগোস্বামী, *অসমৰ লোকনাট্য*, পৃ. ৩৫

১৪. কতো গীত গান্ত কৃষ্ণে গোপীৰ বচনে।
ছায়া পুতলাক যেন নচাৱে যতনে।।

১৫. যুগল দাস, *অসমৰ লোককলা*, পৃ. ৫৭

# বিহুনামত নদী ঃ এক অৱলোকন

নদী আৰু মানুহৰ চিৰন্তন সম্পৰ্কই যুগে যুগে মানুহক জীয়াই থাকিবলৈ প্ৰেৰণা যোগাই আহিছে। পৃথিৱীৰ বিখ্যাত সভ্যতাসমূহ নদীক আধাৰ কৰিয়েই গঢ় লৈ উঠিছে। টাইগ্ৰীচ আৰু ইউফ্ৰেতিচ নদীক কেন্দ্ৰ কৰি বেবিলনীয় সভ্যতা, নীলনদীক কেন্দ্ৰ কৰি মিছৰীয় সভ্যতা আৰু সিন্দু নদীক কেন্দ্ৰ কৰি সিন্ধু সভ্যতাই বিকাশ লাভ কৰিছে। তদুপৰি পৃথিৱীৰ কেইবাখনো উল্লেখযোগ্য চহৰ নদীৰ পাৰত অৱস্থিত। ইংলেণ্ডৰ টেমছ নদীৰ পাৰত লণ্ডন, ইৰাকৰ টাইগ্ৰীছ নদীৰ পাৰত বাগদাদ, ফ্ৰান্সৰ ছিয়েন নদীৰ পাৰত পেৰিছ, আমেৰিকাৰ হাডছন নদীৰ পাৰত নিউয়ৰ্ক, থাইলেণ্ডৰ মেনাম নদীৰ পাৰত বেংকক, পাকিস্তানৰ সিন্ধু নদীৰ পাৰত কৰাচী, জাৰ্মানীৰ স্প্ৰী নদীৰ পাৰত বাৰ্লিন চহৰ অৱস্থিত।

ভাৰতৰ অতি প্ৰাচীন গৌৰৱময় সিন্ধু সভ্যতা সিন্ধু নদীক কেন্দ্ৰ কৰি গঢ়ি উঠিছিল। ভাৰতৰ আন কেইখনমান উল্লেখযোগ্য নদী গংগা, ব্ৰহ্মপুত্ৰ, যমুনা, সৰস্বতী, ইৰাৱতী, কাবেৰী, নৰ্মদা, শতদ্ৰু, বিপাশা, দামোদৰ, কুশী আদিয়ে ভাৰতীয় জাতীয় জীৱনত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে।

ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত অসম এখন নদী মাতৃক দেশ। অসমৰ সভ্যতা সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰত এই অঞ্চলৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহে এক উল্লেখযোগ্য বৰঙণি যোগাই আহিছে। অসমৰ লোক সাংস্কৃতিক ক্ষেত্ৰখনক এই নদীসমূহে সমৃদ্ধ কৰি ৰাখিছে। অসমৰ লোক জীৱনৰ লগত গভীৰভাৱে সংপৃক্ত হৈ থকা লোকগীত, লোকোক্তি, লোকবিশ্বাস, খাদ্যাভাস, লোক উৎসৱ, খেল-ধেমালি আদিৰ প্ৰসংগত নদীৰ অনুষংগ বিচাৰি পোৱা যায়। তদুপৰি অসমৰ অৰ্থনৈতিক আৰু পাৰিপাৰ্শ্বিক দিশতো অসমৰ নদ-নদীসমূহে যোগাত্মক ভূমিকা গ্ৰহণ কৰি আহিছে। এই ৰচনাত অসমীয়া লোকগীতৰ অন্তৰ্গত বিহুনামত নদীৰ অনুষংগ বিচাৰি চোৱাৰ

প্ৰয়াস কৰা হৈছে।

অসমত বসন্ত ঋতুত উলহ-মালহেৰে উদ্‌যাপন কৰা জাতীয় উৎসৱ ব'হাগ বিহু অসমীয়া জনজীৱনৰ অতি আদৰৰ। এই উৎসৱত পৰিৱেশন কৰা বিহুনামসমূহে অসমৰ মৌখিক পৰম্পৰাৰ লোকগীতসমূহক সমৃদ্ধ কৰি আহিছে। অসমীয়া জনজীৱনৰ সৰ্বতো দিশৰ সহজ সৰল আৰু স্বতঃস্ফূৰ্ত প্ৰকাশ ঘটা বিহুনামসমূহত অসমৰ প্ৰকৃতি জগতখনে বিভিন্ন ৰূপত ভূমুকি মাৰিছে। এই প্ৰসংগত বিৰিঞ্চি কুমাৰ বৰুৱাই লিখিছে, **'বিহুগীত সমূহ বিশ্লেষণ কৰিলে তাত অসমৰ প্ৰকৃতিৰ প্ৰধান চাৰিটা চিত্ৰ ৰূপায়িত হোৱা দেখা যায়। সেইয়া হৈছে অসমৰ নদ-নদী, গৰু ম'হৰ চৰণীয়া উদং চাপৰি আৰু জীৱন ধাৰণৰ বাবে সমল যোগোৱা বহল পথাৰ, প্ৰকৃতিৰ সঞ্চয় ভঁৰাল পৰ্বত ৰাজি আৰু বিচিত্ৰ বৰ্ণ আৰু মধুৰ সংগীত সৃষ্টি কৰা পশু-পক্ষী সমূহ।'** (*অসমীয়া ভাষা আৰু সংস্কৃতি*, পৃ. ১২৯)

নদ-নদীক কেন্দ্ৰ কৰি অসমীয়াত বহুত বিহুনাম সৃষ্টি হৈছে। অসমৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰ বিহুনামত বৰলুইত, চিৰিলুইত, লুইত, বুঢ়ালুইত, বৰনৈ, বৰহমপুত্ৰ আদি নামেৰে উল্লেখ হৈছে। ব্ৰহ্মপুত্ৰৰ উপৰিও ইয়াৰ উপনৈসমূহ বিহুনামত বিভিন্ন ৰূপত চিত্ৰিত হৈছে।

**দৈৱিক শক্তিৰ প্ৰতিভূ ৰূপে**— মানুহে অতি প্ৰাচীন কালৰেপৰা প্ৰকৃতিৰ বিভিন্ন উপাদানক দৈৱিক শক্তিৰ প্ৰতিভূ ৰূপে স্বীকাৰ কৰি আহিছে। ইয়াৰ ফলতেই বৃক্ষ পূজা, অগ্নি পূজা, শিল পূজা, নদী পূজা আদিৰ ধাৰণাই মানুহক যুগে যুগে প্ৰভাৱিত কৰিবলৈ সক্ষম হৈছে। অসমৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰই অসমীয়া জনমানসত দৈৱিক শক্তিৰ প্ৰতিভূ ৰূপে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি থকাৰ প্ৰসংগ বিহুনামত উল্লেখ হৈছে এনেদৰে—

*'বৰহমপুত্ৰৰ পাৰৰে বৰহমথুৰি এজুপি*
*আমিনো খৰি লুৰা ঠাই,*
*উটুৱাই নিনিবা বৰহমপুত্ৰ দেৱতা*
*তামোল দি মাতোঁতা নাই।'*

**প্ৰাকৃতিক সৌন্দৰ্য্যৰ আধাৰ ৰূপে**— প্ৰাকৃতিক সৌন্দৰ্য্য সৃষ্টিৰ ক্ষেত্ৰত প্ৰকৃতিৰ উপাদানসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সেউজীয়া

অৰণ্য, ওখ পাহাৰ, বোঁৱতী নৈ, বিভিন্ন বৰণৰ চৰাই-চিৰিকতি, বিবিধ ফুল, বিবিধ জীৱ-জন্তু আদিয়ে প্ৰকৃতিৰ সৌন্দৰ্য্য বৃদ্ধি কৰিছে। বিহুনামত প্ৰাকৃতিক শোভা উন্মোচিত হৈছে এনেদৰে—

*নৈলৈ হালিলে নদালী ভলুকা*
*পথাৰলৈ হালিলে কাক,*
*বুকুৰে কামিহাড় হ'ল ডালি ডালি*
*কালৈ চিন্তা কৰি থাক।'*

**দৈনন্দিন কৰ্ম সম্পাদনৰ থলী ৰূপে**— আদিম কালত মানুহে দৈনন্দিন কাম-কাজ সম্পন্ন কৰাৰ বাবে নদীসমূহকে লক্ষ্য কৰি লৈছিল। নদী সমূহত জাক পাতি গা ধোৱা, কাপোৰ ধোৱা, নদীৰ পাৰত খেতি-বাতি কৰা আদি নৈমিত্তিক কাম-কাজসমূহ সম্পন্ন কৰাৰ লগতে ঘৰৰ বাবে প্ৰয়োজনীয় পানী নদীৰ বুকুৰপৰাই সংগ্ৰহ কৰিছিল। তদুপৰি এই নদীৰ ঘাটসমূহ ডেকা-গাভৰু সকলৰ প্ৰেম-পিৰীতিৰ মনোৰম ঠাই আছিল। উদাহৰণস্বৰূপে—

*'কঢ়া সোৰণশিৰি হ'ল একে সুঁতি*
*মাৰো চুলি মেলি বুৰ,*
*ৰাতিৰে ৰাতিটো ভাবিলো চিন্তিলো*
*কথাৰো নেপালো ওৰ।'*

আকৌ—

*'চিৰিপ চিৰিপ কৰি কাপোৰ ধুই আছিলোঁ*
*চিৰি লুইতলৈ চাই,*
*চিৰি লুইতে সুহুৰি মাৰিলে*
*ধনে নাও মেলি যায়।'*

**জৈৱ বৈচিত্ৰ্যৰ ভঁৰাল ৰূপে**— নদ-নদীসমূহে জৈৱ বৈচিত্ৰ্যৰ ভঁৰাল ৰূপে পাৰিপাৰ্শ্বিক ভাৰসাম্য অটুত ৰখাৰ দিশত উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। নদীৰ বুকুত আশ্ৰয় লৈ থকা ঘঁৰিয়াল, শিহু, সাপ, বেং আদি বিভিন্ন জীৱই পৰিৱেশৰ সন্তুলন ৰক্ষা কৰে। তদুপৰি নদীত থকা মাছ, কাছ

আদি জলজ সম্পদসমূহে মানুহৰ অৰ্থনৈতিক বুনিয়াদো নিৰ্মাণ কৰি আহিছে। বিহু নামত জলজ সম্পদৰ উল্লেখ পোৱা যায় এনেদৰে—

*'লুইতৰ বালি বগী ঢকেঢকি*
*কাছই কণী পাৰে লেখি,*
*গাত জুই জ্বলিছে সৰিয়হ ফুটিছে*
*ধনক নৈৰ ঘাটত দেখি।'*

**যাতায়তৰ মাধ্যম ৰূপে**— প্ৰাচীন কালৰেপৰা মানুহে যাতায়তৰ ক্ষেত্ৰত স্থলপথৰ সমান্তৰালভাৱে জলপথো ব্যৱহাৰ কৰি আহিছে। বেপাৰ বাণিজ্যৰ ক্ষেত্ৰত বণিজসকলে জলপথক প্ৰাধান্য দিয়াৰ কথা বিভিন্ন তথ্যই সমৰ্থন কৰে। তদুপৰি স্থানীয় লোকসকলেও বিভিন্ন প্ৰয়োজনত **নদীপথ**ৰ আশ্ৰয় লৈছিল। বিহু নামত যাতায়তৰ মাধ্যম ৰূপে নদীৰ উল্লেখ আছে এনেদৰে—

*মইনাই নাও মেলে পানীয়ে পানীয়ে*
*মই লৰৰি মৰোঁ বামে,'*

**প্ৰেমৰ থলী আৰু প্ৰেমৰ প্ৰতিবন্ধক ৰূপে**— বিহু নামত নদীৰ ঘাটসমূহ প্ৰেম-পিৰীতি কৰাৰ থলী হিচাবে চিহ্নিত হৈ আহিছে। পানী আনিবলৈ নৈ ঘাটলৈ যোৱা গাভৰুক গোপনে লগ ধৰি ডেকাই প্ৰেম নিবেদন কৰা, ধন বেপাৰলৈ যাওঁতে গাভৰুৱে ঘাটত বিদায় জনোৱা, মনৰ আপোনজনক বিহুৱান দিয়া আদি ঘটনাৰ সাক্ষী নিৰৱধি নদী। তদুপৰি নদীক সাক্ষী কৰি পৰস্পৰে পৰস্পৰক আপোন কৰাৰ বাবে শপত লোৱাৰ প্ৰসংগও বিহুনামত উল্লেখ হৈছে। প্ৰেমৰ থলী হিচাবে চিহ্নিত হোৱাৰ সমান্তৰালভাৱে বহু সময়ত নদীয়ে ডেকা-গাভৰুৰ মিলনৰ হেঙাৰ হিচাবেও ভুমুকি মাৰিছে। নদীৰ দুটা পাৰত দুজনৰ ঘৰ হোৱাৰ বাবে ইজনে সিজনক লগ ধৰিব নোৱাৰাৰ দুখ বিহুনামত প্ৰকাশ পাইছে—

*'তোমাৰ ঘৰ সিপাৰে মোৰ ঘৰ ইপাৰে*
*মাজতে বোঁৱতী নৈ,*
*চৰাই হোৱা হ'লে উৰি গ'লোহেঁতেন*
*দুকাষে দুপাখি লৈ।'*

**সংহাৰী ৰূপে**— জলজ সম্পদৰ আৱাসভূমি নদীসমূহে পাৰিপাৰ্শ্বিক ভাৰসাম্যতা ৰক্ষা, নৈসৰ্গিক শোভা বৰ্ধন, আৱৰ্জনা নিষ্কাষণ আদিৰ দৰে বিভিন্ন দিশত আশীৰ্বাদ সদৃশ ভূমিকা পালন কৰে যদিও বহু সময়ত জনজীৱনৰ আশা-আকাংক্ষা মষিমূৰ কৰি অভিশাপ সদৃশ হৈ পৰে। বিশেষকৈ নদীয়ে বাৰিষা সংহাৰী ৰূপ ধৰি খেতি-পথাৰ নষ্ট কৰাৰ ফলত কৃষিজীৱি জনসাধাৰণৰ দুখ কুলাই পাচিয়ে নধৰা হয়। বিহুনামত নদীৰ এই সংহাৰী ৰূপ চিত্ৰিত হৈছে এনেদৰে—

*‘এই বেলি আহুধান ন পানীয়ে মাৰিলে*
*অহা বেলি আহুধান পাম।’*

জনজীৱনৰ লগত নদীৰ সম্পৰ্ক গভীৰ আৰু প্ৰাচীন। নদীক কেন্দ্ৰ কৰি জনসাধাৰণৰ মাজত গঢ়ি উঠিছে কিছুমান বিশ্বাস। সেই বিশ্বাসেই নদীক দৈৱিক শক্তিৰ প্ৰতিভূ ৰূপে স্বীকাৰ কৰাত অৰিহণা যোগাইছে। তদুপৰি প্ৰাকৃতিক সৌন্দৰ্য্য সৃষ্টিত, জনসাধাৰণে দৈনন্দিন কৰ্ম সম্পাদন কৰাত, জৈৱ বৈচিত্ৰ্যৰ সুৰক্ষাত, যাতায়ত ব্যৱস্থা সুচল কৰা আদি দিশত নদীয়ে যুগে যুগে মানুহক উপকৃত কৰি আহিছে। অনাদি কালৰেপৰা নদীয়ে বিভিন্ন ধৰণেৰে জনসমাজৰ প্ৰয়োজনীয়তা পূৰণ কৰি অহাৰ লগতে পাৰিপাৰ্শ্বিক ভাৰসাম্য ৰক্ষা কৰি জনসমাজক সমৃদ্ধিশালী ভৱিষ্যতৰো প্ৰতিশ্ৰুতি দি আহিছে। অনামী চহা কবিৰ ৰচনা বিহু নামসমূহত নদীয়ে দৈৱিক শক্তিৰ প্ৰতিভূ ৰূপে, প্ৰাকৃতিক সৌন্দৰ্য্যৰ আধাৰ ৰূপে, জনসাধাৰণৰ দৈনন্দিন কৰ্ম সম্পাদনৰ থলী ৰূপে, জৈৱ বৈচিত্ৰ্যৰ ভঁৰাল ৰূপে, যাতায়তৰ মাধ্যম ৰূপে, প্ৰেমৰ থলী আৰু প্ৰেমৰ প্ৰতিবন্ধক ৰূপে, সংহাৰী ৰূপে চিত্ৰিত হোৱা পৰিলক্ষিত হয়।

# অসমীয়া সমাজ জীৱনত নামঘৰৰ গুৰুত্ব

অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সুকুমাৰ কলাক মাধ্যম হিচাবে গ্ৰহণ কৰিছিল। সুকুমাৰ কলাৰ অন্তৰ্গত সাহিত্য, সংগীত, নৃত্য (চিত্ৰ), স্থাপত্য আৰু ভাস্কৰ্য্যৰ প্ৰতিটো দিশতে আগবঢ়োৱা অৱদানৰ যোগেদি শংকৰদেৱে তেখেতৰ অসামান্য প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে। বিশেষভাৱে সাহিত্যৰ ক্ষেত্ৰত নাট্য সাহিত্য আৰু কাব্য সাহিত্য, সংগীতৰ ক্ষেত্ৰত বৰগীত আৰু নাটৰ গীত, নৃত্যৰ ক্ষেত্ৰত সত্ৰীয়া নৃত্য, স্থাপত্যৰ ক্ষেত্ৰত নামঘৰ আৰু ভাস্কৰ্য্যৰ ক্ষেত্ৰত গুৰু আসনৰ প্ৰসংগ আদি উল্লেখযোগ্য।

শ্ৰীমন্ত শংকৰদেৱে প্ৰৱৰ্তন কৰা নৱবৈষ্ণৱ ধৰ্মৰ আদৰ্শ 'এক দেৱ, এক সেৱ'ৰ দ্বাৰা অসমৰ মানুহৰ আধ্যাত্মিক, সাংস্কৃতিক, বৌদ্ধিক, সামাজিক সংস্কাৰ সাধনৰ থলীৰূপে নামঘৰে পঞ্চদশ শতিকাৰেপৰা এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ১৪৬৮ খ্ৰীষ্টাব্দত বৰদোৱাত শ্ৰীমন্ত শংকৰদেৱে প্ৰথম নামঘৰ প্ৰতিষ্ঠা কৰি এক অবিৰত সাংস্কৃতিক যাত্ৰাৰ শুভাৰম্ভ কৰি জাতিটোক ঐক্যবদ্ধ কৰাৰ চেষ্টা কৰিছিল। অসমৰ নামঘৰৰ দৰে উৰিষ্যাতো 'ভাগৱত টুঙ্গী'ৰ সামাজিক-সাংস্কৃতিক ভূমিকাই ওড়িয়া সমাজক একতাৰ এনাজৰীয়ে বান্ধি ৰাখিছে।

নামঘৰৰ নিৰ্মাণ কৌশল যথেষ্ট বৈশিষ্ট্যপূৰ্ণ। পণ্ডিতসকলৰ মতে শংকৰদেৱে নামঘৰৰ আৰ্হি মিচিংসকলৰ 'মৰংঘৰ' আৰু বৌদ্ধসকলৰ 'বৌদ্ধ বিহাৰ'ৰ আধাৰত গ্ৰহণ কৰিছিল। নামঘৰ সাধাৰণতে চাৰি প্ৰকাৰৰ গৃহৰ সমষ্টি— মণিকূট, কীৰ্তন ঘৰ, বাটচ'ৰা আৰু ছোঁঘৰ। কীৰ্তনঘৰ পূবা-পশ্চিমাকৈ নিৰ্মাণ কৰি পূৱৰ কোঠাৰ সৈতে সংলগ্ন কৰি উত্তৰা-দক্ষিণাকৈ মণিকূট নিৰ্মাণ কৰা হয়। অৱশ্যে শংকৰদেৱৰ দিনত উত্তৰা-দক্ষিণাকৈ নিৰ্মাণ কৰা মণিকূট নাছিল। কীৰ্তনঘৰৰ পূৱ অংশৰ কোঠাটোকে মণিকূট কৰি ৰখা

হৈছিল। মণিকূটৰ মাজভাগত গুৰু আসন প্ৰতিষ্ঠা কৰি সেৱা আগবঢ়োৱাৰ পৰম্পৰা আজিও বিৰাজমান। এই গুৰু আসনৰ আকৃতি-সিংহাসন, গৰুড়াসন আৰু ম'ৰাসন ৰূপত থাকে। কীৰ্তনঘৰৰ শেষ কোঠাৰ সৈতে দক্ষিণ-পশ্চিম কোণত ছোঁঘৰ আৰু কীৰ্তনঘৰৰ প্ৰৱেশ পথত বাটচ'ৰা নিৰ্মাণ কৰা হয়। সাধাৰণতে কীৰ্তনঘৰটো সাত কোঠালিৰ হ'ব লাগে আৰু এই সাত কোঠালিক 'সপ্ত বৈকুণ্ঠৰ প্ৰতীক' বুলি ধৰা হয়।

আৰম্ভণিতে ধৰ্মীয় প্ৰতিষ্ঠানৰূপে স্বীকৃত নামঘৰ পৰৱৰ্তী সময়ত সামাজিক-সাংস্কৃতিক জীৱনৰ কেন্দ্ৰ হৈ পৰিল। এই দিশৰ প্ৰতি লক্ষ্য কৰি ড° বিৰিঞ্চি কুমাৰ বৰুৱাই নামঘৰক 'অসমীয়া জাতীয় সংস্কৃতিৰ যাদুঘৰ' আৰু ড° নগেন শইকীয়াই 'আধ্যাত্মিক, নৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু সামাজিক জীৱনৰ প্ৰাণকেন্দ্ৰ' আখ্যা দিছে। হোজা, অনাক্ষৰী, গাঁৱলীয়া লোকসকলে ভগৱানৰ গুণানুকীৰ্তন কৰি, বিবিধ শাস্ত্ৰ শ্ৰৱণ কৰি তেওঁলোকৰ মানসিক পৰিধি বহল কৰিবলৈ নামঘৰৰ মজিয়াতে শিক্ষা লাভৰ সুযোগ পালে। তাকে উপলব্ধি কৰি ড° সূৰ্য্যকুমাৰ ভূঞাই মন্তব্য কৰিছে— "Namghar is an important educational institution specially for the uneducated people of Assam"।

সামাজিক সমতা আৰু একতা অটুত ৰখাত নামঘৰৰ গুৰুত্ব অপৰিসীম। সমাজৰ জাতি, ধৰ্ম, বৰ্ণ আদিৰ নামত থকা বিভেদ দূৰ কৰি নামঘৰত সকলোৰে প্ৰৱেশৰ অধিকাৰ আৰম্ভণিৰপৰাই আছিল। সামাজিক ঐক্য অক্ষুণ্ণ ৰাখি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে গাৰোৰ গোবিন্দ, মিচিঙৰ পৰমানন্দ, নগাৰ নৰোত্তম, কছাৰীৰ ৰমাই, বনিয়াৰ হৰি দাস, যবনৰ ছান্দ খাঁ, ব্ৰাহ্মণৰ ৰামৰাম গুৰু আদি সকলোকে সম মৰ্যাদা প্ৰদান কৰি নামঘৰৰ মজিয়াত এক সবল সংহতিৰ ভেঁটি নিৰ্মাণ কৰিছিল। তদুপৰি নামঘৰক কেন্দ্ৰ কৰিয়েই নৃত্য-গীত, বাদ্য, অভিনয় আদি কলাৰ চৰ্চাই জনসাধাৰণক সহজে আকৃষ্ট কৰিছিল। ইয়াৰ ফলশ্ৰুতিতে জনসাধাৰণ সাংস্কৃতিকভাৱে ঐক্যবদ্ধ হৈছিল আৰু তেওঁলোকৰ মাজত এক সামাজিক-সাংস্কৃতিক চেতনা গঢ় লৈ উঠিছিল।

গ্ৰাম্য সমাজত বহু সময়ত নামঘৰে বিচাৰালয়ৰ ভূমিকাও পালন কৰিব লগা হৈছিল। গাঁৱৰ কোনো ব্যক্তিয়ে অসামাজিক কাম কৰিলে নামঘৰত মেল চপাই বিচাৰ কৰা হয়। দোষী ব্যক্তিক দণ্ড প্ৰদান কৰি আত্ম উপলব্ধিৰ

যোগেদি আত্মশুদ্ধিৰ পথ মুকলি কৰি সমাজত শান্তি-শৃংখলা অটুত ৰাখিবৰ বাবে প্ৰচেষ্টা কৰা হয়। তদুপৰি নামঘৰৰ বিভিন্ন কাম-কাজে জনসাধাৰণক গণতান্ত্ৰিক চিন্তাধাৰাৰে উদ্বুদ্ধ হ'বলৈ অনুপ্ৰাণিত কৰে। নামঘৰৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত বিষয়বাব নিৰ্বাচন গণতান্ত্ৰিকভাৱে পৰিচালিত হয়। জাত-পাত, ধনী-দুখীয়া আদি বিচাৰ নকৰি যোগ্যতাসম্পন্ন লোকক গায়ন, বায়ন, দেউৰী, পাঠেকী, নামাচাৰ্য্য, নামঘৰীয়া, মেধি, বৰমেধি, ভঁৰালী, ৰান্ধনি, বিলনীয়া, সাতোলা, পাচনি আদিৰ দায়িত্ব অৰ্পণ কৰা হয়। পদ মৰ্যাদা অনুসৰি প্ৰতিগৰাকী দায়িত্বশীল ব্যক্তিৰে আসন বেলেগ বেলেগ।

গ্ৰাম্য অৰ্থনীতিৰ উত্তৰণত নামঘৰৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। নামঘৰত ব্যৱহৃত সামগ্ৰী নিৰ্মাণেৰে গাঁৱলীয়া লোকে নিজৰ অৰ্থনৈতিক অৱস্থাক টনকিয়াল কৰি আহিছে। সিংহাসন, কৰণি, কাঠৰ শৰাই, চাকি, গছা, ডবা, মৃদংগ, খোল, কঠ, খৰাহী, পাচি আদি নামঘৰত ব্যৱহৃত সামগ্ৰী নিৰ্মাণ কৰি গ্ৰাম্য লোকে অৰ্থ উপাৰ্জন কৰিবলৈ সক্ষম হোৱাটো উল্লেখযোগ্য।

মুঠতে, অসমীয়া সমাজত নামঘৰৰ গুৰুত্ব অপৰিসীম। অসমীয়া জনসাধাৰণৰ মাজত সামাজিক সমতা, সাংস্কৃতিক চেতনা, গণতান্ত্ৰিক মূল্যবোধ, অৰ্থনৈতিক উত্তৰণৰ চেতনা, নৈতিক প্ৰমূল্য আদিৰ উন্মেষ, প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত নামঘৰে অতীজৰেপৰা এক যোগাত্মক ভূমিকা পালন কৰি আহিছে।

# জীৱনালেখ্য

# জনগণৰ মনৰ অধিনায়ক মহাত্মা গান্ধী

শেৱালী কবি ৰত্নকান্ত বৰকাকতিদেৱৰ কবিতাৰ উদ্ধৃতিৰেই আৰম্ভ কৰোঁ—

"জীৱন্ত কবিতা তুমি আপুনি মহাত্মা
............ কোটি কবি-কণ্ঠ জিনি
তুমি আজি ভাৰতৰ মৰ্ম্মবাণী শত
শতাব্দীৰ .............।"

ইয়াৰ মাজত গান্ধী দৰ্শনৰ সাৰ নাই; কিন্তু অসমীয়া কাব্য সাহিত্যৰ এক অবিশাল অংশ জুৰি থকা গান্ধীজীৰ অকণমান চিনাকি ফুটি উঠিছে। মহাত্মা গান্ধীক যদি এজন ৰাজনীতিবিদ বুলি কোৱা হয় অথবা এজন মানৱতাবাদী বুলি কোৱা হয় তেতিয়া গান্ধীৰ ব্যক্তিত্বৰ এটা দিশহে চকুত পৰে। গান্ধীজীৰ সম্যক পৰিচয় তেতিয়াহে স্পষ্ট ৰূপত ধৰা দিব যেতিয়া তেৰাৰ আদৰ্শৰে হাজাৰ ভাৰতীয় অনুপ্ৰাণিত হৈ সাম্প্ৰতিক অস্থিৰ বাতাবৰণটোৰ বিপক্ষে থিয় দিব।

এজন ৰাজনীতিবিদ হিচাপে মহাত্মা গান্ধীৰ যিবোৰ প্ৰকৃতিগত বিশেষত্ব আছে, সেইবোৰেই তেখেতক আন আন ৰাজনীতিবিদৰপৰা পৃথক কৰিছে। গান্ধীজীয়ে নিজক যিকোনো ৰাজনৈতিক সমস্যাৰ উৰ্দ্ধলৈ তুলি অতি কঠিন সমস্যাকো সমাধান কৰিব পাৰিছিল। কিন্তু বৰ্তমানৰ ৰাজনীতিবিদসকলে সমস্যাৰ উৰ্দ্ধলৈ নিজকে উত্তৰণ ঘটোৱাটো দূৰৰে কথা, আনহে নালাগে সমস্যাৰ সমকক্ষই হ'ব নোৱাৰে। এই সম্পৰ্কত সাহিত্যিক চন্দ্ৰপ্ৰসাদ শইকীয়াৰ বক্তব্য প্ৰণিধানযোগ্য। তেখেতে লিখিছে, "ভাৰতৰ তিনিজন মহান পুৰুষ বুদ্ধ, কৃষ্ণ আৰু মহাত্মা গান্ধীয়ে ইচ্ছা কৰা হ'লে ভাৰতবৰ্ষৰ একছত্ৰী শাসক হ'ব পাৰিলেহেঁতেন। মহানিৰ্বাণ লাভ নকৰি বুদ্ধই, মহাভাৰতীয় যুদ্ধৰ পিছ মুহূৰ্ততে ব্যাধৰ হাতত ইচ্ছামৃত্যু নঘটায় কৃষ্ণই, স্বাধীনতাৰ পিছত হৰিজন ক'ল'নীলৈ প্ৰত্যাৱৰ্তন নকৰি মহাত্মা গান্ধীয়ে ভাৰতৰ একছত্ৰী নায়ক হ'ব পাৰিলেহেঁতেন। তেৰাসৱে সেই কাম কৰিব নোৱাৰে, কাৰণ তেৰাসবৰ সেই

ক্ষমতাতকৈ তেৰাসৰ অযুত গুণ অধিক ক্ষমতাশালী।”

গান্ধীজী এজন মানৱতাবাদী পুৰুষ আছিল। সমাজ-সংস্কাৰ, ধৰ্ম, আধ্যাত্মিকতা আদিৰ সম্পৰ্কত তেখেতে নতুন নতুন চিন্তা-চৰ্চা কৰি, বৈজ্ঞানিক দৃষ্টিভংগীৰ সূচনা কৰিছিল। প্ৰাক্‌গান্ধীৰ কালতো মানুহ স্বাধীনতা পিপাসু আছিল। সেই সময়ত সকলোৱে বিশ্বাস কৰিছিল সশস্ত্ৰ সংগ্ৰামৰ ওপৰত। কিন্তু পোনপ্ৰথমবাৰৰ বাবে গান্ধীয়ে প্ৰমাণ কৰি দেখুৱালে যে অহিংস পদ্ধতিৰে যুঁজিও মানুহ স্বাধীন হব পাৰে। তেখেতে স্পষ্টভাষাৰে কৈছিল যে লক্ষ্য মহান হলেও সৎ, অহিংস আৰু নীতি সন্মত উপায়েৰেহে ব্যক্তি বা সমাজে কাৰ্য্যত ব্ৰতী হোৱা উচিত।

গান্ধীজী এজন ঈশ্বৰভক্ত পুৰুষ আছিল। প্ৰাৰ্থনাৰ লক্ষ্য হিচাবে তেওঁক এজন ঈশ্বৰ লাগিছিল। সাহিত্যিক হোমেন বৰগোহাঞিয়ে লিখিছে, “গান্ধীজীৰ মুখত ঈশ্বৰৰ নাম অহৰহ লাগিয়ে আছিল, প্ৰাৰ্থনা আছিল তেওঁৰ জীৱন-চৰ্চ্চাৰ প্ৰধানতম্ অংগ। হঠাৎ মনত এটা প্ৰশ্ন উদয় হোৱাটো স্বাভাৱিক যে গান্ধীয়ে কেনে ঈশ্বৰক বিশ্বাস কৰিছিল।

১৯৩১ চনৰ কথা। ছুইজাৰলেণ্ডত ৰমাঁৰলাঁৰ আলহী হোৱাৰ সৌভাগ্য ঘটিছিল গান্ধীজীৰ। তেতিয়া এৰিখ শ্ৰাম নামৰ এজন জাৰ্মান ধৰ্ম শিক্ষকে ৰমাঁৰলাঁৰ জৰিয়তে গান্ধীজীক কৰা ঈশ্বৰ সম্পৰ্কীয় প্ৰশ্ন এটাৰ উত্তৰত গান্ধীয়ে কৈছিল, “ঈশ্বৰ কোনো ব্যক্তি নহয়। তেওঁ কেৱল অপৰিৱৰ্তনীয় নিয়ম। এই ক্ষেত্ৰত এই নিয়ম আৰু নিয়মৰ কৰ্তা একেজনেই। সাধাৰণ অভিজ্ঞতাৰে নিয়ম বুলিলে আমি কিতাপৰ নিয়মৰ কথা বুজো। কিন্তু এই ক্ষেত্ৰত মই যেতিয়া নিয়মৰ কথা কওঁ, মই কওঁ জীৱন্ত নিয়মৰ কথা। সেয়েই ঈশ্বৰ। এই নিয়মৰ কেতিয়াও সলনি নহয়। ই শ্বাশ্বত। ই কোনো ব্যক্তিৰূপী ঈশ্বৰ নহয় - যি ঈশ্বৰে অৱস্থা অনুসাৰে ভিন্ ভিন্ ৰূপ লব পাৰে। ঈশ্বৰ হ’ল এটা শাশ্বত নীতি আৰু সেই কাৰণেই মই কওঁ সত্যই ঈশ্বৰ।” ঈশ্বৰ সম্পৰ্কীয় গান্ধীজীৰ ধাৰণাক অলপ দকৈ অধ্যয়ন কৰিলে দেখা যায় যে আইনষ্টাইনৰ ঈশ্বৰৰ লগত গান্ধীজীৰ ঈশ্বৰৰ কোনো পাৰ্থক্য নাই।

গান্ধীৰ ঈশ্বৰ সম্পৰ্কীয় ধাৰণা অবগত হোৱাৰ পিছত স্বাভাৱিকতে আমাৰ মনত প্ৰশ্ন হয় সত্য কি? যীশুখ্ৰীষ্টৰ সমস্যাৰ দ্বাৰা বিব্ৰত হৈ ৰোমান পাইলটে প্ৰশ্ন কৰাৰ দৰে আমাৰো প্ৰশ্ন কৰিবৰ মন যায়— 'What is truth'?

সত্যৰ সংজ্ঞা নিৰূপণ কৰি মহাকাব্য মহাভাৰতত কোৱা হৈছে, “সম, দম, অমাৎসৰ্ম, ক্ষমা, হ্ৰী, তিতিক্ষা, অনসূয়া, ত্যাগ, ধ্যান, আৰ্মত্ব, ধৃতি, দয়া আৰু অহিংসা এই তেৰবিধ গুণেই সত্য আৰু ইয়েই ধৰ্ম।”

ধৰ্ম অথবা ঈশ্বৰৰ মূল হিচাবে যি সত্যৰ কথা কোৱা হৈছে সেই ‘সত্য’ শব্দটো মূল ‘সৎ’ ধাতুৰ পৰা আহিছে। ঋকবেদত ‘সৎ’ শব্দৰ পাচোঁটা তত্ত্বৰ কথা কোৱা হৈছে। সেইয়া হ’ল, “বিশ্বৰ মূল সত্ত্বা, দৃশ্যমান সত্ত্বা, সাধুতা, সত্যবাদিতা আৰু মংগলময়তা।” এই গুণকেইটা আহৰণ কৰাই মানুহৰ প্ৰধান কৰ্তব্য আৰু ধৰ্মৰো মূল উদ্দেশ্য।

মহাত্মা গান্ধীৰ এটা কাব্যিক মন আছিল। গান্ধীয়ে ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশ এখনত কুটীৰ শিল্প আৰু যঁতৰৰ ওপৰত মাত্ৰাধিক গুৰুত্ব আৰোপ কৰিছিল। এটা কথা উল্লেখনীয় যে গান্ধীয়ে কুটীৰ শিল্প আৰু যঁতৰক একোটা প্ৰতীক হিচাবেহে গ্ৰহণ কৰিছিল। তেওঁ বুজাব খুজিছিল, “যিখন দেশত লাখ লাখ মানুহৰ পিঠিত কাপোৰ নাই, এখন ভাল চুৰীয়া বা লুঙী নাই সেইখন দেশৰ মানুহে পইচা আছে বুলিয়েই পোন্ধৰটা গৰম কোট ৰখাৰ যুক্তি বা নৈতিক অধিকাৰ নাই।”

গান্ধী আছিল সাম্প্ৰদায়িক সম্প্ৰীতিৰ এনাজৰী। সকলো ধৰ্মৰে মহত্ব স্বীকাৰ কৰি ভাৰতৰ ধৰ্মীয় পৰম্পৰাৰ মহান প্ৰবক্তা হিচাবে খ্যাতি লাভ কৰিছিল গান্ধীজীয়ে। উল্লেখযোগ্য যে সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাবে তেওঁ নিজৰ জীৱনটোকো তুচ্ছ জ্ঞান কৰিছিল।

সাম্প্ৰদায়িক সংঘৰ্ষ, কুটীৰ শিল্পসমূহৰ মৃতপ্ৰায় অৱস্থা, দেশত ক্ৰমান্বয়ে বৃদ্ধি পোৱা সন্ত্ৰাসবাদ আদিলৈ আঙুলিয়াই দি বহুতে গান্ধীজীৰ দৰ্শনৰ অন্তঃসাৰশূন্যতাৰ কথা ক’ব বিচাৰে। কিন্তু অনাগত সময়ৰ পৰিস্থিতিৰ প্ৰতি চকু ৰাখি বৈজ্ঞানিক দৃষ্টিভংগীৰে গান্ধী দৰ্শনৰ মূল্যায়ণ কৰিলে গান্ধী দৰ্শনৰ অন্তঃসাৰশূণ্যতা আঁতৰি তেৰাৰ দৰ্শনৰ স্থায়ী প্ৰাসংগিকতা উজ্জ্বলতৰ হৈ উঠিব। অৱশ্যে নেলচন মেণ্ডেলাই সেই প্ৰাসংগিকতা আৱিস্কাৰ কৰিলেই। বৰ্তমান পৃথিৱীৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় শান্তি সম্পৰ্কীয় আলোচনাত মহাত্মা গান্ধীৰ নামটো সৰ্বাধিক ব্যৱহৃত হয়। কিন্তু ভাৰতবৰ্ষত মহাত্মা গান্ধীৰ নাম উচ্চাৰিত হয় ১৫ আগষ্ট, ২ অক্টোবৰ আৰু ২৬ জানুৱাৰীতহে। মাথো আনুষ্ঠানিকতা। কোনো আন্তৰিকতা নাই।

# সাহিত্য সমালোচক ডম্বৰু কাকতি

অসমীয়া সমালোচনা সাহিত্যক সঁচা অৰ্থত সমৃদ্ধ কৰা লেখকসকলৰ ভিতৰত ডম্বৰু কাকতি অন্যতম। ১৯৬১ চনতে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ দ্বাৰা সম্পাদিত *ৰামধেনু*ৰ পাতত আৰম্ভ হোৱা কাকতিদেৱৰ সমালোচনা সাহিত্যৰ চৰ্চাই *হিমাচল, আমাৰ প্ৰতিনিধি, নৱযুগ, নতুন অসমীয়া* আদি কাকত-আলোচনীৰ পাতত বিস্তৃতি আৰু গভীৰতা লাভ কৰিছিল।

ডম্বৰু কাকতিৰ জন্ম হয় ১৯৪০ চনৰ ৬ আগষ্ট তাৰিখে শিৱসাগৰ জিলাৰ ধিতাইপুখুৰীৰ শিলাকুটি ভাজনী গাঁৱৰ বঙাল বৰকাকতিৰ পৰিয়ালত। তেখেতৰ দেউতাকৰ নাম আছিল দীননাথ বৰকাকতি আৰু মাতৃৰ নাম আছিল জেতুকী বৰকাকতি। ধিতাইপুখুৰী প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱনৰ পাতনি মেলা কাকতিদেৱে নাজিৰা হাইস্কুলৰপৰা মেট্ৰিক, শিৱসাগৰ মহাবিদ্যালয়ৰপৰা স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা অসমীয়া বিষয়ৰ সাহিত্য শাখাত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। প্ৰথম অৱস্থাত ধিতাইপুখুৰী হাইস্কুলত দুবছৰ শিক্ষকতা কৰি কাকতিদেৱে মৰিয়নি মহাবিদ্যালয়ত প্ৰতিষ্ঠাপক অধ্যাপক ৰূপে যোগদান কৰিছিল। ইয়াৰ পিছত শিৱসাগৰ মহাবিদ্যালয়ত শিক্ষকতা কৰি ২০০০ চনত অৱসৰ গ্ৰহণ কৰে। ২০০৭ চনৰ ১৬ জানুৱাৰীত এই গৰাকী ব্যক্তিৰ জীৱন নাটৰ যৱনিকা পৰে।

সমাজ জীৱনৰ লগত ডম্বৰু কাকতিৰ সম্পৰ্ক আছিল অতি গভীৰ। তেখেতে ধিতাইপুখুৰী হাইস্কুল, মৰিয়নি মহাবিদ্যালয়, বিদ্যাভৱন আদি শিক্ষানুষ্ঠান প্ৰতিষ্ঠাৰ মহান কৰ্মত ব্ৰতী হোৱাৰ লগতে জয়সাগৰত অৱস্থিত বেচৰকাৰী যাদুঘৰ আৰু ইতিহাস গৱেষণা কেন্দ্ৰ ‘উত্তৰণ’ৰ গুৰু দায়িত্ব বহন কৰিছিল। ‘শিৱসাগৰ জিলা সাহিত্য সভা’ৰ ১৯৯৫ চনৰ পৰা ২০০০ চনলৈকে একেৰাহে তিনিটা কাৰ্য্যকালৰ বাবে সভাপতিৰ দায়িত্ব বহন কৰি কাকতিদেৱে জিলা সভাখনক গতিশীল কৰাৰ লগতে দুটা কাৰ্য্যকালৰ বাবে ‘অসম সাহিত্য

সভা'ৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্য ৰূপেও সেৱা আগবঢ়াইছিল। ডম্বৰু কাকতি 'অসম কলেজ শিক্ষক সংস্থা'ৰো কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্য আছিল। তেখেতৰ সম্পাদনাত 'অসম কলেজ শিক্ষক সংস্থা'ৰ গৱেষণা পত্ৰিকাৰ তৃতীয় সংখ্যা (১৯৭২-৭৩ বৰ্ষ) সুন্দৰ ৰূপত প্ৰকাশ পাইছিল। 'জয়সাগৰ সাহিত্য সভা', 'ধিতাইপুখুৰী সাহিত্য সভা' আদি জাতীয় অনুষ্ঠানৰ শাখা প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো কাকতিদেৱৰ বৰঙণি আছিল অনন্য।

ডম্বৰু কাকতিদেৱৰ সাহিত্য চৰ্চা প্ৰধানকৈ সমালোচনা সাহিত্যকেন্দ্ৰিক। অৱশ্যে অনামিকা ছদ্মনামত কবিতা কিছুমান ৰচনা কৰাৰ কথাও জনা যায়। গ্ৰন্থ সম্পাদনাৰ ক্ষেত্ৰতো গভীৰ দখল থকা কাকতিদেৱে ত্ৰিশখনৰো অধিক স্মৃতিগ্ৰন্থ আৰু ভালেকেইখন লেখৰ পুথি সু-সম্পাদনা কৰিছে। এই গ্ৰন্থসমূহৰ সম্পাদকীয় বিলাকে তেখেতৰ সমালোচনাত্মক দৃষ্টিভংগী, প্ৰজ্ঞাৰ গভীৰতা আৰু শব্দ চয়নৰ দক্ষতাৰ সাক্ষ্য বহন কৰে।

ডম্বৰু কাকতিদেৱে নিজাববীয়াকৈ পাঁচখন গ্ৰন্থ ৰচনা কৰিছে। সেইকেইখন হৈছে *চন্দ্ৰকুমাৰ আগৰৱালা* (১৯৬৮), *সাহিত্য ঃ প্ৰসংগ আৰু অনুষংগ* (২০০৫), ডম্বৰু কাকতিৰ *নিৰ্বাচিত প্ৰবন্ধ সংকলন* (২০০৮), *চিন্তাৰ ৰেঙণি* (২০০৯) আৰু *বিস্মৃতিৰ ৰামধেনু* (২০১১)।

কাকতিদেৱৰ সাহিত্য সমালোচনাৰ পৰিধি ব্যাপক। ভাৰতীয় কাব্যৰ ৰস-ধ্বনি-অলংকাৰবাদৰপৰা এৰিষ্ট'টলৰ কাব্যতত্ত্বলৈ, ভৰতমুনিৰ *নাট্যশাস্ত্ৰ*ৰপৰা নিকলেৰ *নাট্যতত্ত্ব*লৈ, ধ্ৰুৱবাদৰপৰা উত্তৰ আধুনিক নিৰ্গঠনবাদলৈকে কাকতিদেৱৰ সাহিত্য সমালোচনাৰ বিস্তৃতি পৰিলক্ষিত হয়। ভাৰতীয় আধ্যাত্মিকতা, পাশ্চাত্যৰ উদাৰনৈতিক মানৱতা, প্ৰাণহীন উত্তৰ আধুনিক চিন্তা-ভাৱনা আদিৰ সম্পৰ্কত তেখেতৰ গভীৰ জ্ঞান আছিল। সেই জ্ঞানেই কাকতিদেৱৰ সাহিত্য সমালোচনাৰ ভেঁটিটো নিৰ্মাণ কৰিছিল।

ডম্বৰু কাকতিদেৱ তুলনামূলক সাহিত্য অধ্যয়নৰ ক্ষেত্ৰতো আগ্ৰহী আছিল। তেখেতে ১৯৯২ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ 'অসমীয়া বিভাগ'ত বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থসাহাৰ্য্যত অনুষ্ঠিত হোৱা তুলনামূলক সাহিত্যৰ তিনিদিনীয়া ৰাষ্ট্ৰীয় কৰ্মশালাখনত অংশগ্ৰহণ কৰিছিল। ইয়াৰ পিছতে তেখেতে তুলনামূলক সাহিত্যক অসমত জনপ্ৰিয় কৰিবৰ বাবে বিষয়টোৰ চৰ্চা-গৱেষণা আৰু অধ্যয়নত মনোনিৱেশ কৰে।

কাকতিদেৱৰ তুলনামূলক সাহিত্যৰ চৰ্চাক প্ৰধানতঃ দুটা দিশত আলোচনা কৰিব পাৰি। তাত্ত্বিক চৰ্চা আৰু প্ৰায়োগিক চৰ্চা। তাত্ত্বিক চৰ্চাৰ ভিতৰত 'তুলনাত্মক সাহিত্য ঃ এটি বিচাৰ' এটি উল্লেখযোগ্য প্ৰবন্ধ। কাকতিয়ে সম্পাদনা কৰা আৰু অসম সাহিত্য সভাৰ শিৱসাগৰ অধিৱেশনৰ আদৰণি সমিতিয়ে প্ৰকাশ কৰা *সাহিত্য-সংস্কৃতি সৌৰভ* (১৯৯৩) গ্ৰন্থত ই অন্তৰ্ভুক্ত হৈছে। প্ৰবন্ধটোত পদ্ধতিগতভাৱে তুলনামূলক সাহিত্য বিষয়টোৰ এটি সম্যক ধাৰণা স্পষ্ট কৰাৰ প্ৰয়াস কৰিছে। প্ৰায়োগিক চৰ্চাৰ ক্ষেত্ৰত তেখেতৰ *সাহিত্য ঃ প্ৰসংগ আৰু অনুষংগ* গ্ৰন্থত সন্নিবিষ্ট 'বাৰ্টোল ব্ৰেখট্ আৰু শংকৰদেৱৰ নাট্যকলাৰ এটি তুলনাত্মক অধ্যয়ন' আৰু *চিন্তাৰ ৰেঙণিত* সন্নিবিষ্ট 'শ্ৰীমন্ত শংকৰদেৱ আৰু আজান ফকীৰ ঃ এটি তুলনাত্মক বিচাৰ' প্ৰবন্ধ দুটাৰ কথা বিশেষভাৱে উল্লেখ কৰিব পাৰি।

ডম্বৰু কাকতি এগৰাকী বহুমুখী প্ৰতিভাধৰ ব্যক্তি আছিল। অধ্যয়ন, অধ্যাপনা আৰু সাহিত্য সাধনাৰ জৰিয়তে তেখেতে নতুন প্ৰজন্মক ইতিবাচক চিন্তাৰে আগুৱাই যোৱাৰ মহান দীক্ষা প্ৰদান কৰি থৈ গৈছে। সহজ-সৰল জীৱন যাপন কৰা কাকতিদেৱৰ প্ৰজ্ঞাৰ পোহৰে নতুন পুৰুষক সঠিক পথৰ সন্ধান দিব বুলি আমি আশাবাদী।

# কৈলাশ নাথ শৰ্মা ঃ স্ৰষ্টা আৰু দ্ৰষ্টা

অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনলৈ সংখ্যাধিক কবিতা আৰু গীত ৰচনাৰে অনবদ্য অৱদান আগবঢ়াই যোৱা প্ৰয়াত কৈলাশ নাথ শৰ্মা এগৰাকী সফল অনুবাদকো। ১৯৩১ চনৰ ১৪ নৱেম্বৰত জন্ম গ্ৰহণ কৰা শৰ্মাই ১৯৫৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা বিজ্ঞানৰ স্নাতক ডিগ্ৰী লাভ কৰে। অসম চৰকাৰৰ জিলা উদ্যোগ কেন্দ্ৰৰ মুখ্য পৰিচালকৰূপে ১৯৯১ চনত চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰা এইগৰাকী ব্যক্তিয়ে ওৰেটো জীৱন অসমীয়া ভাষা সাহিত্যৰ সেৱা কৰি ২০১০ চনৰ ১৭ অক্টোবৰত ইহলীলা সম্বৰণ কৰে।

কৈলাশ নাথ শৰ্মাৰ প্ৰথম প্ৰকাশিত কাব্যগ্ৰন্থখনৰ নাম *বকৰাণি*। পিনাকী ছদ্মনামেৰে ৰচনা কৰা কাব্য গ্ৰন্থখনৰ প্ৰধান সুৰ হৈছে নিয়ম ভঙাৰ আখৰা। 'কবিৰ কথা'ত কবিয়ে তেখেতৰ সৃষ্টিৰ প্ৰধান উপজীব্য সম্পৰ্কত লিখিছে- "নিয়মৰ কৌশলত বন্ধ জীৱন হ'ল গতিহীন। গতি নাথাকিলে সৃষ্টি সম্ভৱ নহয়। নিয়মৰ শিকলিৰে বন্ধা সমাজত আজি এক স্থৱিৰতা। এই স্থৱিৰতা মৃত্যুৰ নামান্তৰ। নিয়ম আৰু নীতি ভাঙি গতিৰ চঞ্চলতা সৃষ্টি কৰিব নোৱাৰিলে জীৱন হ'ব 'শুষ্কং কাষ্ঠং'। 'নিৰস তৰুবৰ' হোৱাৰো সম্ভাৱনা নাই। যদিও দুয়োটাৰ অৰ্থ একেই। যুৱক দস্যু ৰত্নাকৰৰ মাজত বাল্মীকিৰ জন্ম। মৰাৰপৰাহে ৰাম হয়। এইয়া ব্যতিক্ৰম। এই ব্যতিক্ৰম নহ'লে ক্ৰম হেৰাই যায়। আউল নলগা সূতাৰ বাটি কাঢ়ি কাপোৰ বব পৰাজনী শিপিনী। পিছে কেতিয়াবা বাটি কঢ়া সূতাৰ আউল লগাই লোৱাৰ ইচ্ছা জানো নহয়? আউল লগা জীৱন আৰু সমাজৰ নিয়মৰ ব্যতিক্ৰম মোৰ সৃষ্টিৰ প্ৰধান উপজীব্য।"

*বকৰাণিত* অন্তৰ্ভুক্ত কবিতাসমূহত কবিৰ জীৱনবোধৰ গভীৰতা, অনুভূতিৰ তীব্ৰতা আৰু ভাৱৰ বিশালতাৰ উমান পোৱা যায়। সমকালীন সময়ক সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি সৰল উপস্থাপনেৰে পাঠকৰ মন প্ৰাণ

উজ্জীৱিত কৰি তুলিব পৰাৰ ক্ষেত্ৰত কবিৰ সফলতা প্ৰণিধানযোগ্য। গ্ৰন্থখনৰ সম্পৰ্কত চৈয়দ আব্দুল মালিকে আগবঢ়োৱা মন্তব্য এই ক্ষেত্ৰত উল্লেখনীয়। মালিকে লিখিছে- “বৰ্তমান অসমীয়া কাব্যসৃষ্টিৰ ক্ষেত্ৰত দেখা দিয়া Pseudo-intellectualism আৰু আত্মকেন্দ্ৰিক অহমিকাৰ সলনি এই কবিতা কেইটাত আজিৰ জীৱন আৰু জগতক চোৱাৰ সাহসী প্ৰয়াস এটা আছে। যুগ সচেতন কবিৰ মানসত বৰ্তমান যুগৰ দ্বন্দ্ব আৰু সমস্যাবোৰে সন্দেহ আৰু অস্বস্তিৰ জন্ম দিয়াটো তেনেই স্বাভাৱিক কথা। সাউদৰ ল’ৰা লক্ষীন্দৰৰ কাৰণে সোণৰ নাওঁ বিচাৰাতো ক’ৰবাত নিশ্চয় আছে, কিন্তু বিধবা বেউলাৰ কাৰণে কলৰ ভূৰেই যথেষ্ট। সহজ স্পষ্টবাদীতাই কবিৰ অকৃত্ৰিম অনুভূতি প্ৰকাশ কৰিছে।”

কৈলাশ নাথ শৰ্মাৰ *তুলিকা, ওৰণি, মানাহে পখালে চৰণ* আদি কাব্যগ্ৰন্থও পাঠকৰ দ্বাৰা সমাদৃত। তদুপৰি সন্ধিক্ষণৰ কবি দেৱকান্ত বৰুৱাৰ অনুপম সৃষ্টি *সাগৰ দেখিছা*ৰ ব্যঙ্গাত্মক ৰূপ *ককাইদেউক দেখিছা* কবি কৈলাশ নাথ শৰ্মাৰ আন এক অনন্য কৃতি।

কৈলাশ নাথ শৰ্মাই অসমীয়া ভাষাৰ উপৰিও ইংৰাজী আৰু বাংলা ভাষাতো কাব্য চৰ্চা কৰিছিল। কুৰি শতিকাৰ সত্তৰ দশকৰ আৰম্ভণিতে কবিগৰাকীৰ মৌলিক ইংৰাজী কবিতাই ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়। তদানীন্তন সময়ৰ বহুল প্ৰচাৰিত সৰ্বভাৰতীয় মাহেকীয়া ইংৰাজী আলোচনী *Caravan*ত তেখেতৰ প্ৰথমটো মৌলিক ইংৰাজী কবিতা প্ৰকাশ হৈছিল। আনহাতে ২০০১ত কবিৰ একমাত্ৰ মৌলিক বাংলা কাব্য সংকলন *তেইশে জানুয়াৰী* প্ৰকাশ পায়।

গীতিকাৰ ৰূপে কৈলাশ নাথ শৰ্মাৰ সৃষ্টিশীলতাৰ উমান পোৱা যায় তেখেতৰ *সহস্ৰ গীতিমালিকা* গ্ৰন্থৰ জৰিয়তে। মননশীল অনুভৱৰ কলাত্মক প্ৰকাশ গীতসমূহৰ অন্যতম বিশেষত্ব। গীতসমূহৰ ভাৱবস্তু প্ৰাকৃতিক চেতনাৰপৰা অতি প্ৰাকৃতিক ৰহস্যময়তালৈ, ব্যক্তিগত ভাৱনাৰপৰা সামূহিক উপলব্ধিলৈ, ঐহিক জীৱনৰপৰা পাৰমাৰ্থিক সত্বালৈকে ব্যাপ্ত। গুৱাহাটী আৰু ডিব্ৰুগড় আঁনাতাৰকেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ শৰ্মাৰ গীত বহুতো কণ্ঠশিল্পীৰ জনপ্ৰিয়তাৰ আধাৰ বুলি কলেও বঢ়াই কোৱা নহয়। শৰ্মাৰ গীতৰ বিষয়ে আলোচনা কৰোতে ড° অমৰজ্যোতি চৌধুৰীয়ে লিখিছে- “প্ৰকৃতিৰ বিনন্দীয়া ৰূপৰ বন্দনাৰ পৰা ব্যক্তিগত চিন্তাৰ আঁতলৈ আৰু সামূহিক

উপলব্ধিৰ পৰা সামূহিক দৰ্শনলৈ - এই সকলোৱে সহস্ৰ গীতিমালিকাত মনজুৰোৱা বৈশিষ্ট্যৰে ভূমুকি মাৰিছে। সহস্ৰ গীতিমালিকাৰ পাতে পাতে তাৰ উদাহৰণ জোনাকী পৰুৱা হৈ আছে। গানৰ কথালৈ মন দিয়া সহৃদয় পাঠকৰ মন যে এই সমূহীয়া পোহৰৰ স্নিগ্ধতাই ধুই নিব তাত সন্দেহ নাই।”

অসমীয়া অনুবাদ সাহিত্য সমৃদ্ধিশালী কৰাৰ ক্ষেত্ৰত কৈলাশ নাথ শৰ্মাৰ অৱদান অনস্বীকাৰ্য। তেখেতে কৰা লোকমান্য বাল গংগাধৰ তিলকৰ *গীতা ৰহস্য* আৰু জয়দেৱৰ *গীত গোবিন্দম*ৰ অসমীয়া অনুবাদে সুধী সমাজৰ আদৰ বুটলিবলৈ সক্ষম হৈছিল। তদুপৰি বাংলা সাহিত্যিক নাৰায়ণ সান্যালৰ উপন্যাসৰ অসমীয়া তৰ্জমা *হিটলাৰী প্ৰেম, আনা ফ্ৰাঙ্কৰ সন্ধানত* আৰু *পাৰীৰ প্ৰেমত* শৰ্মাৰ উল্লেখযোগ্য অনুসৃষ্টি। তদুপৰি কৈলাশ নাথ শৰ্মাই ৰাধাকৃষ্ণ মঠৰ দ্বাৰা প্ৰকাশিত স্বামী হৰ্ষানন্দৰ *Hindu God and Goddesses* শীৰ্ষক গ্ৰন্থখন অসমীয়ালৈ অনুবাদ কৰি ভাৰতীয় সনাতনী পৰম্পৰাৰ লগত অসমৰ জাতীয় জীৱনক পৰিচয় কৰাই দিয়াৰ প্ৰয়াস কৰিছিল।

জীৱনমুখী চিন্তাক কলাত্মক উপস্থাপনৰ যোগেদি মানুহৰ অন্তৰত জোৱাৰ সৃষ্টি কৰিবলৈ প্ৰয়াস কৰা শৰ্মাই জীৱনত খ্যাতি আৰু যশস্যাৰ কথা ভবা নাছিল। তেখেতৰ নিজৰ ভাষাত *“নিজকে বৰ বুলি সমাজৰ বৰপীৰাত বহাৰ অনিহা।”* মাথোন জীৱনজোৰা অনুশীলনৰ জৰিয়তে মানুহ হিচাবে মানুহৰ বাবে কিবা এটা কৰি থৈ যোৱাৰ ইচ্ছাই তেখেতৰ চিন্তন মননক নিয়ন্ত্ৰিত কৰিছিল। ইয়াৰ ফলতে সৃষ্টি হৈছিল অমৃতৰ সন্তান মানুহক দিক্‌নিৰ্দেশনা দিব পৰা, উচ্চতৰ চিন্তাৰে সমৃদ্ধ তেখেতৰ ৰচনাৰাজি।

গ্রন্থ সুবাস

# শতবৰ্ষৰ পদূলিত নতুন সাজেৰে মিৰি-দোৱান

এটা ভাষাৰ প্ৰধান সম্পদ হৈছে সংশ্লিষ্ট ভাষাটোৰ শব্দসমূহ। সেই শব্দসমূহক শুদ্ধ ৰূপত অৰ্থ-ব্যাখ্যাসহ সংৰক্ষণ কৰাৰ স্বাৰ্থতে শব্দকোষ প্ৰণয়নৰ পৰম্পৰা গঢ় লৈ উঠিছে। পৃথিৱীৰ সৰু-বৰ আটাইবোৰ ভাষাতে এনে পৰম্পৰা প্ৰবাহমান। ভাৰতবৰ্ষত ৰচনা কৰা বৈদিক শব্দকোষ *নিঘণ্টু* পৃথিৱীৰ ভিতৰতে শব্দকোষ ৰচনাৰ সৰ্বপ্ৰথম প্ৰচেষ্টা বুলি কোৱা হয়।

ভাৰতবৰ্ষৰে উত্তৰ-পূব কোণত অৱস্থিত অসমত শব্দকোষ প্ৰণয়নৰ এক সুদৃঢ় পৰম্পৰা বিদ্যমান। অসমীয়া ভাষাৰ সমান্তৰালভাৱে অসমৰ অন্যান্য জনগোষ্ঠীয় ভাষাতো অলেখ শব্দকোষ প্ৰকাশ পোৱা ঘটনাই এই কথাৰ সত্যতা প্ৰতিপন্ন কৰে। প্ৰসংগক্ৰমে মিচিং, বড়ো, কাৰ্বি, দেউৰী আদি জনগোষ্ঠীয় ভাষাৰ শব্দকোষসমূহৰ কথা উল্লেখ কৰিব পাৰি।

অসমত মিচিং ভাষাৰ শব্দকোষ প্ৰণয়নৰ ইতিহাস বৰ প্ৰাচীন নহয়। ১৯১০ চনত জে. হাৰ্বাৰ্ট লৰেইন প্ৰণীত *A Dictionary of the Abor-Miri Language with illustrative sentences and notes* পুথিখনেই এইক্ষেত্ৰত প্ৰথম প্ৰচেষ্টা। ইয়াৰ পিছতে ১৯১৫ চনত শোনাৰাম মিৰি মহৰিয়ে মিচিং ভাষাৰ দ্বিতীয়খন শব্দকোষ *মিৰি-দুয়ান* ৰচনা কৰে। মিচিং লেখকে অসমীয়া ভাষাত ৰচনা কৰা মিচিং ভাষা বিষয়ক প্ৰথম পুথি ৰূপে *মিৰি-দুয়ান*ৰ ঐতিহাসিক গুৰুত্ব অপৰিসীম। সুদীৰ্ঘ দিন ধৰি দুষ্প্ৰাপ্য হৈ থকা এই গুৰুত্বপূৰ্ণ পুথিখন ২০১২ চনত বিশিষ্ট গৱেষিকা ড° জ্যোতিৰেখা হাজৰিকাই কটন কলেজৰ পুথিভঁৰালত উদ্ধাৰ কৰি সু-সম্পাদনাৰে প্ৰকাশৰ ব্যৱস্থা কৰি ভাষা-চৰ্চা কৰা ব্যক্তিসকলক উপকৃত কৰাৰ লগতে এক মহান জাতীয় দায়িত্ব পালন কৰিলে। *মিৰি-দুয়ান* প্ৰকাশৰ দুবছৰৰ পাছত ১৯১৭ চনত ধৰ্ম্মানন্দ দুৱৰা তামুলী নামৰ এজন অনা-মিচিং ব্যক্তিয়ে *মিৰি-দোৱান* নামেৰে

এখন মিচিং ভাষা সম্পৰ্কীয় শব্দকোষ অসমীয়া ভাষাত প্ৰণয়ন কৰে। উল্লেখযোগ্য যে এই গ্ৰন্থখনৰ বিষয়ে কোনো গৱেষক, পণ্ডিত, ভাষাবিদৰ চকুত পৰা নাছিল। মিচিং ভাষাৰ চৰ্চাৰ ইতিহাসত এই গ্ৰন্থখনৰ বিষয়ে কোনেও উল্লেখ কৰা নাছিল। জনগোষ্ঠীয় ভাষাৰ গৱেষক মৌচুমী ৰেখা খাউণ্ডে 'অসম সাহিত্য সভা'ৰ যোৰহাটস্থিত 'শৰৎ চন্দ্ৰ পুথিভঁৰাল'ৰপৰা এই দুষ্প্ৰাপ্য গ্ৰন্থখন ২০১২ চনত উদ্ধাৰ কৰে আৰু সু-সম্পাদিত ৰূপত ২০১৫ চনৰ ডিচেম্বৰ মাহত মিচিং ভাষাৰ গৱেষক সকলৰ হাতত তুলি ধৰিছে। এই পুথিখনৰ লগত ভাষা-চৰ্চাৰ লগত নিৰলসভাৱে জড়িতসকলৰ উপৰিও পাঠক সমাজক সাধাৰণভাৱে পৰিচয় কৰাই দিয়াই এই লেখাৰ প্ৰধান উদ্দেশ্য। ইয়াৰ লগে লগে মিচিং ভাষাৰ চৰ্চাৰ ইতিহাসত ধৰ্মানন্দ দুৱৰা তামুলীৰ *মিৰি-দোৱান*ক দ্বিতীয়খন ছপাগ্ৰন্থ হিচাপে পণ্ডিত সমাজে স্বীকৃতি প্ৰদান কৰে।

ধৰ্ম্মানন্দ দুৱৰা তামুলী প্ৰণীত আৰু মুঠ বিশটা অধ্যায়ত বিভক্ত *মিৰি-দোৱান* পুথিখনক তিনিটা বহল ভাগত ভগাব পাৰি। প্ৰথম ভাগ ১ম অধ্যায়ৰ পৰা ১৬শ অধ্যায়লৈ, দ্বিতীয় ভাগ ১৭শ অধ্যায়ৰ পৰা ১৯শ অধ্যায়লৈ আৰু তৃতীয় ভাগত ২০শ অধ্যায়টো অন্তৰ্ভুক্ত কৰিব পাৰি। প্ৰথম ভাগৰ ১৬টা অধ্যায়ত বিভিন্ন বিষয়ৰ মিচিং ভাষাৰ শব্দৰ অসমীয়া অৰ্থ দিয়া হৈছে। দ্বিতীয় ভাগৰ তিনিটা অধ্যায়ত সততে ব্যৱহাৰ হোৱা মিচিং ভাষাৰ বাক্য কিছুমানৰ নমুনা অসমীয়া তৰ্জমা সহ সন্নিৱিষ্ট কৰিছে। তৃতীয় ভাগৰ একমাত্ৰ অধ্যায়টোত মিৰিৰ খেল, বিহুৰ ঘোষা, গগনাৰ চেওঁ আদিৰ উল্লেখ আছে।

*মিৰি-দোৱান* পুথিখনৰ প্ৰথম ভাগৰ ১৬টা অধ্যায়ত মুঠ ৫৯৪টা শব্দ সংকলিত হৈছে। ১ম অধ্যায়ত ২২টা ব্যক্তিবোধক সৰ্বনাম, ২য় অধ্যায়ত ২১টা সমন্ধবাচক শব্দ, ৩য় অধ্যায়ত ৫২টা শৰীৰ বিষয়ক শব্দ, ৪ৰ্থ অধ্যায়ত ২০ টা সাজ-পোছাক আৰু অয়-অলংকাৰ সম্পৰ্কীয় শব্দ, ৫ম অধ্যায়ত ৪২ টা বিশেষণ শব্দ, ৬ষ্ঠ অধ্যায়ত ৭৫ টা খোৱা বস্তু বুজোৱা শব্দ, ৭ম অধ্যায়ত ২৩ টা গছ-গছনি বিষয়ক শব্দ, ৮ম অধ্যায়ত ৫১টা দৈনন্দিন ব্যৱহৃত সঁজুলি বিষয়ক শব্দ, ৯ম অধ্যায়ত ৩১ টা ধাতু আৰু যতন সম্পৰ্কীয় শব্দ, ১০ম অধ্যায়ত ৪৪ টা পৃথিৱী আৰু স্বৰ্গৰ লগত জড়িত শব্দ, ১১শ

অধ্যায়ত ২৩ টা ক্ৰিয়া বোধক শব্দ, ১২শ অধ্যায়ত ৩২ টা জন্তুবাচক শব্দ, ১৩শ অধ্যায়ত ৩০ টা চৰাই বিষয়ক শব্দ, ১৪শ অধ্যায়ত ৪৭ টা পতংগ আৰু জলচৰ জীৱ সম্পৰ্কীয় শব্দ, ১৫শ অধ্যায়ত ১১ টা ক্ৰিয়া-বিশেষণ শব্দ আৰু ১৬শ অধ্যায়ত ৭০ টা সংখ্যাৰ লগত জড়িত মিচিং ভাষাৰ শব্দৰ অসমীয়া অৰ্থসহ সন্নিবিষ্ট কৰা হৈছে।

*মিৰি-দোৱান*ৰ দ্বিতীয় ভাগৰ ১৭শ অধ্যায়ত ৬৯ টা মিচিং ভাষাৰ উপদেশধৰ্মী বাক্য অসমীয়া অনুবাদসহ সংকলিত হৈছে। ১৮শ অধ্যায়ত সমাজ-জীৱনত দৈনন্দিন কথা-বতৰাত প্ৰয়োগ হোৱা মিচিং ভাষাৰ ১৪৯ টা বাক্য অসমীয়া তৰ্জমা-সহ লিপিবদ্ধ কৰা আছে। ১৯শ অধ্যায়ত কলঘৰ সম্পৰ্কীয় ৩৫ টা মিচিং ভাষাৰ বাক্য অসমীয়া ভাঙনি সহ উল্লেখ কৰিছে।

*মিৰি-দোৱান*ৰ তৃতীয় ভাগত এটা মাত্ৰ অধ্যায় আছে। ‘বিহুৰ নাম ও গগনাৰ চেওঁ’ শিৰোনামৰ এই অধ্যায়টোত মিৰিৰ খেল, বিহুৰ ঘোষা, গগনাৰ চেওঁ আদি সংকলিত হৈছে।

*মিৰি-দোৱান* পুথিখন ঐতিহাসিক, শৈক্ষিক, সামাজিক আদি সকলো দিশৰ পৰাই তাৎপৰ্য্যপূৰ্ণ। পুথিখনৰ শব্দ সংগ্ৰহৰ ৰীতি, বানান পদ্ধতি, যতি চিহ্নৰ প্ৰয়োগ বিজ্ঞানসন্মত নহয় যদিও মিচিং ভাষাৰ অধ্যয়নৰ ইতিহাসত ইয়াৰ গুৰুত্ব আছে। অসমৰ জনগোষ্ঠীয় ভাষাসমূহে শিক্ষিত সমাজৰ অধ্যয়নৰ আওতাত সোমোৱাৰ প্ৰাক্-কালতেই এগৰাকী অনা মিচিং ব্যক্তিয়ে মিচিং ভাষাৰ শব্দকোষ প্ৰণয়ন কৰি জনমানসত মিচিং ভাষাৰ গুৰুত্ব প্ৰতিষ্ঠা কৰিবৰ কাৰণে কৰা প্ৰচেষ্টা অতিশয় আদৰণীয়। সম্প্ৰতি গ্ৰন্থখনৰ শৈক্ষিক মূল্যও বিদ্যমান। বিশেষকৈ ভাষা-সাহিত্যৰ শিক্ষাৰ্থী, গৱেষক, সাংস্কৃতিক কৰ্মী আদিৰ লগতে প্ৰাথমিক ভাৱে মিচিং ভাষা শিকিব বিচৰা অনা মিচিং লোকসকলো উপকৃত হোৱাত পুথিখন সহায়ক হ’ব। তদুপৰি প্ৰতিটো জনগোষ্ঠীৰ মাজতে ইতিমধ্যে আৰম্ভ হোৱা ভাষিক উগ্ৰ জাতীয়তাবাদে সামাজিক জীৱন সংশয়াছন্ন কৰি তোলাৰ জটিল সন্ধিক্ষণত পুথিখনে মিচিং আৰু অনা মিচিংসকলৰ মাজত সামাজিক ঐক্য আৰু সংহতিৰ বান্ধোন দৃঢ় কৰিব।

*মিৰি-দোৱান* পুথিখনৰ বৰ্তমান সংস্কৰণ প্ৰকাশ কৰিছে সামাজিক-সাংস্কৃতিক সদ্ভাৱনা মঞ্চ ‘সম্প্ৰীতি’ৰ যোৰহাট শাখাৰ হৈ ইউনিকা প্ৰকাশনে।

বিশিষ্ট ভাষাবিদ, প্ৰাধ্যাপক ড° ভীমকান্ত বৰুৱাদেৱৰ 'আগকথা' এই সংস্কৰণৰ এক উল্লেখযোগ্য দিশ। বৰুৱাদেৱে তেখেতৰ 'আগকথা'ত পুথিখনৰ এক সাধাৰণ পৰিচয় দাঙি ধৰাৰ লগতে মিচিং ভাষাৰ অধ্যয়নৰ ইতিহাসত পুথিখনৰ গুৰুত্ব সম্পৰ্কেও ইতিবাচক মন্তব্য আগবঢ়াইছে।

পুথিখন সম্পাদনাৰ ক্ষেত্ৰত সম্পাদক মৌচুমী ৰেখা খাউণ্ড অতি সচেতন আৰু সতৰ্কতাৰে আগবাঢ়িছে। সম্ভৱতঃ অসমৰ সামাজিক জীৱনত আউল লাগিব পাৰে বুলিয়েই পূৰ্বৰ সংস্কৰণৰ 'প্ৰাৰ্থনা' অংশত থকা আপত্তিজনক কথাখিনি কৌশলেৰে পৰিহাৰ কৰিছে। আনহাতে পুথিখনৰ মূল ৰূপৰ বিকৃতি নঘটক বুলিয়েই শব্দৰ বানান আৰু যতি চিহ্নৰ প্ৰয়োগ পূৰ্বৰ সংস্কৰণত থকাৰ দৰেই ৰাখিছে। ইয়াৰ ফলত অসমীয়া আৰু মিচিং উভয় ভাষাৰে বহুতো শব্দ অশুদ্ধ ৰূপত সন্নিৱিষ্ট হৈছে।

*মিৰি-দোৱান* অসমীয়া ভাষা-সাহিত্য আৰু মিচিং ভাষা-সাহিত্য উভয়ৰে বিশেষ সম্পদ ৰূপে বিবেচনা কৰিব পাৰি। পুথিখনৰ উদ্ধাৰ আৰু পুনৰ প্ৰকাশে অসমৰ সামাজিক সম্প্ৰীতিক সুদৃঢ় কৰাৰ লগতে নতুন প্ৰজন্মৰ গৱেষকক এনেধৰণৰ কামত ব্ৰতী হ'বলৈ অনুপ্ৰেৰণা যোগোৱাৰ সম্ভাৱনা আছে।

# অন্য এক দৃষ্টিকোণ ঃ স্থবিৰতা বিসৰ্জনৰ আহ্বান

জ্ঞানৰ সাধনা মানৱ জীৱনৰ মহৎতম সাধনা। জ্ঞানাৰ্জন আৰু আৰ্জিত জ্ঞানৰ প্ৰয়োগেৰে বিশ্বজগতৰ কল্যাণ সাধনেই মানুহৰ জীৱনৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য। জীৱনমুখী চিন্তাৰে কৰা সুসংহত পৰিকল্পনা আৰু সেই পৰিকল্পনাক বাস্তৱত ৰূপ দিবলৈ কৰা কঠোৰ সাধনাই ব্যক্তিক নিজৰ পৰা পৰিয়াল, পৰিয়ালৰপৰা সমাজ আৰু সমাজৰপৰা ৰাষ্ট্ৰ নিৰ্মাণৰ মহাযজ্ঞত অংশগ্ৰহণৰ বাবে অনুপ্ৰেৰণা যোগায়। তদুপৰি 'গতিশীলতাই জীৱন, স্থবিৰতাই মৃত্যু'— এই আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ হৈ মানুহে জীৱনৰ অমৃতময় জ্ঞানৰ অনুশীলনেৰে জগতৰ কল্যাণৰ হকে মহান কৰ্মৰ অংশীদাৰ হোৱাৰ আনন্দ লাভ কৰে। কিন্তু সাম্প্ৰতিক সময়ত বস্তুবাদী সংস্কৃতিৰ আগ্ৰাসন আৰু ভোগবাদী মনস্তত্ত্বৰ বিস্তাৰে মানুহক সেই সামাজিক স্তৰৰপৰা ব্যক্তিকেন্দ্ৰিক স্তৰলৈ অৱনমিত কৰাৰ লগতে ভোগবিলাসৰ প্ৰাচুৰ্যই মানুহৰ গতিশীল চিন্তা-চৰ্চাক স্থবিৰ কৰি আনিছে। এনে অৱস্থাৰপৰা পৰিত্ৰাণ পাবলৈ অমৃতৰ সন্তান মানুহে নিজৰ স্থবিৰতা বিসৰ্জন দি গতিশীল ভাৱনাৰে আত্ম উত্তৰণৰ পথ মুকলি কৰিব লাগিব। তেতিয়াহে ব্যক্তিৰপৰা পৰিয়াল, পৰিয়ালৰপৰা সমাজ আৰু সমাজৰপৰা ৰাষ্ট্ৰ নিৰ্মাণৰ ধাৰণা বাস্তৱত পৰিণত হ'ব। শাৰীৰিক আৰু মানসিক স্থবিৰতা বিসৰ্জনেৰে মানুহে আত্ম উত্তৰণৰ যোগেদি ৰাষ্ট্ৰ নিৰ্মাণত অংশগ্ৰহণ কৰিব পৰাকৈ প্ৰচুৰ শাৰীৰিক আৰু মানসিক শক্তিৰ অধিকাৰী হ'বলৈ জনোৱা আহ্বানৰ ফচল হিমন্ত বিশ্ব শৰ্মাৰ *অন্য এক দৃষ্টিকোণ* গ্ৰন্থখন। গ্ৰন্থখনত লেখকৰ অধ্যয়নশীলতা, চিন্তাশীলতা আৰু বিশ্লেষণী দক্ষতাৰ ত্ৰিবেণী সংগম হৈছে।

হিমন্ত বিশ্ব শৰ্মাৰ *অন্য এক দৃষ্টিকোণ* পোন্ধৰটা প্ৰবন্ধ আৰু এটা সাক্ষাৎকাৰৰ সমষ্টি। মুঠ ১৮৪ পৃষ্ঠাৰ গ্ৰন্থখনত চাৰিটা ধাৰাৰ প্ৰবন্ধ সন্নিৱিষ্ট

কৰা হৈছে— আৰ্থ-সামাজিক (Socio-Economic), সামাজিক-সাংস্কৃতিক (Socio-Cultural), সামাজিক-ৰাজনৈতিক (Socio-Political) আৰু শৈক্ষিক (Academic)। আৰ্থ-সামাজিক ধাৰাত 'অসমক উচ্চাভিলাষী অসমীয়াৰ প্ৰয়োজন কিয়?', 'উত্তৰ-পূৰ্বাঞ্চলৰ উমৈহতীয়া ভৱিষ্যৎ দৰ্শনৰ ৰূপৰেখা', 'উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন আৰু প্ৰাচ্যাভিমুখী নীতি- এক পৰ্য্যালোচনা' আৰু 'অসমত জনগাঁথনিমূলক পৰিৱৰ্তন- এক নিৰ্মোহ বিশ্লেষণ' শীৰ্ষক প্ৰৱন্ধ কেইটা অন্তৰ্ভুক্ত কৰিব পাৰি। সামাজিক-সাংস্কৃতিক ধাৰাৰ প্ৰবন্ধকেইটা হৈছে- 'হিন্দুত্বৰ আদৰ্শ- উদাৰতা আৰু সাৰ্বজনীনতা', 'অসমীয়া জাতীয়তাবাদ আৰু ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদ', 'সহনশীলতা, উদাৰতা আৰু হিন্দুধৰ্ম', 'ধৰ্মীয় উৎসৱ আৰু অসমৰ সামাজিক ৰূপান্তৰ' আৰু 'অসমত ৰাষ্ট্ৰীয়তাবাদৰ অনুৰণন'। আনহাতে 'জনসেৱী শাসন আৰু আমোলাতান্ত্ৰিক মেৰপেঁচ', 'চৰকাৰী নিযুক্তিত স্বচ্ছতা- নতুন চৰকাৰৰ দায়িত্ব', 'পুনৰুত্থিত উত্তৰ পূৰ্বাঞ্চল ঃ সন্ত্ৰাসৰ পৰা শান্তি আৰু উন্নয়নলৈ' আৰু 'ম্যানমাৰ ঃ অন্য এক দৃষ্টিকোণ' আদি প্ৰবন্ধক সামাজিক-ৰাজনৈতিক ধাৰাত অন্তৰ্ভুক্ত কৰিব পাৰি। শৈক্ষিক ধাৰাৰ অন্তৰ্গত 'শিক্ষক দিৱসৰ আশা' আৰু 'সপ্তধাৰা ঃ শিক্ষা সংস্কাৰৰ এক নব্যধাৰা' শীৰ্ষক প্ৰৱন্ধ দুটা গ্ৰন্থখনৰ অন্যতম চিন্তা উদ্ৰেককাৰী ৰচনা।

*অন্য এক দৃষ্টিকোণত* লেখকে মানুহে জীৱন কালত সন্মুখীন হোৱা বিভিন্ন সমস্যাক নিৰ্মোহভাৱে বিশ্লেষণ কৰিছে। সমস্যা সমূহৰ কাৰণ নিৰ্ণয়ৰ জৰিয়তে নিজকে সমস্যাৰ উৰ্দ্ধত প্ৰতিষ্ঠা কৰিবৰ বাবে লেখকে জনোৱা আহ্বান গ্ৰন্থখনৰ প্ৰায়বোৰ প্ৰবন্ধতে ফল্গুৰ দৰে প্ৰবাহিত হৈ আছে। প্ৰৱন্ধসমূহ গভীৰভাৱে অধ্যয়ন কৰা কোনো পাঠকেই স্মৰণ নকৰাকৈ নোৱাৰে এ. পি. জে. আব্দুল কালামৰ সেই অনুপ্ৰেৰণামূলক মহান উক্তি— "চৰায়ে বৰষুণৰ পৰা বাচিবলৈ নিৰাপদ আশ্ৰয় বিচাৰি ফুৰে। অথচ ঈগলে বৰষুণৰ পৰা বাচিবলৈ মেঘৰ ওপৰলৈ উৰি যায়।"

তুলনামূলক দৃষ্টিভংগীৰে বিষয়বস্তুৰ বিশ্লেষণ গ্ৰন্থখনৰ এক অন্যতম উল্লেখযোগ্য দিশ। লেখকে বিশ্বৰ পটভূমিত ভাৰতক আৰু ভাৰতৰ পটভূমিত অসমক পৰ্যবেক্ষণ কৰাৰ প্ৰয়াস কৰিছে কেইবাটাও প্ৰবন্ধত। তদুপৰি প্ৰাচীন ভাৰতৰ লগত বৰ্তমান ভাৰতৰ তুলনামূলক বিশ্লেষণে লেখকৰ বক্তব্যক অধিক গভীৰতা আৰু বিস্তৃতি প্ৰদানৰ পথ সুগম কৰিছে।

*অন্য এক দৃষ্টিকোণ*— সাহিত্যিক সৌন্দৰ্যৰ দিশৰ পৰাও চহকী। প্ৰথম প্ৰবন্ধটোৰ অন্তৰ্গত 'সূৰ্যটো আনি নিদিলেও অন্ততঃ চন্দ্ৰটো চুই চোৱাৰ সুযোগ দিব'— এই কাব্যিক বাক্যটোৰ কথা প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি। তদুপৰি গ্ৰন্থখনৰ বিভিন্ন প্ৰবন্ধত ব্যৱহাৰ হোৱা সাতে সোতৰই, হৰ্তা-কৰ্তা বিধাতা, খুলি খুলি খোৱা, চেঙালুটি পৰা, থাউকতে কোৱা, হীন-ডেঢ়ি হোৱা, ন দি কোৱা, চকুতপৰা, উটি-ভাঁহি যোৱা আদি অসমীয়া খণ্ডবাক্যই লেখকৰ ৰচনাশৈলীক মনোহাৰিত্ব প্ৰদান কৰিছে।

গ্ৰন্থখনৰ শেষত সংযোজন কৰা হৈছে 'দ্য ইণ্ডিয়ান এক্সপ্ৰেছ' কাকতৰ 'আইডিয়া এক্সছেঞ্জ' অনুষ্ঠানত লেখকৰ স'তে হোৱা এক কথোপকথনৰ অসমীয়া ভাঙনি। কথোপকথনখিনি গ্ৰন্থখনৰ মূল অংশৰূপে সন্নিৱিষ্ট কৰাতকৈ 'পৰিশিষ্ট' অংশৰূপে সন্নিৱিষ্ট কৰা হ'লে ভাল আছিল। দ্বিতীয়তে, গ্ৰন্থখনৰ 'উৎসৰ্গা' পৃষ্ঠাত লেখকে প্ৰয়াত পিতৃ বিশিষ্ট গীতিকাৰ কৈলাশ নাথ শৰ্মাৰ নামৰ আগত 'শ্ৰীযুত' ব্যৱহাৰ কৰাতো সমীচিন হোৱা নাই।

শিল্পী যতীন দাসৰ দৃষ্টিনন্দন প্ৰচ্ছদপট আৰু জেনেচিছ প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড্ৰ সুন্দৰ মুদ্ৰণ শৈলীয়ে গ্ৰন্থখন চকুতলগা কৰিছে। সহৃদয় পাঠক সমাজ গ্ৰন্থখন অধ্যয়নৰ জৰিয়তে উপকৃত হ'ব বুলি আমি আশাবাদী।

# সপোনৰ গাঁও গ্ৰন্থাগাৰ আৰু .... ইত্যাদি ঃ ব্যতিক্ৰমী চিন্তাৰ কলাত্মক প্ৰকাশ

অনাদি কালৰেপৰাই মানুহৰ চিন্তন মননত সমাজৰ কুশলাৰ্থে কিবা এটা কৰাৰ দায়িত্ববোধে অনবৰতে পীড়া দি আহিছে। ইয়াৰ ফলতে মানুহে সামাজিক দায়বদ্ধতাৰে কাম-কাজত আত্মনিয়োগ কৰি আহিছে। কোনোবাই যদি কায়িকভাৱে, কোনোবাই আৰ্থিকভাৱে, কোনোবাই যদি শিল্প সাধনাৰে, কোনোবাই সৃষ্টিশীলতাৰ অনুশীলনেৰে, কোনোবাই যদি সুৰৰ দেউল নিৰ্মাণেৰে, কোনোবাই আকৌ ভাষা জননীৰ বেদীত অৰ্ঘ্য প্ৰদানেৰে। মানুহৰ চিন্তন মননত গতিশীলতা আৰু ক্ৰিয়াশীলতাই যুগে যুগে মানুহক সৎ কৰ্মৰ অনুশীলন কৰিবলৈ অনুপ্ৰেৰণা যোগোৱাৰ বাবেই বিশ্বত বহুতো বন্দিত কৰ্ম সম্পন্ন হৈছে। এনেধৰণৰ অনুপ্ৰেৰণাতে ড° বিনীতা শইকীয়া গগৈয়ে ৰচনা কৰি উলিয়াইছে এখন পঠনযোগ্য গ্ৰন্থ *সপোনৰ গাঁও গ্ৰন্থাগাৰ আৰু ইত্যাদি*।

ড° বিনীতা শইকীয়া গগৈৰ *সপোনৰ গাঁও গ্ৰন্থাগাৰ আৰু ইত্যাদি* নামৰ গ্ৰন্থখন নটা তৰংগৰ সমষ্টি। সেই তৰংগ কেইটা হৈছে— গ্ৰন্থাগাৰ, আধ্যাত্মিকতা আৰু জীৱন, কবিতা, শিশু, যুৱশক্তি, প্ৰকৃতি, বুৰঞ্জী, সংস্কৃতি আৰু অৱলোকন। ইয়াৰে প্ৰথম তৰংগত তিনিটা, দ্বিতীয় তৰংগত এটা, তৃতীয় তৰংগত দুটা, চতুৰ্থ তৰংগত এটা, পঞ্চম তৰংগত এটা, ষষ্ঠ তৰংগত এটা, সপ্তম তৰংগত দুটা, অষ্টম তৰংগত এটা আৰু নৱম তৰংগত দুটা প্ৰৱন্ধ সংকলিত হৈছে।

প্ৰথম তৰংগত সন্নিৱিষ্ট হোৱা প্ৰবন্ধ তিনিটা হৈছে ক্ৰমে— "সপোনৰ গাঁও আৰু এটা গ্ৰন্থাগাৰ", "গ্ৰন্থাগাৰ বিজ্ঞানৰ জনক- ড° এছ. আৰ. ৰংগনাথন" আৰু "গ্ৰন্থাগাৰৰ তথ্য বিজ্ঞান শিক্ষাৰ প্ৰয়োজনীয়তা আৰু ভাৰতত ইয়াৰ বিস্তাৰ।" প্ৰথম প্ৰৱন্ধটোত গাঁৱত গঢ়ি তোলা গ্ৰন্থাগাৰ এটাই কেনেকৈ গ্ৰাম্যাঞ্চলত সুস্থ শৈক্ষিক, সামাজিক, সাংস্কৃতিক পৰিৱেশৰ জন্ম দিয়াৰ লগতে

সাম্প্ৰতিক সময়ৰ প্ৰাসংগিক তথ্যপাতি যোগান ধৰি গাঁওখনৰ বৌদ্ধিক স্নায়ুকেন্দ্ৰৰূপে সেৱা আগবঢ়াই গাঁওবাসীক উপকৃত কৰিব পাৰে সেই কথা দাঙি ধৰিব বিচাৰিছে। দ্বিতীয়টো প্ৰৱন্ধত গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃপুৰুষ ড° এছ. আৰ. ৰংগনাথনৰ বিষয়ে আলোচনা কৰা হৈছে। ৰংগনাথনৰ জীৱন বৃত্ত অংকন কৰাৰ লগতে কেনেকৈ বিভিন্ন প্ৰত্যাহ্বান অতিক্ৰম কৰি এইগৰাকী বিশিষ্ট শিক্ষাবিদে আত্মপ্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল সেই কথা সুন্দৰকৈ বৰ্ণনা কৰিছে। তৃতীয়টো প্ৰৱন্ধত গ্ৰন্থাগাৰ আৰু তথ্য বিজ্ঞান শিক্ষাই কিদৰে এখন জ্ঞান সমৃদ্ধ পৃথিৱী আৰু তথ্য সম্বলিত সমাজ গঢ় দিব পাৰে তাৰ ব্যাখ্যা বিশ্লেষণ আগবঢ়োৱা হৈছে। বৰ্তমান তথ্য, প্ৰযুক্তি আৰু যোগাযোগ কলাই গ্ৰন্থাগাৰ বিজ্ঞানক তথ্য বিজ্ঞানলৈ ৰূপান্তৰ কৰি বিষয়টোৰ পৰিসৰ বৃদ্ধি কৰাৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। তদুপৰি গ্ৰন্থাগাৰ আৰু তথ্য বিজ্ঞান বিষয়টোৱে এক বিদ্যায়তনিক বিষয় হিচাবে ভাৰতত প্ৰতিষ্ঠা লাভ কৰা আৰু পৰৱৰ্তী সময়ত বিস্তাৰ লাভ কৰি আমাৰ অসম ভূমিলৈ ঘটা আগমনৰ বিষয়ে বিস্তৃত আলোচনা কৰিছে।

গ্ৰন্থখনৰ দ্বিতীয় তৰংগত "জীৱন শুদ্ধিৰ মহৌষধ আৰু মংগলময় নীৰৱ উৎসৱ ঃ প্ৰাৰ্থনা" শীৰ্ষক এটা প্ৰৱন্ধ সন্নিৱিষ্ট কৰা হৈছে। ইয়াত লেখিকাই প্ৰাৰ্থনাৰ সংজ্ঞা দাঙি ধৰাৰ প্ৰয়াস কৰিছে এনেদৰে - "প্ৰাৰ্থনা হৈছে অন্তঃকৰণেৰে সৰ্বশক্তিমানৰ ওচৰত সমৰ্পনৰ ভাৱ লৈ জনোৱা আহ্বান বা নিৰন্তনৰ ইচ্ছা। জীৱনক সুন্দৰ, সৎ, সুস্থিৰ আৰু মংগলময় কৰি তুলিবলৈ লোৱা প্ৰতিটো নীৰৱ সংকল্প আৰু সাধনাকে প্ৰাৰ্থনা বোলে।" প্ৰাৰ্থনাই মানুহক আত্ম উপলব্ধি কৰাত সহায় কৰে। আত্ম উপলব্ধিৰে আত্মা শুদ্ধিৰ পথ প্ৰশস্ত কৰাৰ অনুশীলনে মানুহৰ আধ্যাত্মিক সত্যৰ সন্ধান দিব পাৰে। এই সত্যৰ উপলব্ধিয়ে মানুহক মহীয়ান কৰি জীৱনক মোক্ষ প্ৰাপ্তিৰ স্তৰত উপনীত কৰে। মানুহৰ মাজত শৃংখলিত জীৱন-যাপনৰ চিন্তা, আধ্যাত্মিক চেতনা আৰু সন্তুষ্টিৰ ভাৱনাৰ উদ্ৰেক কৰাৰ ক্ষেত্ৰত প্ৰাৰ্থনাৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে প্ৰৱন্ধটোত বহলাই আলোচনা কৰিছে।

গ্ৰন্থখনৰ তৃতীয় তৰংগৰ প্ৰৱন্ধ দুটা কবিতা সম্পৰ্কীয়। ইয়াৰে 'কবিতা ঃ তুমি শতবৰ্ণা, তুমি অনন্যা' শীৰ্ষক প্ৰৱন্ধত কবিতাক জীৱনৰ সঞ্জীৱনী সুধাৰূপে প্ৰতিষ্ঠা কৰিবলৈ যুক্তিসহ চেষ্টা কৰিছে। ৰূপৰ মাজত অৰূপৰ

সন্ধান কৰিবলৈ, সসীমৰ মাজত অসীমৰ উপলব্ধি কৰিবলৈ কবিতাই মানুহক যুগে যুগে অনুপ্ৰেৰণা যোগাই আহিছে। ৰবীন্দ্ৰনাথ ঠাকুৰৰ “ৰূপৰ মাজে অৰূপ তুমি বজাও আপোন সুৰ” আৰু নলিনীবালা দেৱীৰ “সসীমৰ ৰূপ তৃষ্ণা অসীমত মাৰ যাব” পংক্তি দুটাই সেই কথাকে প্ৰতিপন্ন কৰে। কবিতাৰ চৰ্চা আৰু অধ্যয়নে মানুহক এখন সংবেদনশীল জগতত প্ৰৱেশ কৰাই কেনেকৈ এক বিমল আনন্দৰ সন্ধান দিব পাৰে সেই কথা লেখিকাই প্ৰকাৰান্তৰে বুজাবলৈ চেষ্টা কৰিছে। এই তৰংগৰ আনটো প্ৰবন্ধ হৈছে “কবিতা আৰু কবিতা আবৃত্তি ঃ এক অনুপম শিল্পকৰ্ম।” ইয়াত লেখিকাই আবৃত্তিৰ জৰিয়তে কবিতাৰ প্ৰকৃত শৈল্পিক ৰূপটো ফুটি উঠাৰ কথা ব্যক্ত কৰিছে। কবি হীৰেন ভট্টাচাৰ্য্যদেৱে কৈ গৈছে- “পাঠেই কবিতাৰ প্ৰাণ।” ইতিমধ্যে ভাৰতৰ বিভিন্ন ঠাইত আনুষ্ঠানিক পাঠ্যক্ৰমৰ ব্যৱস্থা কৰি আবৃত্তি শিক্ষা প্ৰদানৰ অনুষ্ঠান গঢ় দিয়া হৈছে। এই দৃষ্টিকোণৰপৰা লেখিকাই আবৃত্তিক এক বিজ্ঞান সন্মত দৃষ্টিভঙ্গী ৰূপত ব্যাখ্যা বিশ্লেষণ আগবঢ়োৱাৰ চেষ্টা কৰিছে।

গ্ৰন্থখনৰ চতুৰ্থ তৰংগত থকা একমাত্ৰ প্ৰবন্ধটো হৈছে “শিশু, শিশু দিৱস আৰু ইয়াৰ প্ৰাসঙ্গিকতা।” ইয়াত শিশু মনৰ পৱিত্ৰতা, কোমলতা, সৰলতা আদি অমৃতময় গুণসমূহৰ বিষয়ে উল্লেখ কৰাৰ লগতে শিশুসকলৰ কল্যাণৰ বাবে কৰ্ম আঁচনি প্ৰস্তুত কৰা ৰাষ্ট্ৰসংঘৰ ‘ইউনিচেফ’ শাখাৰো এটি পৰিচয় দাঙি ধৰিছে। তদুপৰি ভাৰতৰ দৰে এখন দেশত শিশু দিৱস উদ্‌যাপনৰ নামত চৰকাৰী আৰু বেচৰকাৰীভাৱে বিভিন্ন স্তৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে যদিও শিশু শ্ৰমিক, শিশুৰ পুষ্টিহীনতা, শিশু হত্যা আদি ঘটনাই নিতৌ বাতৰি কাকতৰ পৃষ্ঠা দখল কৰি থকাত লেখিকাই আশ্চৰ্য প্ৰকাশ কৰিছে।

গ্ৰন্থখনৰ পঞ্চম তৰংগত এটা মাত্ৰ প্ৰবন্ধ সন্নিৱিষ্ট কৰা হৈছে। “যুৱশক্তি নিৰ্মাণ আৰু মূল্যবোধৰ চেতনা” শীৰ্ষক প্ৰবন্ধটোত যুৱ শক্তিক মূল্যবোধৰ চেতনাৰে উদ্বুদ্ধ কৰি জাতি নিৰ্মাণৰ মহান কৰ্মত নিয়োজিত কৰাৰ পোষকতা দেখা গৈছে। এই প্ৰসংগত স্বামী বিবেকানন্দৰ “মনুষ্য নিৰ্মাণ আৰু দেশৰ পুনৰুত্থান” কথাষাৰৰ অনুষংগ বিচাৰি পোৱা যায়। অপৰিসীম শক্তি আৰু সামৰ্থ্যৰ অধিকাৰী যৌৱনক পৰিশীলিত ৰূপত সজাই পৰাই তুলি ইতিবাচক পথেৰে বাট বুলিবলৈ শিকালে দেশ তথা জাতিৰ ভৱিষ্যত সুন্দৰ হোৱাৰ

সম্ভাৱনা প্ৰকট।

গ্ৰন্থখনৰ ষষ্ঠ তৰংগত পৰিৱেশ সম্পৰ্কীয় এটা প্ৰবন্ধ অন্তৰ্ভুক্ত কৰা হৈছে। “পৰিৱেশৰ ভাৰসাম্যতা আৰু সচেতনতা” শীৰ্ষক প্ৰৱন্ধটোত আধুনিক পৰিৱেশ বিজ্ঞানৰ নতুন কেতবোৰ চিন্তাৰ উন্মেষ ঘটিছে। শংকৰদেৱৰ ৰচনাত প্ৰকাশিত “এক বৃক্ষ দশ পুত্ৰ সম”ৰ ধাৰণাই আধুনিক পৰিৱেশ বিজ্ঞানী-সকলকো অনুপ্ৰেৰণা যোগাই অহাৰ কথা প্ৰতীয়মান হৈছে। পৰিৱেশ সুৰক্ষা আৰু বন্যপ্ৰাণী সংৰক্ষণ সম্পৰ্কীয় চিন্তা-চৰ্চাই গুৰুত্ব লাভ কৰা প্ৰবন্ধটোত সাম্প্ৰতিক মানৱ সমাজৰ মাজত পৰিৱেশ সম্পৰ্কে সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে।

গ্ৰন্থখনৰ সপ্তম তৰংগ সজোৱা হৈছে চ্যুকাফা সম্পৰ্কীয় দুটা প্ৰবন্ধৰ অন্তৰ্ভুক্তিৰে। এটা হৈছে “অসমীয়া জাতি গঠনত চাওলুং চ্যুকাফাৰ আদৰ্শ আৰু মে-ডাম-মে-ফিৰ গুৰুত্ব” আৰু আনটো হৈছে “প্ৰৱাদ পুৰুষ চ্যুকাফাৰ জীৱন সত্বা আৰু মহত্ব।” প্ৰথমটো প্ৰৱন্ধত বৃহত্তৰ অসমীয়া জাতি গঠনৰ ক্ষেত্ৰত চ্যুকাফাৰ আদৰ্শই কিদৰে সহায় কৰিছিল সেই কথা বিশ্লেষণ কৰাৰ প্ৰয়াস কৰিছে। ‘সাত ৰাজ সামৰি এক ৰাজ’ কৰা চ্যুকাফাই সম্প্ৰীতিৰ দোলেৰে পাহাৰ-ভৈয়ামৰ মাজৰ একতাৰ সৌধ নিৰ্মাণ কৰাৰ প্ৰসংগ প্ৰৱন্ধটোত উত্থাপিত হৈছে। তদুপৰি মে-ডাম-মে-ফীৰ উৎপত্তি আৰু বিকাশৰ সম্পৰ্কে আলোচনা কৰাৰ লগতে ‘মে’, ‘ডাম’, ‘ফী’ আদি শব্দৰ ব্যাখ্যা আগবঢ়োৱা হৈছে। মে-ডাম-মে-ফী অনুষ্ঠানত টাই আহোমসকলে উপৰিপুৰুষক সেৱা আগবঢ়াই পৰিয়ালৰ কুশল কামনা কৰে। উপৰিপুৰুষৰ সেৱাৰ জৰিয়তে মানৱ সেৱা কৰাটোৱেই যে ‘মে-ডাম-মে-ফী’ৰ মূল তত্ত্ব সেই কথা লেখিকাই সুন্দৰ ৰূপত বৰ্ণনা কৰিছে। দ্বিতীয়টো প্ৰৱন্ধত চ্যুকাফাৰ জীৱন পৰিক্ৰমা আৰু অসমীয়া জাতিৰ বাবে চ্যুকাফাৰ বৰঙণি সম্পৰ্কে আলোচনা কৰা হৈছে। ৰাজনৈতিকভাৱে বহুধা বিভক্ত ‘অসম’ নামৰ এই ভূখণ্ডক একৰূপতা প্ৰদান কৰি অঞ্চলটোত সম্প্ৰীতিৰ সাঁকো নিৰ্মাণ কৰাৰ ক্ষেত্ৰত চ্যুকাফাই অদ্বিতীয় ভূমিকা গ্ৰহণ কৰাৰ কথা লেখিকাই যুক্তি আৰু তথ্যৰে প্ৰমাণ কৰিব বিচাৰিছে।

অষ্টম তৰংগত প্ৰৱন্ধৰ সংখ্যা এটা। “অসমীয়া অলংকাৰ ঃ এক আনুভূতিক বিশ্লেষণ” শীৰ্ষক প্ৰবন্ধটোত অলংকাৰৰ জন্ম আৰু বিকাশৰ বিষয়ে আলোচনা কৰিছে। অলংকাৰ প্ৰধানকৈ সৌন্দৰ্য বৰ্দ্ধনৰ বাবে পৰিধান

কৰা হয় যদিও অলংকাৰৰ লগত কিছুমান লোকবিশ্বাস জড়িত হৈ আছে। হিংস্ৰ জন্তুৰ আক্ৰমণৰপৰা হাত সাৰিবলৈ, ৰোগ ব্যাধিৰপৰা পৰিত্ৰাণ পাবলৈ, অপায় অমংগলৰপৰা বাচি থাকিবলৈও মানুহে অলংকাৰ পৰিধান কৰে। অসমীয়া সংস্কৃতিত অলংকাৰে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি থকাৰ প্ৰসংগ উল্লেখ কৰি লেখিকাই পুৰুষ আৰু মহিলাৰ বিবিধ অলংকাৰৰ সম্পৰ্কে পৰিচয় দাঙি ধৰিছে।

গ্ৰন্থখনৰ নৱম তৰংগটো দুটা প্ৰৱন্ধৰ সমষ্টি। ইয়াৰে "নিৰুপমা বৰগোহাঞিৰ গল্পত নাৰীৰ আত্মসন্মানবোধ আৰু মুক্তিৰ চেতনা" শীৰ্ষক সুখপাঠ্য প্ৰৱন্ধটোত গল্পকাৰগৰাকীৰ 'শান্ত ছোৱালী তাই', 'ঢেঁকীৰ সৰগ', 'অযোগ্যতা', 'অপমৃত্যু', 'অপচয়', 'ভৰি দুখন' আদি গল্পত চিত্ৰিত হোৱা নাৰী মনৰ আত্মসন্মানবোধ আৰু মুক্তি চেতনাৰ বস্তুনিষ্ঠ বিশ্লেষণ আগবঢ়োৱা হৈছে। এই তৰংগৰ আনটো প্ৰৱন্ধ হৈছে 'মোৰ লক্ষ্য'ৰ দৃষ্টিৰে কবি লক্ষ্যধৰ চৌধুৰী।" ইয়াত লেখিকাই সু-সাহিত্যিক লক্ষ্যধৰ চৌধুৰীক নতুন দৃষ্টিৰে বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিছে। চৌধুৰীৰ এটা উল্লেখযোগ্য কবিতা "মোৰ লক্ষ্য"ৰ আধাৰত কবিগৰাকীৰ দেশাত্মবোধ, নাৰীৰ প্ৰতি শ্ৰদ্ধা, কৃষকৰ প্ৰতি মৰম, স্বদেশ প্ৰীতি, সত্যৰ সন্ধান আদি বিষয়সমূহৰ ব্যাখ্যা আগবঢ়োৱা হৈছে। বিশিষ্ট চিত্ৰশিল্পী লিঅ'নাৰ্ড দ্যা ভিন্সিৰ প্ৰতিভাৰ বিশালতাৰ লগত চৌধুৰীৰ তুলনা কৰি লেখিকাই কৈছে, "শিশুৰ পৰা বৃদ্ধলৈকে হাঁহি হাঁহি অন্তৰ জয় কৰা প্ৰতিটো লক্ষ্যক অন্তৰেৰে চুই যাব পৰাকৈ তেওঁ আছিল লিঅ' নাৰ্ড দ্যা ভিন্সিৰ দৰে পূৰ্ণাঙ্গ সফল মানুহ।"

ড° বিনীতা শইকীয়া গগৈৰ *সপোনৰ গাঁও গ্ৰন্থাগাৰ আৰু ইত্যাদি* গ্ৰন্থখনৰ মুঠ পৃষ্ঠা সংখ্যা ৯১। প্ৰতিটো পৃষ্ঠাতে লেখিকাৰ পৈণত হাতৰ স্বাক্ষৰ স্পষ্ট ৰূপত জিলিকি আছে। সঞ্জীৱ বৰাই প্ৰস্তুত কৰা অৰ্থৱহ বেটুপাত আৰু ভৱানী গ্ৰাফিক্‌ছৰ সুন্দৰ ছপা কৰ্ম গ্ৰন্থখনৰ অন্য এক আকৰ্ষণ। আশাকৰোঁ গ্ৰন্থখনৰ অধ্যয়নৰপৰা পাঠক উপকৃত হ'ব।

**—ঃ সমাপ্ত ঃ—**